ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 14

Tuesday the 4th April 1995

Price : Rs. 40.00

Debates of the Assam Legislative Assembly

Tuesday, the 4th April, 1995

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

Starred Questions and Answers

(To which oral question replies were given)

Mr. Speaker : The position of questions for 4-4-95 are as follows :-

Oral - Sl. No. 241 to 260
Written - Sl. No. 557 to 606

Now, Question No. 241, Questioner Shri Binod Goala, Shri Gautam Bora, Minister of State Education to reply.

শ্রী বিনোদ গোৱালাই সুধিছে ঃ

*২৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ পৰা কিমান গৰাকী ছাত্র-ছাত্রী উচ্চ শিক্ষা লবলৈ ভাৰতবর্ষৰ বিভিন্ন শিক্ষানুষ্ঠানলৈ গৈছে, জনাবনে ?

(খ) উচ্চ শিক্ষা লবলৈ যোৱা ছাত্র-ছাত্রীয়ে বছৰে বছৰে জলপানী পাইছেনে?

(গ) যদি পোৱা নাই, কিয় পোৱা নাই?

(ঘ) ছাত্র-ছাত্রীৰ অসুবিধা নোহোৱাকৈ সময়মতে জলপানী দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীগোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) প্রাপ্ত তথ্য অনুসৰি ১১৫ জন।

(খ) ৰাজ্যৰ ভিতৰত আৰু অসমৰ বাহিৰত কিন্তু আমাৰ দেশৰ ভিতৰত পঢ়ি থকা ১০৫ জনে নিয়মীয়া ভাৱে বর্ত্তমানে জলপানী পাইছে।

(গ) প্রশ্ন নুঠে।

(ঘ) জলপানী দিয়াৰ ওপৰত থকা Ceiling বিত্ত বিভাগে প্রত্যাহাৰ কৰাৰ পাছত নিয়মিয়া হৈছে।

বিষয় ঃ কলেজের গভার্ণিং বডি।

শ্রীরাম প্যারে রবিদাস জিজ্ঞাসা করছেন।

*২৪২। মাননীয় উচ্চ শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত ১০/১২/৯৩ ইংরাজিতে আদেশ নং জি (এ) জিবি ১৭/৯০/১৮০ এর ভিত্তিতে যে সম্পাদককে নিয়ে রামকৃষ্ণ নগর কলেজের গভার্ণিং বডি গঠিত হয়েছিলো হঠাৎ কেন ঐ সম্পাদককে (নির্ম্মল পুরকায়স্থ) অপসারিত করে নতুন একজন কলেজ শিক্ষককে সম্পাদক করা হয়েছে? বিস্তারিত কারণ জানাবেন।

(খ) উক্ত সম্পাদকের বিরুদ্ধে কোনো নির্দিষ্ট অভিযোগ ছিল কি? যদি ছিল, কি কি?

(গ) সম্পাদকের পদ থেকে অপসারণের পূর্বে অভিযোগ (যদি আছে) গুলির সত্যতা প্রমাণের জন্য কোনো তদন্ত করা হয়েছে কি অথবা

রিপোর্ট চেয়ে পাঠানো হয়েছে কি? অথবা বিভাগীয় রিপোর্ট চেয়ে পাঠানো হয়েছে কি? (তদন্ত অথবা রিপোর্টের একটি প্রতিলিপি সদনে পেশ করবেন) কোন ভিত্তিতে আকস্মিক ভাবে সম্পাদক পরিবর্ত্তন করা হয়েছে জানাবেন কি?

(ঘ) ১৯৭৩ - ১৯৭৬ ইংরাজী ভিতর রামকৃষ্ণ নগর কলেজের গভার্ণিং বডির সম্পাদকের (চেক্রেটারী) বিরুদ্ধে উক্ত কলেজের ফাণ্ড (প্রায় ১,০৯,০০০.০০ টাকা) নয়ছয় (মিচএপ্রোপ্রিয়েশ্বন) এর অভিযোগ আছে কি? এ ব্যাপারে কোনো তদন্ত হয়েছিলো কি? (তদন্তের প্রতিলিপি পেশ করবেন)
(See the Annexure - I)

(ঙ) ঐ সম্পাদকের নাম, পিতার নাম ও ঠিকানা জানাবেন?

Shri Golak Rajbangshi (Minister of Education, Higher) replied :

(A) The previous Secretary of Governing Body of R. K. Nagar College (Shri Nirmal Kr. Deb Purkayastha) was not discharging his duties as per rules and as such for smooth functioning of the Governing Body of the College he had been removed and one of the senior most teacher of the College was nominated as Secretary, Governing Body as per rules. (The details are enclosed).

(B) There are various complaints against the previous Secretary, Governing Body viz. non-convening of Governing Body meeting, appointment of under qualified teacher etc.

(C) Enquiry is under process.

(D) Yes. there is a complaint regarding misappropriation of college fund amounting to Rs. 1,09,000/- (Rupees One Lakhs Nine thousand) only (Approx.) against the Ex-Secretary. (Shri M. Dutta Choudhury) Governing Body of the College during 1973-76 given by the then president, Governing Body of R. K. Nagar College (Shri Rampyare Rabidas, MLA). Director of Higher Education has been asked to conduct an enquiry.

(E) Shri Madhabendra Dutta Choudhury, M. A. Son of Late Motilal Dutta Choudhury, President Anchalik Panchayat, R. K. Nagar Block, R. K. Nagar, Karimganj.

Mr. Speaker : Now question No. 242, questioner-Shri Rampyare Rabidas, Minister Education to reply.

*শ্রীৰামপ্যাৰী ৰবিদাস ঃ মাননীয় অধ্যক্ষ মহোদয়, অপসাৰিত কৰা সম্পাদক জনে চাৰি পাচ মাহ আগতে হাইকোর্টত এটা কেচ দিছিলে। এই সম্পর্কত মন্ত্রী মহোদয়ে জানে নেকি। কেচ চলি থাকোতে তেওঁক কিয় আতৰ কৰা হ'ল?

*শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, কোর্টৰ পৰা কোনো ষ্টে অর্ডাৰ নাই। গভার্ণিং বডিৰ চেক্রেটাৰী জনৰ বিৰুদ্ধে অভিযোগ পোৱাৰ বাবে তেওঁক অপসাৰিত কৰা হৈছে।

* Speech not corrected

*শ্রীবাগপ্যাবী ববিদাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৬ চনব ভিতৰত বাম কৃষ্ণ নগব কলেজব গভর্ণিং বডিব সম্পাদক জনৰ ১ লাখ ৯ হাজাব টকাব খেলি মেলিব বাবে এটা তদন্ত চলি আছিল। এই তদন্ত শেষ নোহোৱাকৈ তেওঁক কিয় গভার্ণিং কমিটিত লোৱা হ'ল। শাসক দলৰ মানুহ হোৱাৰ কাৰণেই লোৱা হ'ল নেকি?

*শ্রীগৌতম বৰা (বাজ্যিক শিক্ষামন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি ১৯৯৩-৯৬ চনৰ কথা কৈছে, আচলতে ১৯৭৩-৭৬ হে হ'ব লাগে। এই সম্পর্কত উচ্চ শিক্ষা বিভাগৰ সঞ্চালকে অনুসন্ধান কৰি আছে।

বিষয় ঃ মাটি অধিগ্রহণ।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে।

*২৪৩। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) লেংটিচিঙা মেৰেৰ চৰ বান নিয়ন্ত্রণ বিভাগে কটা মথাউৰি বন্ধাত যিবোৰ ব্যক্তিৰ মাটি অধিগ্রহণ কৰা হ'ল সেইবোৰৰ ক্ষতিপূৰণ বিভাগে দিবলৈ ৰাজহ বিভাগত কিবা চিঠি-পত্র দিছে নেকি?

(খ) বঙাইগাঁও জিলাৰ লেংটিচিঙা মেৰেৰ চৰ, চাকলা নাম্বাৰ পাৰা, বোয়ালীমাবী মাছপাৰা আৰু সিদলসুতী, সৃজনগ্রাম এই মথাউৰি কেইটা পূর্ণ নির্মাণৰ বাবে বিভাগে কিবা ব্যৱস্থা লৈছে নেকি?

শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, লেংটিচিঙা-মেৰেৰ চৰ অঞ্চলত মথাউৰি বন্ধাৰ বাবদ অধিগ্রহণ কৰা মাটিৰ সংক্রান্তত যুগুতাই তোলা আঁচনি অনুমোদনৰ সন্দর্ভত ৰাজহ বিভাগৰ অনুমোদন তথা প্রতিস্বাক্ষৰৰ বাবে

---

* Speech not corrected

যোগাযোগ কৰা হৈছে।

(খ) লেংটিচিঙা মেৰেৰ চৰ মথাউৰিৰ ভঙা অংশ মেৰামতি কৰা হৈছে। সিদলসূতী-সৃজনগ্রাম মথাউৰিৰ ক্ষতিগ্রস্ত অংশবোৰৰ মেৰামতিৰ (পুনৰ নির্ম্মাণৰ) কাম আর্থিক অনাটনৰ বাবে বান নিয়ন্ত্রণ বিভাগে হাতত লব পৰা নাই। চাকলা-নামবাৰ পাৰা, ৰোয়ালীমাৰী মাছপাৰা অঞ্চলত এই বিভাগৰ কোনো মঠাউৰি নাই।

*শ্রীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রীয়ে স্পষ্টকৈ জনাব লাগে, তেখেতে কৈছে জৰিপ কার্য্য চলি আছে। যিবিলাক মালিকৰ মাটি অধিগ্রহণ কৰা হৈছিল মই জনাত তেখেতসকলক টকা পইচা দিয়া নাই। আজি ১৫ বছৰ হৈ গ'ল। মাটি বিলাকো কটা হৈ গৈছে। গতিকে মালিকবিলাকে যিবিলাক পইচা পাব লাগে সেই পইচা কেতিয়া দিব সঠিক তাৰিখ জনাব লাগে।

শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সকলৰ লেণ্ড একুইজিছনৰ বর্ত্তমানলৈ আমাৰ হাতত ৪টা কেছ আছে। তাৰে প্রথমটো হৈছে LA Case No. 1/88/89 for Rs. 5,54,531.00 এই স্কীমৰ ওপৰত প্রাৰম্ভিক প্রাক্কলনৰ ওপৰত ভিত্তি কৰি উক্ত টকাৰ ৮০ শতাংশ ইতিমধ্যে ক্ষতিগ্রস্ত পট্টাদাৰসকলক আদায় দিবৰ বাবে উপায়ুক্তক জমা দিয়া হৈছে। দ্বিতীয়টো হ'ল LA Case No. 2/90/91 for Rs. 8,34,238.00 লেণ্ড একুইজিচন গোচৰৰ চূড়ান্ত প্রাক্কলন খন প্রয়োজনীয় অনুমোদন তথা প্রতি স্বাক্ষৰৰ বাবে ৰাজহ বিভাগলৈ প্রেৰণ কৰা হৈছে। তৃতীয়টো LA Case No. 7/87-88 for for Rs. 1,47,849.15 এই গোচৰৰ প্রাৰম্ভিক প্রাক্কলনৰ ওপৰত

* Speech not corrected

ভিত্তি কৰি ১,৩৮,৫১১.১৫ টকা ১৯৮৮ চনৰ মে মাহতেই দিয়া হৈছে।

*শ্রীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছো। লেণ্ড একুইজিছনৰ কাৰণে যিখিনি টকা মালিকসকলে পাব লগা আছে সেই টকা কেতিয়া পাব? লগতে বাকী যি কেইটা ই এণ্ড দি বান্ধ আছে সেই কেইটা পূৰ্ণ নিৰ্মাণৰ বাবে কি ব্যৱস্থা লৈছে? মন্ত্রীয়ে স্পষ্ট উত্তৰ দিব লাগে।

শ্রীহৰেণ ভূমিজ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে শুনাত ভুল কৰিছে নেকি। মই কৈছো প্রথমটো কেচৰ ৮০ শতাংশ দিয়া হৈছে। দ্বিতীয়টো এতিয়াও ৰাজহ বিভাগৰ অধীনত আছে। তৃতীয়টো এতিয়াও ৰাজহ বিভাগৰ অধীনত। ইয়াৰ এগেইনষ্টে পোৱা ১,৩৮,৫১১.১৫ টকা গোৱালপাৰা জিলাৰ উপায়ুক্তৰ হাতত ক্ষতিগ্রস্থ পট্টাদাৰসকলক দিবৰ বাবে ইতিমধ্যে জমা দিয়া হৈছে।

*শ্রীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যি ৮০ শতাংশ টকা দিয়া হোৱা বুলি কৈছে। মই জনাত এতিয়াও ৮০ শতাংশ পোৱা নাই। গতিকে এই বিষয়টো তদন্ত কৰাৰ ব্যৱস্থা কৰিব নেকি?

*শ্রীহৰেণ ভূমিজ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ভাৰ উপায়ুক্তৰ হাতত দিয়া হৈছে।

*শ্রীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে, জিলা উপায়ুক্তৰ হাতত ভাৰ দিয়া বুলি কৈছে। এতিয়া প্রশ্ন হৈছে উপায়ুক্তই এই পইচাখিনি ৰেভিনিউ ডিপোজিতত ৰাখিছে। বিশেষকৈ গোৱালপাৰা আৰু ধুবুৰী জিলাৰ উপায়ুক্তই লেণ্ড

* Speech not corrected

একুইজিছনৰ টকা আৰ দিত জমা বাখিছে। এতিয়াও বেভিনিউ ডিপোজিটৰ টকা উলিয়াব নোৱাবা বাবে এতিয়াও মাটিব মালিকক এই ক্ষতিপূৰণ দিব পৰা নাই। এই কথা সঁচা হয় নে নহয়?

*শ্রীহবেণ ভূমিজ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কবি চোৱা হব।

*ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা পইন্ট জানিব বিচাৰিছো। অসমৰ বিভিন্ন ঠাইৰ পৰা মথাউৰি নির্মাণ কৰা ক্ষেত্রত যিসকল মালিকৰ পৰা মাটি অধিগ্রহণ কৰা হৈছে সেই মালিক সকলক দিব লগা টকা এতিয়াও তেওঁলোকে পোৱা নাই। এইটো অকল লেংটিচিঙা বা ধুবুৰীতে নহয়। গোটেই অসমতে সাধাৰণ ঘটনা হৈ পৰিছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো গোটেই অসমত লেণ্ড একুইজিছনৰ কিমান টকা মালিকসকলক দিব লগা আছে।

শ্রীহৰেণ ভূমিজ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগৰ লেণ্ড একুইজিছনৰ এতিয়ালৈকে মুঠ ২২১ টা গোচৰ আছে আৰু ইয়াৰ বিপৰীতে টকাৰ পৰিমাণ হ'ল ৬১৩.৯০ লাখ।

*শ্রীনজমূল হ'ক ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি পৰিমাণটো জানিব নিবিচাৰো।

*ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে জানিব নিবিচাৰিব পাৰে কিন্তু আমি জানিব বিচাৰো।

মাননীয় অধ্যক্ষ ঃ আপুনি উত্তৰটো দি দিয়ক।

*শ্রীহবেণ ভূমিজ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, উত্তৰটো দিয়া হৈছে।

*শ্রীমতী বেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা

---

* Speech not corrected

চাপলিমেন্টবী আছে। যোবহাটব জাজি মথাউৰিৰ এক কিঃ মিঃ পথ ই এণ্ড দিও নললে আৰু বান নিয়ন্ত্রণ বিভাগেও নললে। গতিকে এইখিনি লোৱাব ব্যৱস্থা লব নে? এইটো ৰোডৰ কাম বান্ধ হৈ আছে। নিয়ম অনুযায়ী এইটো ৩.৫০ মিটাৰ বহল হব লাগে। কিন্তু এইটো হোৱা নাই। জাজিৰ উত্তৰ পাৰটো লোৱা হৈছে। গতিকে জাজিৰ এই মথাউৰিচোৱা লোৱাৰ কথা বিচাৰ কৰি উচিত ব্যৱস্থা লব নে?

শ্রী হৰেণ ভূমিজ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ইয়াৰ বাবে পৃথক প্রশ্নৰ আৱশ্যক।

Mr. Speaker : Now Question No. 244, Questioner-Hon'ble Member, Shri Bhupen Ray - Minister Industries to reply.

বিষয় ঃ বস্ত্র নিগমৰ কর্মচাৰীৰ দৰমহা।

শ্রীভূপেন ৰায়ে সুধিছে ঃ

*২৪৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক বস্ত্র নিগম নোৱাপাৰা শাখাত কিমানজন কর্মচাৰী আছে, কর্মচাৰী সকলে নিয়মীত ভাবে দৰমহা পাই আছেনে?

(খ) ১৯৯৩ চনৰ নৱেম্বৰ মাহৰ পৰা ১৯৯৪ চনৰ এপ্রিল মাহ পর্য্যন্ত শ্রমিক কর্মচাৰী সকলৰ অনাদায় দৰমহা কোনে আদায় দিব অনুগ্রহ কৰি জনাবনে?

(গ) বর্ত্তমান শ্রমিক কর্মচাৰী সকলক আর্থিক দিশত কেনে ধৰণে সুৰক্ষা দিয়া হৈছে অনুগ্রহ কৰি জনাবনে?

শ্রী বিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে ঃ

(ক) ৬১৮ জন কর্মচাৰীয়ে নিয়মিত ভাবে দৰমহা পাই আছে।

(খ) এই সংক্রান্তত ASTC Ltd. Employees Union ৰ দ্বাৰা উচ্চ ন্যায়ালয়ত এটি গোচৰ ৰুজু কৰা হৈছিল। উচ্চ ন্যায়ালয়ে

ৰায় দান দিয়ে যে এই সংক্রান্তত The payment of wages act ৰ অধীনত competent authority য়ে উপযুক্ত সিদ্ধান্ত লব পাৰিব।

(গ) শ্রমিক কর্মচাৰী সকলক প্রতিমাহে নিয়মিয়াকৈ দৰমহাৰ ওপৰিও ভৱিষ্যনিধি, পৰিয়াল পেঞ্চন আৰু (Employee Deposit linked Insurance) বাবদ কোম্পানীৰ বৰঙনি দিয়া হয়।

*শ্রীভূপেন ৰায় ঃ বুজাবুজি চুক্তি কৰোতে কর্মচাৰী সকলক দৰমহা নিয়মীয়াকৈ দিয়া কথা আৰু আগৰ পৰা দিব বুলি কৈছিল। এতিয়া হাইকোর্টৰ কথা কৈছে। এইক্ষেত্রত পার্থক্যটো বুজাই দিবনে?

*শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) ঃ অসম বস্ত্র নিগমটো ব্যক্তিগত খণ্ডত পৰিচালনাৰ দায়িত্বত দিয়া হৈছিল। সেই সময়ত কর্ম্মচাৰী সকলে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰাৰ কাৰণে কিছু দিন কাম বন্ধ হৈ আছিল। তাৰ পিছত উচ্চ ন্যায়ালয়ে চৰকাৰৰ প্রস্তাৱ সমর্থন কৰি ৰায় দিলে। The payment of wages act কম্পিটেন্ট অথৰিটিয়ে দিব পাৰিব বুলি ৰায় দিয়ে। সেই সময়ৰ দর্মহাৰ কথাটো লেবাৰ বিভাগত যাব পাৰে। চৰাকৰে পোনপটীয়াকৈ সেই সময়চোৱাৰ দর্মহা দিব নোৱাৰে।

*শ্রীভূপেন ৰায় ঃ কর্ম্মচাৰী সকলৰ লগত বহুবাৰ আলোচনা কৰিছিল আৰু আশ্বাস দিছিল। এতিয়া দেখা যায় মালিক পক্ষৰ প্রতি গুৰুত্ব দিছে। গতিকে এতিয়া এই ক্ষেত্রত কি ব্যৱস্থা লৈছে?

*শ্রীবিজত শইকীয়া (মন্ত্রী) ঃ মালিক কত্তৃপক্ষক গুৰুত্ব দিয়া কথাটো নাহে।

---

* Speech not corrected

বুজা বুজি চুক্তি অনুযায়ী মালিক পক্ষ, কর্ম্মচাৰী সকলক চৰকাৰৰ ফালৰ পৰা যিখিনি সহায় কৰিব লাগে তাত গুৰুত্ব দিয়ে। মই আগতেই কৈছো ব্যক্তিগতকৰণ কৰাৰ সংক্রান্তত হাইকোর্টত গোচৰ তৰিছিল আৰু উচ্চ ন্যায়ালয়ে 'নৌ ওৱর্কচ নৌ পে ৰুলিং' দিছিল। সেই পিৰিয়দটোৰ দৰ্মহা দিয়াৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিব নোৱাৰে।

*শ্রীভূপেন ৰায় ঃ তেওঁলোকে কাম বন্ধ কৰা নাছিল। চৰকাৰৰ ফালৰ পৰা বন্ধ কৰা হৈছিল।

*শ্রীবিজিত শইকীয়া (মন্ত্রী) ঃ চৰকাৰৰ ফালৰ পৰা নির্দেশ দিয়া নাছিল। ব্যক্তিগতকৰণ কৰাত উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰি সেই পিৰিয়দটোত ধর্মঘট কৰিছিল। উচ্চ ন্যায়ালয়ে 'নৌ ওৱর্কচ নৌ পে ৰুলিং' দিছিল।

*শ্রীভূপেন ৰায় ঃ মালিক পক্ষই সুবিধা পালে আৰু কর্মচাৰী পক্ষই একো সুবিধা নাপালে। লিখনি খিনি কাগজত থাকি গ'ল। এতিয়া বহুত বস্তু বিক্রী কৰিলে। কর্ম্মচাৰী সকলক ভিকটিম কৰা হ'ল। কর্মচাৰী সকলক ৰক্ষণা-বেক্ষণ দিয়াৰ ব্যৱস্থা লবনে?

*শ্রীবিজত শইকীয়া (মন্ত্রী) ঃ 'গ' ৰ প্রশ্নোত্তৰত কৈছো যে শ্রমিক কর্মচাৰী সকলক নিয়মীয়াকৈ দৰমহা দিয়াৰ ওপৰিও ভৱিষ্যনিধী, পৰিয়াল পেঞ্চন আৰু এমপ্লয়ী দেপজিট লিংকদ ইনচুৰেঞ্চ বাবদ কোম্পানীৰ বৰঙণি দিয়া হয়।

*শ্রীভূপেন ৰায় ঃ মালিক পক্ষই পুলিচ লগাই ৰিজিগনেচন চাবমিট কৰাইছে।

*শ্রীনগেন শর্মা ঃ মালিক পক্ষই পুলিচ লগাই ৰিজিগনেচন দিয়াটো দোষণীয়।

* Speech not corrected

সেই সম্পর্কে চৰকাৰে জানেনে?

*শ্রীবিজিত শইকীয়া (মন্ত্রী) ঃ কর্মচাৰী সকলৰ পৰা তেনে অভিযোগ অহা নাই। আহিলে পৰীক্ষা কৰি চাম।

Mr. Speaker : Now Question No. 245, Questioner - Shri Karendra Basumatary.

Re : S. T. Scholarship

Shri Karendra Basumatary, asked

*245. Will the Minister of Education (Higher & Technical Education) be pleased to state :

(a) Whether it is a fact that the Scheduled Tribes students of Tangla College in the District of Darrang have not so far received the S. T. Scholarship money since 1992 fresh and renewal whereas other college's S. T. Students i.e. Kalaigaon College, Kalaigaon H. S. School Khoirabari College, Khoriabari H. S. School, Duni Burhi Nagar College and Mangaldoi College students have been given their scholarship as per Government order Vide Nos. (I) DW/AC - 72, 93/1767-68, Dated 25th November 1994 and (2) PW/AC-72/93, 1889-91 dated 19th December 1994?

(b) If so, what is the reason?

Shri Golok Rajbangshi (Minister Education, Higher and Technical) replied.

(a) Yes.

* Speech not corrected

(b) Scholarship of the arrear cases of 1991-92 only have been paid to the Colleges mentioned in the question. Scholarship from 1992 onwards could not be paid to colleges owing to financial stringencies and non receipt of central assistance.

*শ্রীকৱেন্দ্র বসুমতাৰী ঃ 'এ'ত ইয়েচ বুলি কৈ মানি লৈছে। ১৯৯২ চনৰ পৰা আজিলৈকে টংলা কলেজৰ এচ. টি. বৃত্তি ফ্রেচ / ৰিনিউ হোৱা নাই। এতিয়ালৈকে ১৪ লাখ টকা এৰিয়াৰ হৈ আছে। দৰং জিলাৰ বিভিন্ন কলেজ, হায়াৰ চেকেণ্ডাৰী স্কুলত পাই আছে। আনহাতে এচ. চি. ৰ বিলাকেও পাইছে। গতিকে টংলা কলেজৰ এৰিয়াৰখিনি পোৱাৰ ব্যৱস্থা কৰিবনে?

*শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) ঃ ১৯৯১-৯২ চনলৈ এৰিয়াৰ দিয়া হৈছে। এই বৃত্তিটো শিক্ষা বিভাগৰ নহয়। জনজাতি কল্যাণ বিভাগৰ পৰা দিয়ে।

*শ্রীকৱেন্দ্র বসুমতাৰী ঃ কলেজ কত্তৃপক্ষলৈ দেচপাটচ কৰাৰ কাৰণে জনজাতি কল্যাণ বিভাগলৈ নির্দ্দেশ দিব লাগে। কাৰণ টংলা কলেজৰ বাদে কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, মঙ্গলদৈ আদি কলেজ পাই আছে। গতিকে টংলা কলেজত সোনকালে পোৱাৰ ব্যৱস্থা কৰিবনে?

*শ্রীগৌতম বৰা (ৰাজিক মন্ত্রী) ঃ উচ্চ শিক্ষা, মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ পৰা নিয়মীয়াকৈ দি আছে। জনজাতি কল্যাণ বিভাগে কেন্দ্রীয় সাহায্য পলমকৈ পোৱাৰ কাৰণে টকাটো দিব পৰা নাই। সোনকালে দিবৰ কাৰণে অনুৰোধ কৰা হৈছে।

*শ্রীপানীৰাম ৰাভা ঃ শিক্ষা বর্ষ শেষ হৈ যোৱাৰ পিচত বৃত্তিৰ টকা পালে ছাত্র-ছাত্রীৰ কিতাপ পত্র কিনাত অসুবিধা হয়। অ.বি.চি.ৰ ছাত্র-

* Speech not corrected

ছাত্রী সকলক ৯৬ টকা দিয়া হয়। এচ. চি. টি. সকলে যি ধৰণে বৃত্তি পায় সেই ধৰণে অ. বি. চি. সকলক দিয়াৰ ব্যৱস্থা কৰিবনে?

*শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ মই আগতেই কৈছো এইটো জনজাতি কল্যাণ বিভাগে সিদ্ধান্ত লব।

*ডঃ জয়নাথ শর্ম্মা ঃ বছৰৰ পিছত বৃত্তিবোৰ পোৱাৰ কাৰণে দুখীয়া ছাত্র সকল যি ধৰণে উপকৃত হ'ব লাগিছিল, সেই ধৰণে উপকৃত হোৱা নাই। গতিকে মাহিলী ভিত্তিত প্রাথমিক স্কুলৰ পৰা কলেজলৈ বৃত্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

*শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) ঃ যিমান পৰা যায় নিয়মীয়াকৈ দিয়াৰ চেষ্টা কৰা হয়। পুজিৰ ওপৰত নির্ভৰ কৰি দিব পৰা যায়। জনজাতি কল্যাণ বিভাগক নিয়মীয়াভাৱে দিবৰ বাবে অনুৰোধ কৰা হৈছে।

*Dr. Zoii Nath Sarma : Whether it is sponsored by the WPT & BC Department or by the department of Education itself whether it is paid to the students on monthly basis or not?

*শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো আগৰে পৰা বছৰেকীয়া ভিত্তিত দিয়াটোৱেই চলি আছে আৰু তেনেকৈয়ে বর্ত্তমান দি থকা হৈছে।

*ডঃ জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এইটো কথা মাহিলী ভিত্তিত দিয়াৰ ব্যৱস্থা কৰিবনে?

*শ্রীগৌতম বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্তীয় বিভাগে এইটো চিলিং উঠাই লৈছে সেইকাৰণে এইটো মাহিলী ভিত্তিত দিব পৰা

* Speech not corrected

নেযাব। তথাপিতো মাননীয় সদস্যজনৰ পৰামর্শ অনুযায়ী প্রতি ৩ মাহে দিয়াৰ ব্যৱস্থা কৰা হ'ব।

*ডঃ জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এল. পি. স্কুল আৰু এম. ই. স্কুল বিলাকত স্কলাৰচিপৰ পৰিমাণ বঢ়াই দিবনে?

*শ্রীগৌতম বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্রশ্ন কৰিছে সেইটো বেলেগে প্রশ্ন আনিলে উত্তৰ দিব পৰা হ'ব।

Mr. Speaker : Now Question No. 246, Questioner - Shri Ramendra Narayan Kalita.

বিষয় ঃ সূভাষ ট্রেডিং

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ।

*২৪৬। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) কার্বি আংলং জিলাৰ কার্বি লাংপি প্রকল্পটো অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কি চুক্তিৰ ভিত্তিত 'সূভাষ ট্রেডিং' নামৰ প্রতিষ্ঠানক দিয়া হৈছে?

(খ) চুক্তিত উল্লেখ কৰা অনুযায়ী সময় সীমাৰ ভিতৰত 'সূভাষ ট্রেডিং' নামৰ প্রতিষ্ঠানটোই কাম সমূহ সম্পূর্ণ কৰিলেনে?

(গ) যদি কৰা নাই, তেনেহলে চৰকাৰে এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) গোটেই প্রকল্পটো চুক্তি অনুযায়ী কোন চনত সম্পূর্ণ হ'ব লাগে?

শ্রীদেৱানন্দ কোঁৰৰ (মন্ত্রী, শক্তি বিভাগ) য়ে উত্তৰ দিছে।

(ক) ১৯৯৩ চনৰ ২০ মার্চ তাৰিখে স্বাক্ষৰিত কৰা 'বুজাবুজিৰ চুক্তি' অনুযায়ী অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কার্বি আংলং জিলাৰ কার্বি

* Speech not corrected

লাংপি প্রকল্পটো সুভাষ প্রজেক্ট এণ্ড মার্কেটিং নামৰ প্রতিষ্ঠানক দিছে।

(খ) কৰা নাই।

(গ) উক্ত প্রকল্পৰ কাম সম্পূর্ণ কৰিবলৈ চৰকাৰে ১৯৯৬ চনৰ ৩০ জুনলৈ সময় সীমা বঢ়াই দিছে।

(ঘ) চুক্তি অনুযায়ী ১৯৯৬ চনৰ ৩০ জুনত এই প্রকল্পটোৰ কাম সম্পূর্ণ হ'ব লাগে।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কার্বি আংলং জিলাৰ কার্বিং লাংপি প্রকল্পটো সুভাষ ট্রেডিং অনুষ্ঠানত দিয়া বাবে অৰিজিনেল প্রাইজ কষ্ট কিমান আছিল। সুভাষ ট্রেডিং আগতে এ. এচ. ই. বিয়ে সম্পূর্ণ কৰাৰ কাৰণে কিমান টকাৰ প্রয়োজন আছিল। তৃতীয়তে চুক্তি অনুযায়ী গুৱাহাটীত সুভাষ ট্রেডিংৰ মুখ্য কার্য্যালয় এটা কৰা কথা আছিল সেইটো বর্ত্তমান সম্পূর্ণ হৈছেনে নাই। চতুর্থতে এ. এচ. ই. বিয়ে যেতিয়া প্রজেক্টটো নিজৰ হাতত আছিল আৰু যিখিনি ৰাস্তা-বাট আছিল সেইখিনি তেওঁলোকে নিজা ৰবীয়াকৈ কৰিছিল কিন্তু প্রজেক্টটো ব্যক্তিগত খণ্ডলৈ দিয়া হ'ল যেতিয়া পি. ডব্লিউ. ডি.ক ২৪ লাখ টকা কি কাৰণত দিয়া হ'ল?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী, শক্তি বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্রজেক্টটো এ. এচ. ই. বি. য়ে তৈয়াৰ কৰিবৰ বাবে ১৯৮০ চনতে লৈছিল। ১৯৭৯-৮০ চনতে প্রাৰম্ভিক ৩৪ কোটি টকা লৈছিল। এইটো অর্ধ নির্মিত অৱস্থাতে আছে, বাকীখিনি সম্পূর্ণ কৰিবৰ কাৰণে তেওঁলোকে এটা প্রাৰম্ভিক পিলিমিনাৰী এষ্টিমেট কৰিছিল সেইটো ৬০ কোটি টকা আছিল। দ্বিতীয় কথাটো হৈছে পি. ডব্লিউ. ডি. বিভাগে ঘিবিলাক ৰাস্তা ঘাট তৈয়াৰ কৰিছিল সেই সংক্রান্তত

* Speech not corrected

এ. এচ. ই. বিয়ে নেজানে। এ. এচ. ই. বিয়ে গোটেই টকা বহন কৰিছিল পিছৰ পর্য্যায়ত পি. ডব্লিউ. ডিক কিয় দিলে, ইমান টকা কেনেকৈ দিলে সেইটো পি. ডব্লিউ. ডি. বিভাগে জনাব তাৰ উত্তৰ মোৰ ওচৰত নাই।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া সূভাষ ট্রেডিং চুক্তি কৰা হ'ল ইয়াৰ আগতে এই প্রজেক্টটো সম্পূর্ণ কৰাৰ কাৰণে কিমান টকা প্রয়োজন আছিল। এ. এচ. ই. বিয়ে কিমান টকা লাগে বুলি কৈছিল সেই কথাটো মন্ত্রী মহোদয়ে জনাব লাগে।

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী, শক্তি বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয় এ. এচ. ই. বিয়ে ফাইনেল এষ্টিমেট দাখিল কৰা নাছিল। সূভাষ ট্রেডিংৰ লগত চুক্তি হোৱা নাই সূভাষ প্রজেক্ট মার্কেটিং লিমিটেডৰ লগতহে চুক্তি হৈছিল। এটা অনুষ্ঠানৰ কথা কৈছে যেতিয়া শুদ্ধকৈ কোৱাটো ভাল হব বুলিহে মই পুণৰ কৈছো। সূভাষ ট্রেডিং নহয়। কিন্তু এ. এচ. ই. বিয়ে ফাইনেল ইষ্টিমেট দিয়া নাছিল। কিন্তু আগেয়ে চুক্তি প্রাৰম্ভিক হিচাবে দিছিল ৬০ কোটি টকা।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এই প্রকল্পটো সম্পূর্ণ হোৱাৰ কাৰণে ৩৮ কোটি প্রয়োজন আছিল। আৰু ৩৮ কোটি টকা প্রয়োজন হব বুলি এ. এচ. ই. বিয়ে জনাইছিল। সেই তথ্য মোৰ হাতত আছে। আৰু এটা কথা এম. অ. ইউ যিখন আছিল সেইখনৰ গোটেই তথ্য দিব নেকি? এম. অ. ইউত এটা কথা লিপিবদ্ধ কৰা হৈছে যিবিলাক ৰাস্তাঘাট আছিল সেই বিলাকৰ

* Speech not corrected

দায়িত্ব চৰকাৰৰ হাতত আছিল, অর্থাৎ এ. এচ. ই. বিয়ে লৈছে। এ. এচ. ই. বিয়ে পি. ডব্লিউ. ডি.য়ে ৰূম কৰিব কাৰণে নির্দেশ দিছে। গতিকে মন্ত্রী মহোদয়ে যিখন এম. অ. ইউ. কৰিছে সেইখনৰ কিবা এটা তথ্য দিব নেকি?

*শ্রীদেৱানন্দ কোঁৱৰ (শক্তি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো এটা প্রাৰম্ভিক ৩৮ কোটি টকাৰ কথা কৈছে। সেইটো এগেইনষ্টে ১৯৯৩ চনলৈকে ৩৮ কোটি টকাৰ বিপৰীতে ১১৬ কোটি টকা অলৰেডি খৰচ কৰা হৈছে। ১১৬ কোটি টকা মেইন ডেইনত অনলি ১৪ শতাংশহে সম্পূর্ণ কৰিছিল। কোনোবা এজন ইঞ্জিনিয়াৰে ৩৮ কোটি টকাত সম্পূর্ণ কৰিব পাৰিব বুলি কলে সেইটোত আমি মানি লব নোৱাৰো। তেনেকুৱা কোনো ফাইনেল এষ্টিমেট দিব পৰা নাছিল। ১৯৮০ চনৰ পৰা ১৯৯৩ চনলৈকে অর্থাৎ ১৩ বছৰ কামত প্রায় ৩০ কোটি টকাৰ ৰাস্তা ঘাটৰ কাম ১৪ শতাংশহে সম্পূর্ণ কৰিলে তাৰ পিছত ৩৮ কোটি টকাত প্রাৰম্ভিক হব বুলি কোৱাটো অমূলক কথা। তেনেকুৱা এষ্টিমেট চৰকাৰে দাখিল কৰা নাছিল গতিকে প্রাৰম্ভিক চুক্তি এম. অ. ইউ য়ে কৰিছিল। চুক্তি কৰাৰ আগতে এটা হিচাপ দিছিল সেই হিচাপ মতে ৬০ কোটি টকা। চুক্তিৰ পিছত এইটো জইন্ট চেক্টৰত কৰা হ'ল। সেইটো সম্পূর্ণ এচ. এচ. পি. এম. এলক গটাই দিয়া হ'ল। চুক্তিৰ মতে তেওঁলোকৰ চেয়াৰ হব ৪০ শতাংশ আৰু এ. এচ. ই. বিৰ হ'ব ১১ শতাংশ। গতিকে সেই প্রজেক্টটোৱে ডি. পি. আৰক চাবমিট কৰিলে। সেইটোত চেন্ট্রেল এচেনচিয়েল অথৰিটিয়ে স্কুটিনি কৰি আছে। চৰকাৰৰ ওচৰত তেনেকুৱা এটা ফাইনেল এষ্টিমেট দিব পৰা নাই। গতিকে এম. অ. ইউ. খন তেনেকুৱা এটা কনডিচনত আছে।

* Speech not corrected

সেই চুক্তি অনুসৰি পি. ডব্লিউ. ডি. বিভাগে যে কৰিব তেনে কোনো কথা নাছিল।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে - - মাননীয় মন্ত্রী মহোদয়ে কৈছে গোটেইটো পর্য্যায়ক্রমে কাম কৰি সম্পাদন কৰিছে। ডাম্পটোৰ কিছু অংশ বন্ধ আছে। মাননীয় মন্ত্রীয়ে কৈছে – ১১৬ কোটি টকা খৰচ কৰিছে। তাত ৩৮ কোটি টকাৰ প্রয়োজন আছিল, ইতিমধ্যে এম. অ. ইউ. কৰিছে সেই কথাটো স্বীকাৰ কৰা হৈছে। এতিয়া সূভাষ প্রজেক্ট এণ্ড মার্কেটিং লিমিটেডক এই প্রজেক্টটোৰ বাবদ কষ্ট প্রাইচ কিমান দিছে?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩৮ কোটি টকাৰ কথা বাৰে বাৰে কোৱা হৈছে কিন্তু এই ৩৮ কোটি টকা ফাইনেল এষ্টিমেটত নাই। যিখিনি এষ্টিমেট কৰা হ'ল সেইখিনি হ'ল টানেল, ডাম্ব, পাৱাৰ হাউচ, মেচিনেৰী ইঞ্চটলমেন্ট আদিত হোৱা নাই। বহুত কম টকা আছে। এতিয়া যিখিনি দেখা গৈছে ডি. পি. আৰ. অত ১৫৪ কোটি টকা ধৰিছে। সেইটো এ. এচ. ই. বিয়ে নিজে স্কুটিনি কৰিছে। ১২ জন ইঞ্জিনিয়াৰে এতিয়া কাম কৰিছে। আমি সেইটো হোৱাৰ আশা কৰিছো।

*শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই কৈছে কার্বি লাংপি প্রকল্পয়ো 'সূভাষ ট্রেডিং'ক দিয়া নাই, সেইটো 'সূভাষ প্রজেক্ট এণ্ড মার্কেটিং' নামৰ প্রতিষ্ঠানটোক দিছে। যি কেইজন লোক সূভাষ প্রজেক্ট এণ্ড মার্কেটিং কৰি কার্বি লাংপি প্রজেক্টটো কৰিছে সেই কেইজন 'সূভাষ ট্রেডিং'ৰ একে কেইজন লোক। সেই কেইজন লোকে সূভাষ ট্রেডিংৰ নামত বহুত কণ্ট্রেক্ট কৰিছিল আৰু সেই কাম বিলাক সম্পূর্ণ কৰিব নোৱাৰাৰ কাৰণে 'ব্লেক

* Speech not corrected

লিষ্টেড' হৈ আছে. সেই কথাটো জানে নেকি যদি নাজানে অনুসন্ধান কৰিব নেকি?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীগগৈ ডাঙৰীয়াই যি কৈছে সেই কথাটো হৈছে -- তেওঁলোকে চৰকাৰৰ কোন কোন ডিপার্টমেন্টৰ আণ্ডাৰত কি কাম কৰিছিল সেই বিষয়ে বিদ্যুৎ বিভাগে নাজানে।

*শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে নেজানে এইকেইজন লোকে ইয়াৰ আগতে সুভাষ ট্রেডিং নামেৰে অসম চৰকাৰৰ পি. এচ. ই. বিভাগৰ বহুত কাম লৈ নকৰাৰ কাৰণে তেওঁলোকক ব্লেক লিষ্টেড কৰিছিল। সেই কাৰণে মই আগতে কৈছো এইটো অনুসন্ধান কৰিব নেকি?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নটো বিদ্যুৎ বিভাগৰ আছিল। মাননীয় সদস্যই কৈছে যদিও তেওঁলোকে আমাৰ বিদ্যুৎ বিভাগত আগেয়ে কোনো কাম কৰা নাছিল।

মাননীয় অধ্যক্ষ ঃ এইটো বেলেগ বেলেগ বিভাগৰ কথা, তেখেতে কেনেকৈ কব। He is responsible for that.

*ডঃ জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই এইটো জনাব নেকি -- ইতিমধ্যে এ. এচ. ই. বি. এ. ১১৬ কোটি টকাৰ ১৩০ কোটি টকা এই প্রজেক্টত খৰচ কৰিছে। ১১৬ কোটি টকাৰ ভিতৰত এ. এচ. ই. বিয়ে ১১ শতাংশ কাম কৰিলে। ৫০ শতাংশ কাম হব লাগিছিল কিয় এতিয়ালৈকে ১১ শতাংশহে কৰিব পাৰিলে?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শতকৰা ১১ ভাগ 11% Management under the policy of the Government of India (Noise) কৰিব লাগিব। আমাৰ 'চেয়াৰ'টো ৰাখিব লাগিব।

---

* Speech not corrected

*ডঃ জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোক বিভাগৰ পৰা ব্লেক লিষ্টেড হৈ আছিল কাম সম্পূর্ণ কৰিব নোৱাৰাৰ কাৰণে। তেওঁলোককে কামটো দিয়াত এতিয়া শতকৰা ৫০ ভাগ কৰিব লাগিছিল কিন্তু ১১ শতাংশহে কৰিছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া আৰু এইটো নালাগে। আমি 'জাজামেন্ট সকলোকে দিব লাগিব। এই প্রশ্নটো ১৭/১৮ মিনিট হৈ গৈছে।

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনৰ জ্ঞাতার্থে জনাব বিচাৰিছো। এই সুভাষ ট্রেডিংয়ে পি. এইচ. ই. ৰ কাম লওতে যোৰহাট মিউনিচিপালিটি বর্ডৰ আণ্ডাৰত পানী যোগানৰ কামটো কৰি আধৰুৱাকৈ ৰাখিলে। এতিয়া তেওঁলোকে নাম বদলাই চৰকাৰৰ কাম লৈ আছে। এই কথাটোৰ ওপৰত ব্যৱস্থা লব লাগে।

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো কথা মাননীয় সদস্যই কৈছে সেই কথাটো বিদ্যুৎ বিভাগে নাজানে। মই নেজানো। বেলেগ একো দিয়া নাই। যদি বেলেগকৈ কিবা দিয়ে মই উত্তৰ দিব পাৰিম।

Mr. Speaker : Now question No. 247. Questioner Sri Samarendra Nath Sen Hon'ble Minister, Flood Control to reply.

Mr. Speaker : Now Question No. 248

বিষয় ঃ সংমণ্ডলৰ আঁচনি।

ডঃ জয়নাথ শর্ম্মাই সুধিছে।

২৪৮। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মঙলদৈ সংমণ্ডলৰ অধীনত 'পাতিদৰং দোং' আঁচনিৰ কাম সম্পর্কে

* Speech not corrected

চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) এই আঁচনি এতিয়াও কি কাৰণত ৰূপায়িত হোৱা নাই?

(গ) আঁচনিটোৰ সম্পর্কত কোন কোন তাৰিখত অসম চৰকাৰে জল নিগম (চি ডব্লিউ চি)ৰ লগত কি কি যোগাযোগ কৰিছে? (চিঠিৰ কপি দিব) (See the Annexure - II)

(ঘ) ১৯৯১-৯৫ চনত বান নিয়ন্ত্রণ বিভাগে মঙলদৈ সংমণ্ডলত কি কি কাম কৰিছে?

(ঙ) বৰাক উপত্যকাত উক্ত সময়চোৱাৰ ভিতৰত বান নিয়ন্ত্রণ বিভাগে কি কি কাম কৰিছে? কোন কোন ঠিকাদাৰক উক্ত সময়চোৱাৰ ভিতৰত বৰাক উপত্যকা, পার্বত্য জিলা দুখনৰ হোৱা কামৰ বাবে কিমান ধন আদায় দিছে?

শ্রীহৰেন ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) দেৱে উত্তৰ দিছে ।

(ক) পাতিদৰং দোং আঁচনি ৰূপায়ণৰ বাবে ৩.৭১ কোটি টকা ব্যয় সাপেক্ষে এখন প্রাক্কলন প্রস্তুত কৰি দিল্লীস্থ কেন্দ্রীয় জল আয়োগৰ অনুমোদনৰ বাবে এই বিভাগৰ চিঠি নং FC (ED) Tech/3102/92/8 dated 17-5-93 জৰিয়তে প্রেৰণ কৰা হৈছে।

(খ) কেন্দ্রীয় জল আয়োগ / পৰিকল্পনা আয়োগৰ অনুমোদন / মঞ্জুৰ প্রাপ্তি নোহোৱাটোৱে উক্ত আঁচনিৰ ৰূপায়ণ কৰিব নোৱাৰাৰ মূল কাৰণ।

(গ) ১৭/৫/৯৩, ৯/১২/৯৩ আৰু ১৭/১২/৯৪ চিঠিৰ প্রতিলিপি গাঠি দিয়া হ'ল।

(ঘ) ১৯৯১-৯৫ চনত বান-নিয়ন্ত্রণ বিভাগে মঙলদৈ সংমণ্ডলত কৰা কামৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল। বিতং তথ্য সংগ্রহ কৰি থকা হৈছে আৰু পালেই সদনত দাখিল কৰা হ'ব।

(ঙ) বৰাক উপত্যকাৰ আটাইখিনি তথ্য ১৪৭ নং তৰা চিহ্নিত প্রশ্নৰ

উত্তৰত ২৮/৩/৯৫ তাৰিখে সদনত দিয়া হৈছে। পার্বত্য জিলা দুখনৰ তথ্য সংগ্রহ কৰি থকা হৈছে আৰু পালেই সদনত দাখিল কৰা হ'ব।

*ডঃ জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ক এটা কথা সুধিব খুজিছো যে পাতিদৰং দোং আঁচনিটোৰ কাৰণে চি. ডব্লিউ. চিয়ে যি অৱজেকচন দিছে সেই অৱজেকচনবোৰ অসম চৰকাৰে আজি ৩/৪ বছৰ ধৰি পেলাই থৈছে। গতিকে এই ক্ষেত্রত এজন চিনিয়ৰ অফিচাৰক দিল্লীলৈ পঠাই তেওঁলোকৰ অৱজেকচনবোৰ মিট কৰাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিব নে?

*শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, তেওঁলোকে আমাৰ পৰা যিবোৰ ক্লাৰিফিকেচন বিচাৰিছে সেইবোৰ ইতিমধ্যে দিয়া হৈছে আৰু এই ক্ষেত্রত যোৱা ডিচেম্বৰ মাহত আমাৰ ফালৰ পৰা শেষ চিঠিখন পঠোৱা হৈছে। এই ক্ষেত্রত আৰু কিবা কৰিব লগা থাকিলে আমি চি. ডব্লিউ. চি.ৰ লগত যোগাযোগ কৰিম।

*শ্রীজয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, এই কামটো সোনকালে ক্লিয়াৰ কৰাৰ কাৰণে এজন চিনিয়ৰ অফিচাৰক দায়িত্ব অর্পণ কৰিব নে নকৰে? তাত কিবা বাধা আছে নেকি?

*শ্রীহৰেণ ভূমিজ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, আমি যি কেইখন চিঠি দিছো তাত সকলো কথা উল্লেখ কৰা হৈছে আৰু এই কামটো এজন অফিচাৰক এনট্রাষ্ট কৰা হৈছে।

Mr. Speaker : Now Question No. 249

বিষয় ঃ প্রদূষণ নিয়ন্ত্রণ।

শ্রীবদন বৰুৱাই সুধিছে।

*২৪৯। মাননীয় পৰিৱেশ, বিজ্ঞান আৰু প্রযুক্তিবিদ্যা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) দাড়ি আৰু গোফে শ্বাস-প্রশ্বাসত প্রদূষিত বায়ু শৰীৰৰ ভিতৰলৈ যোৱা কার্য্য অধিক খৰতকীয়া কৰে বুলি চিকিৎসাবিদসকলে অভিমত প্রকাশ কৰা কথাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত, প্রদূষণ নিয়ন্ত্রণ আইনৰ অধীনত দাড়ি গোফ ৰখা লোকৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱাৰ কথা চৰকাৰে চিন্তা কৰিছেনে?

শ্রীহৰেণ ভূমিজ (মন্ত্রী, বিজ্ঞান, প্রযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগ) য়ে উত্তৰ দিছে।

(ক) অৱগত নহয়।

(খ) প্রশ্ন নুঠে।

*শ্রীবদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ পৰা এটা কথা লক্ষ্য কৰিছো যে আমাৰ অসমীয়া মানুহখিনিয়ে কথা জানিবলৈ নোখোজে। আগতে অসমীয়া জাতিটো এনে নাছিল। আমি আগতে কিছুমান সৰু সৰু কবিতা পঢ়িছিলো। যেনে ঃ মৰিও নমৰে, পৰিও নপৰে, বান ভগদত্ত চুকাফা জাত। তেতিয়া অসমীয়া জাতিটো তেনে আছিল। কিন্তু আজিৰ অসমীয়া জাতিটো হৈছে - জানিও নাজানে, শুনিও নুশুনে, এইটোনো কেনে সাহসিকতাৰ জাত? দাড়ি আৰু গোফৰ ক্ষেত্রত ১১ জুলাই ১৯৯৪ তাৰিখে এটা ৰিপোর্ট আহিছে। তাত এটা কথা কৈছে যে দাড়ি আৰু গোফত প্রদূষণৰ বীজাণু বেছিকৈ ছেটেল কৰে। গতিকে এই বিষয়টো প্রদূষণ বিভাগৰ মন্ত্রীয়ে স্বাস্থ্য বিভাগৰ মন্ত্রীৰ লগত আলোচনা কৰি কিবা ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰিব নে?

(সদনত হাঁহিৰ ৰোল উঠে)

*শ্রীঅতুল বৰা ঃ অধ্যক্ষ মহোদয়, দাড়ি আৰু গোফৰ কথাটো অলপ চিন্তা

* Speech not corrected

কৰিবলগীয়া। আজি আপোনালোকে যদি চায় শিখ সকল অতি স্বাস্থ্যবান আৰু ডাঙৰ দীঘল মানুহ। তেওঁলোকক চুলি দাঢ়ি খুৰোৱাৰ কথা কলে এটা সমস্যা আহি পৰিব। আনহাতে মুছলমান সকলেও দাড়িৰ কথা কলে এটা সমস্যা আহি পৰিব। বহুতো হিন্দু লোকেও দাড়ি চুলি ৰাখে। গতিকে এইটো এটা সাংঘাটিক বিষয় তাৰ বাহিৰেও যদি কেনেবাকৈ চুলিৰ কথা আহে তেনেহলে মহিলা সকলো জাঙুৰ খাই উঠিব। গতিকে এই বিষয়টোত মোৰ আপত্তি আছে।

(সদনত হাঁহি)

*শ্রী बद्री नारायण सिंह : अध्यक्ष महोदय, दाढ़ी रखने से शरीर कमजोर होता हे, शरीर में अनेक तरह की बिमारिया होती हैं ये सब बाते फिजूल है। मेरा स्बास्थ्य देखने से मालुम होता हे कि जितनी लम्बी दाढ़ी होगी स्बास्थ्य ओतना ही अच्छा होगा।

*ডঃ জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয় যি সকলে সদায় দাড়ি খুৰাই তেওঁলোকে এটা চাব লাগে যে তেওঁলোকে যিবোৰ ব্লেড ব্যৱহাৰ কৰে তাত এইডচৰ বীজাণু বিয়পাৰ সম্ভাৱনা থাকে।

(সদনত আকৌ হাঁহি)

(Starred Question Nos. 250 to 260 could not be taken up as the Question Hour is over. However, the replies to the said Questions were deemed to have been laid on the table of the House.)

---

* Speech not corrected

বিষয় ঃ প্রত্নতত্ত্বৰ বিভাগৰ শাখা কার্য্যালয়

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে।

*২৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রত্নতত্ত্ব বিভাগৰ গুৱাহাটী মূল সঞ্চালকালয় কার্য্যালয়ৰ উপৰিও ইয়াৰ কোনো শাখা কার্য্যালয় অসমৰ অন্য ঠাইত আছেনেকি? যদি আছে, ক'ত আছে জনাব?

(খ) যোৰহাটত ১৯৭৬ চনত স্থাপন কৰা এই বিভাগৰ পঞ্জীয়ন বিষয়াৰ কার্য্যালয়টো চলিত বছৰৰ ১ মার্চৰ পৰা স্থানান্তৰ কৰাটো সত্য নেকি? যদি হয়, কিয় কৰা হৈছে?

(গ) চৰকাৰে সিদ্ধান্তটো পুনৰ বিবেচনা কৰি উক্ত কার্য্যালয়টো যোৰহাটত চলাই নিয়াৰ ক্ষেত্রত পুনৰ বিবেচনা কৰিবনে?

শ্রীগোলক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) প্রত্নতত্ত্ব সঞ্চালকালয়ৰ গুৱাহাটীৰ মূল কার্য্যালয়ৰ বাহিৰে দুটা শাখা কার্য্যালয় যথাক্রমে নগাওঁৰ হোজাইত আৰু শিৱসাগৰৰ চৰাইদেউত আছে।

(খ) হয়। পঞ্জীয়ন বিভাগৰ ৫০ শতাংশ কেন্দ্রীয় চৰকাৰে কর্ত্তন কৰা বাবে যোৰহাটত থকা এই বিভাগৰ শাখাটো স্থানান্তৰ কৰিব লগীয়া হৈছে।

(গ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ গড়াখহনীয়া প্রতিৰোধ ঃ

শ্রীভূপেন ভূঞাই সুধিছে।

*২৫১। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰিয়াহোলা গড়াখহনীয়াৰ স্থায়ী প্রতিৰোধৰ ব্যৱস্থা কিবা লৈছেনে?

(খ) যদি লোৱা হৈছে, কিমান দিনত সেই কাম সম্পূর্ণ হব জনাবনে?

শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) বর্ত্তমানলৈকে হোৱা নাই।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ নদীর বান্ধ নিয়ন্ত্রনের ব্যৱস্থা।

Shri Madhusudhan Tewari asked :

*২৫২। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) পাথারকান্দির লংগাই নদীর বান নিয়ন্ত্রনের বাঁধ গুলির অৱস্থা শোচনীয় সরকার অৱগত আছেন কি?

(খ) যদি অৱগত তবে এইসব বাঁধ গুলি মেরামতের ব্যৱস্থা গ্রহণ করা হয় নাই কেন?

(গ) বাঁধ গুলি মেরামতের আশু ব্যৱস্থা গ্রহণ করা হইবে কি?

(ঘ) ঠিকাদারেদের দেয় বাকেয়া কখন দেওৱা হইবে?

শ্রীহরেন ভূমিজ (বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী) য়ে উত্তর দিছেন ঃ

(ক) হ্যাঁ, অৱগত।

(খ) বিত্তীয় অস্বচ্ছলতার জন্য বন্যা নিয়ন্ত্রণ বিভাগ দ্বারা উক্ত বাঁধ গুলির মেরামতির ব্যৱস্থা গ্রহণ করা সম্ভৱ হয় নাই।

(গ) বাঁধ গুলি মেরামতির আশু ব্যৱস্থা গ্রহণ করার জন্য কাজের প্রাক্ কলন প্রস্তুত করিয়া জেলা গ্রামীণ বিকাশ অভিকরণ (DRDA) কে ইতিমধ্যে অনুরোধ করা হইয়াছে।

(ঘ) প্রয়োজনীয় বিত্তীয় স্বচ্ছলতা সাপেক্ষে পর্যায়ক্রমে ঠিকাদারদের বাকেয়া টাকা পরিশোধের প্রচেষ্টা করা হচ্ছে।

Re : Misappropriation of Government Money.

Dr. Kamala Kalita asked.

*253. (a) Whether Government is aware of fact that a huge amount of money has been misappropriated against the work "F. D. R. to B/dyke from Gumi to Kalatoli at Huguwapather ch. 22090 into 22210 for 1993-94" under Chhaygaon Constituency?

(b) Whether Government is aware that the Local M.L.A. has lodged several complaints against the performance of the work?

(c) Whether payment to the contractors have been made for this work or not?

(d) What step Government has taken against the concerned Officers?

Sri Haren Bhumij (Minister of Flood Control) replied.

(a) No.

(b) No such complain has so far been received.

(c) A part has been made upto February, 1995.

(d) Does not arise in view of the replies (a) & (b).

বিষয় ঃ বিজুলী সেৱা ।

শ্রীফণী ভূষণ চৌধুৰীয়ে সুধিছে ।

*২৫৪। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) বঙাইগাও সংমণ্ডলৰ অধীনত বহু সংখ্যক গ্রাহকে Service

Connection ৰ বাবে আবেদন কৰা স্বত্বেও যোৱা ২ বছৰে কোনো গ্ৰাহককে নতুনকৈ Service Connection নিদিয়াটো সঁচানে?

(খ) যদি সঁচা হয়, কি কাৰণত গ্ৰাহকক নতুন Service Connection দিয়া নাই?

(গ) মাৰ্চ ১৯৯৫ চনৰ ভিতৰতে সকলো আবেদনকাৰীকে Service Connection দিয়া ব্যৱস্থা কৰিবনে?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী, শক্তি বিভাগ) য়ে উত্তৰ দিছে ।

(ক) যোৱা দুটা বছৰত বঙাইগাঁও চহৰত নতুনকৈ বিজুলী সংযোগৰ বাবে আবেদন কৰা বহু গ্ৰাহকে সংযোগ নোপোৱাটো সঁচা।

(খ) বৰ্ত্তমান বঙাইগাঁও চহৰ অঞ্চলত ধালিগাঁও উপকেন্দ্ৰৰ পৰা বিজুলী সৰবৰাহ কৰা হয়। কিন্তু এই অঞ্চলৰ ক্ৰমবৰ্দ্ধমান চাহিদা অনুপাতে ধালিগাঁও উপকেন্দ্ৰৰ ক্ষমতা সীমিত হোৱাৰ বাবে নতুন গ্ৰাহকলৈ বিদ্যুৎ সংযোগ (Service Connection) দিয়াৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছে।

(গ) গ্ৰাহক সকলৰ অসুবিধালৈ লক্ষ্য ৰাখি উক্ত সমস্যাটোৰ সমাধানকল্পে চাপাগুৰিত এটা ৫ এম. ডি. এ. ৩৩ কে. ভি. নতুন চাবষ্টেচন (উপ-কেন্দ্ৰ) বহৰাবলৈ ক্ষীপ্ৰ ব্যৱস্থা হাতত লোৱা হৈছে। এই উপকেন্দ্ৰৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত নতুন গ্ৰাহক সকললৈ বিজুলী সংযোগ দিয়াৰ অসুবিধাখিনি দূৰ হব।

বিষয় ঃ সঞ্চালকৰ ঘৰত তালাচী।

শ্ৰী গহীন চন্দ্ৰ দাসে সুধিছে ।

*২৫৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ ভূমি সংৰক্ষণ বিভাগৰ সঞ্চালক জনৰ নিজা ঘৰত দুৰ্নীতি

নিবাৰণ বিভাগে তালাচী চলোৱাটো সত্যনে?

(খ) যদি জানে তেন্তে ৩০/১/৯৫ তাৰিখে তালাচী চলাই যোৱাৰ পিছত আজি পর্য্যন্ত অর্থাৎ ৬/৩/৯৫ তাৰিখলৈকে সেই পদতে অধিস্থিত হৈ কর্মৰত অৱস্থাত থকাটো সত্য নে?

(গ) যদি সত্য তেন্তে কিয়?

শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) হয় সত্য।

(খ) সত্য। তালাচী ৩০/১১/৯৪ তাৰিখে হৈছিল। ৩০/১/৯৫ তাৰিখে নহয়।

(গ) দূর্নীতি নিবাৰণ বিভাগৰ মূল তদন্ত প্রতিবেদনৰ বাবে বাট চোৱা হৈছে।

বিষয় ঃ উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ।

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছে।

*২৫৬। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বর্ত্তমান চৰকাৰৰ দিনত ধলাই সমষ্টিৰ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে?

(খ) পি. চি. বড়জা লেঙ্গাঁ উচ্চ মাধ্যমিক বিদ্যালয়, নিকামা উচ্চ মাধ্যমিক বিদ্যালয়, কে. চি. উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ প্রয়োজনীয়তা আছে নেকি?

(গ) যদি আছে, কোনখন কোন সময়ত কৰা হ'ব?

শ্রীগৌতম বৰা (শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) সমষ্টিভিত্তিত বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা নহয়।

(খ) প্রয়োজনীয়তাৰ প্রতি লক্ষ্য ৰাখি নিকামা উচ্চ মাধ্যমিক বিদ্যালয়

খনক আৰু উচ্চতৰ মাধ্যমিক শ্রেণী খোলাৰ বাবে অনুমতি দিয়া হৈছে। বর্ত্তমান বিত্তীয় বছৰত এনে স্কুলত পদ দিয়াৰ প্রস্তাৱ কৰা হৈছে।

Re : Office abolish.

Shri Sahidul Alam Choudhury, asked

***257.** Will the Minister of Power be pleased to state:

(a) Whether it is a fact that the Electrical Superintending Engineers office of Hailakandi has been abolished?

(b) What are the reasons for abolition of the said office?

Shri Debananda Konwar, (Minister of power) replied.

(a) The Hailakandi Electrical Circle was amalgamated with Cachar Electrical Circle as per the decision of the meeting of the Board held on 4-10-94 vide resolution No. 20. As a consequence, the office or the S.E. Hailakandi Electrical Circle was abolished.

(b) The Hailakandi Electrical (Rural Electrification) Circle was originally created for taking up Rural Electrification works in Barak Valley and with completion of major Rural Electrification works in the Valley, the Circle was renamed as Hailakandi Electrical Circle in 1989. Considering work load, area and mode of operation, Assam State Electricity Board in the meeting held on

4-10-94 decided to amalgamete Hailakandi Electrical Circle with Cachar Electrical Circle and also to reorganise certain divisions and sub-division to ensure proper operations.

বিষয় ঃ গড়া খহনীয়া প্রতিৰোধ।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে।

*২৫৮। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী এক্সিকিউটিভ ইঞ্জিনিয়াৰ বাননিয়ন্ত্রণ বিভাগৰ অধীনত ঘাতৰ চৰত যি গঢ়াখহনীয়া হৈছে তাত প্রটেকচন কৰাৰ চৰকাৰে কোনো ব্যৱস্থা লৈছে নেকি?

(খ) যদি লৈছে, তেনেহলে কি কি ব্যৱস্থা লৈছে, অনুগ্রহ কৰি জনাবনে?

শ্রীহৰেণ ভূমিজ (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) হয়, লোৱা হৈছে।

(খ) গড়া খহনীয়া প্রতিৰোধ কৰিবৰ কাৰণে আটাইতকৈ জটিল অংশৰ ১০০০ মিটাৰত লঘু প্রতিৰোধ (Palliative) ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও মতিৰ চৰত এটা পশ্চাৎ বান্ধ নির্মাণ কৰা হৈছে।

Re : Service regularisation.

Shri Alauddin Sarkar, asked

*259. Will the Minister of State Education be pleased to state :

(a) Is it a fact that Sri Mohi Sarma a Grade IV

employee of the office of the Secretary, State Madrassa Board, Assam filed a Civil Rule No. 726 of 1988 in the Gauhati High Court and as per judgement and order of the Hon'ble High Court, dated 28th June 1993 directed the concerned authorities "That the petitioner is entitled to benefits of regularisation" which consist of his service regularisation along with payment of arrear pay from October, 1997 to 5th July 1981?

(b) If so, what relief has been given to Sri Mohi Sarma by the authorities as per direction of the Hon'ble Gauhati High Court?

Sri Gautam Bora (Minister of State Education) replied.

(a) Yes.

(b) Necessary sanction has been issued for his regularisation and payment of arrear pay. Payment is under way.

Re : Daily requirement of Electricity (Power)

Shri Kali Ranjan Deb, asked

***260.** Will the Minister of Power Electricity be pleased to state :

(a) What is the daily requirement of Electricity (Power) in Barak Valley and what is the quantity of Electricity (Power) now being supplied there daily? (Figure of each district may be shown separately).

(See the Annexure III)

(b) What is the daily requirement of Power in all other district of Assam and the quantity of Power daily being supplied? (Figure, of each district may be shown separately).

Shri Debananda Konwar, (Minister Power, Electricity) replied

(a) Power in Assam is transmitted through E. H. T. lines to the Grid Sub-Stations. The E. H. T. voltage is again stepped down to 33 KV and 11KV in the Sub-Stations. The 33 KV and 11 KV lines responsible for distributing power to the consumers are not restricted within the geographical boundary of a district and as such it is not practicable to measure district-wise requirement of power.

Power supply to Barak Valley is catered through 3 Nos. of 132 KV Grid Sub-Stations, namely Badarpur (Panchgram), Pailapool and Dullavcherra.

The total quantity of Electricity required in these three Grid Sub-Stations for supply in Barak Valley is assessed at 0.66 MU per day. The average quantity now being supplied per day is 0.465 MU. The peak load requirement of power in these 3 (three) 132 KV Sub-Stations in MW and the average daily supply at present are

furnished in Annexure-I

(b) As stated above, it is not possible to correctly assess district-wise requirement of power. Power supply from the Grid Sub-Stations of A.S.E.B. to the areas covered by them are recorded sub-station wise. A list of the existing Grid Sub-Stations of the state, approximate areas covered by these Sub-Stations, the assessed peak load requirements and average load supplied from these Sub-Stations are furnished in Annexure-I

Unstarred Questions and Answers

বিষয় ঃ অৱসৰৰ খালী পদত নিযুক্তি।

শ্রী জিউৰাম বড়োই সুধিছে ঃ

*৫৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত বিশ্ববেংকৰ আঁচনিৰ জৰিয়তে নির্ম্মাণ কৰিবলৈ বিচৰা Kalaigaon Block Resource Centre টো কালাই গাওঁ বিধান সভা সমষ্টিৰ ভিতৰত প্রতিষ্ঠা নকৰি অন্য সমষ্টিত প্রতিষ্ঠা কৰিবলৈ আৰু ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰৰ বাবে হোৱা খালী পদত স্থানীয় লোকৰ তিনিজন শিক্ষিত নিবনুৱাই এই একেখন বিদ্যালয়তে অবৈতনিক ভাৱে খাটি থকা লোকক বঞ্চিত কৰি এই স্থানৰ বাহিৰৰ লোকক নিযুক্তি দিবলৈ বিচৰাতো সঁচানেকি?

(খ) ধুবুৰী জিলাৰ ১২ (বাৰ) লাখ জনসংখ্যাৰ ভিতৰত যিদৰে দহটা B.R.C. কৰিবলৈ বিচৰা হৈছে সেইদৰে দৰং জিলাত ১৩ লাখ

জনসংখ্যাৰ ভিতৰত অন্ততঃ ১১টা B. R. C. প্ৰতিষ্ঠা আৰু ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰৰ বাবে হোৱা খালী পদত এই বিদ্যালয়তে অবৈতনিক ভাৱে খাটি থকা স্থানীয় লোকৰ আটাইতকৈ দুখীয়া চাকৰি নোহোৱা পৰিয়ালৰ প্ৰাৰ্থীক নিযুক্তি কৰিবনে? লগতে বাকী দুজনৰ পদ দুটিও মঞ্জুৰী কৰি নিযুক্তি সমূহ নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) লগতে কালাইগাঁও সমষ্টিত Kalaigaon BRC কিয় প্ৰতিষ্ঠা কৰা নহব জনাবনে?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিবঃ

(ক) বিশ্ববেংকৰ আঁচনিৰ জৰিয়তে দৰং জিলাত নিৰ্ম্মাণ কৰিবলৈ বিচৰা B.R.C. (Block Resource Centre) মুঠ ৬টা শিক্ষা খণ্ড ক্ৰমে ছিপাঝাৰ, খৈৰাবাৰী, ওদালগুৰি, মাজবাট, কলাইগাঁও আৰু দলগাঁওত প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছে। বিধান সভা সমষ্টিৰ ভিত্তিত গঠন কৰা নহয়। ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক নিযুক্তি সম্বন্ধীয় কথাখিনি সঁচা নহয়।

(খ) B.R.C. সমূহ জনসংখ্যাৰ ভিত্তিত কৰিবলৈ লোৱা হোৱা নাই। জিলাৰ প্ৰতি খণ্ডত থকা প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়ত্ৰীৰ মুঠ সংখ্যাৰ ভিত্তিতহে B.R.C. সমূহ নিৰ্ম্মাণ কৰিবলৈ বিচৰা হৈছে। ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰৰ খালী পদত দিবলগীয়া নিযুক্তি সম্বন্ধীয় বিষয়টো চৰকাৰৰ নীতি-নিয়ম অনুসাৰে বিবেচনা কৰা হ'ব।

(গ) কলাইগাঁও শিক্ষা খণ্ডৰ প্ৰস্তাৱিত B.R.C. বিধানসভা সমষ্টিৰ ভিত্তিত কৰিব বিচৰা নাই।

Re : Aranya Nagar Village Electrification.

Shri Paniram Rabha, asked

558. Will the Minister of Power be pleased to state :

(a) Whether Aranya Nagar village Chandrapur Bagisa will be electrified?

(b) If yes, when and from which head either by the Head of Intensification or Rural Electrification?

Shri Gopinath Das, (Minister, Power (R. E.) replied

(a & b) Aranya Nagar is a part of village Chandrapur Bagisa which is a census village and was electrified already. Intensification works in village Chandrapur Bagisa has not been included in the R.E. Scheme of 1994-95 subject to reasonable load demand from the potential consumers and availability of plan fund the intensification works in Aranya Nagar of Chandrapur Bagisa Village will be considered for taking up in the future scheme.

Re : State Industrialisation.

Shri Sasha Kamal Handique. asked

559. Will the Minister of Industries be pleased to State

(a) What is the rate of investment in the Industries of the State?

(b) What step Government has taken to establish Industries with the available raw materials of the State for Industrialisation of the State & to combat unemployment Problem?

(c) The total investment of the State from various agencies i.e. State Government, A.I.D.C., A.S.I.D.C., I.D.B.I., N.R.I., M.N.C., etc. from 1991 to 1994?

(d) What is the total foreign Investment since Government of India signed GATT agreement?

Shri Bizit Saikia (Minister of Industries) will reply.

(a) The rate of Investment is 4% to 5% per Annum in Industries Sector.

(b) Considering the difficulties in Industrialisation in Assam, the State Government has announced a host of incentives like State Capital Investment Subsidy, Power Subsidy. Interest Subsidy etc. under the New Industrial Policy, 1991. The Policy aims at utilisation of local resources, for setting up Industries suitable to the local conditions to achive economic prosperity to combet growing unemployment in the State through self employment.

(c) The investment made by various agencies from 1991 to 1994 are as follows :-

(1)	State Government	Rs. 9.7 crores
(2)	A.I.D.C.	Rs. 26.10 "
(3)	A.S.I.D.C.	Rs. 1.50 "
(4)	I.D.B.I.	Rs. 154.50 "
(5)	N.R.I.	Nil
(6)	M.N.C.	Rs. 1.9 "

(d) Nil

বিষয় ঃ বান নিয়ন্ত্রণৰ আঁচনি।

শ্রী মহেন্দ্র বৰাই সুধিছে ঃ

৫৬০। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰহাট নগৰৰ মাজেদি বৈ যোৱা টোকলাই জানখন এটা ডাঙৰ খাল, এই খালটো বন্ধ হৈ যোৱাৰ ফলত অলপ বৰষুণ দিলে নগৰত বানপানী হয়। এই জানটো সকলো পিনৰ পৰা এচাম ব্যৱসায়ীয়ে বেদখল কৰি আছে সঁচা নে, যদি সঁচা, এই বেদখলকাৰী ব্যৱসায়ী সকল কোন কোন?

(খ) এই জানখন খন্দাৰ কিবা আঁচনি আছে নে?

(গ) যদি আছে, কি আৰু কেতিয়াকে খন্দা হব, যদি নাই, কিয় লোৱা হোৱা নাই?

শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) টোকলাই জানৰ দুয়োপাৰে কিছুমান লোক থকাটো সত্য, এই লোকসকল বিভিন্ন সম্প্রদায়ৰ আৰু বিভিন্ন জীৱিকাৰ।

(খ) বর্ত্তমানে তেনে কোনো আঁচনি নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ গ্রাম্য পুঠিভঁৰাল।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছেঃ

৫৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম চৰকাৰৰ পুথিভঁৰালৰ সঞ্চালকালয়ৰ পৰা নিযুক্তি পোৱা গ্রাম্য পুথিভঁৰালৰ পুথিভঁৰালী আৰু কর্ম্মচাৰী জনৰ বর্ত্তমানৰ দৰমহা কিমান?

(খ) চৰকাৰে ঘোষণা কৰা মতে ৫০৪ টা গ্রাম্য পুথিভঁৰাল চৰকাৰে

লোৱাৰ ব্যৱস্থা কৰিলেনে?

(গ) ১৯৮৫ চনতে অসম চৰকাৰে নিযুক্তি পত্ৰ দিয়া অনুসৰি গ্ৰাম্য পুথিভঁৰালৰ কৰ্মচাৰী সকল চৰকাৰী নীতি অনুযায়ী চৰকাৰীনে?

শ্ৰীগোলক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অবৈতনিক পুথিভঁৰালী আৰু সহায়ক দুজনক যথাক্ৰমে মাহিলী ২৫০ টকা আৰু ১৭৫ টকা হাৰে মাননীহে দিয়া হয়।

(খ) ২০৪ টা গ্ৰাম্য পুথিভঁৰাল ইতিমধ্যে আঁচনিৰ অন্তৰ্ভূক্ত কৰা হৈছে।

(গ) নহয়, গ্ৰাম্য পুথিভঁৰাল আঁচনিৰ অধীনৰ অবৈতনিক কৰ্ম্মীহে।

Re : Non-Sanctioned posts of Arabic Teachers.

Shri Dewan Joynal Abedin, asked.

562. Will the Minister of Education be pleased to state:

(a) How many Arabic teachers are working against non-sanctioned posts in the provincialised M.E. Schools of Assam?

(b) Why their posts have not been taken over at the time of taking over of the Schools concerned?

(c) When these posts would be taken over?

Shri Gautam Bora (Minister of State, Education) replied.

(a) There is no provision in the syllabus and curriculum for the teaching of Arabic in M.E. Schools at present, hence the question does not arise.

(b) Does not arise.

(c) Does not arise.

Re : No. of Electrified villages.

Shri Derhagra Moshahary, asked.

563. Will the Minister of Power be pleased to state:

(a) How many villages will be electrified in Tamulpur Constitutency from the budget 1994-95 from Rural Electrification Head and how many villages from Intensification Head. What are those villages give the name of villages seperately?

Shri Gopi Nath Das, (Minister of State, Power) replied.

(a) Electrification of new villages and intensification works under Tamulpur constituency could not be incorporated in the scheme prepared in the year 1994-95. However, electrification of balance villages and intensification works thereon are expected to be taken up in the scheme to be prepared from 1995-96 onwards.

There are 221 Nos. of census villages within Tamulpur constituency out of which 196 villages have so far been electrified. The names of the remaining 15 Nos. of villages to be electrified are given below :-

(1) Hatiduba

(2) Dorranga Mela

(3) Meetiguri

(4) Kanlipar No. 1

(5) Kanlipar No. 2

(6) Ekrabil

(7) Dongar Gaon No. 1

(8) Donger Gaon No. 2

(9) Dongar Gaon No. 4

(10) Bongalipara

(11) Ghilajhar

(12) Pilani No. 1

(13) Kolbari

(14) Dobokhilla

(15) Dorranga Reserved Forest

বিষয় ঃ শিক্ষক শিক্ষয়িত্রী নিযুক্তি।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৫৬৪। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯২ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৯৫ চনৰ ৩১ মার্চলৈ এম. ই. স্কুল আৰু এম. ই. মাদ্রাছাত কিমান (বিজ্ঞান শিক্ষকৰ বাহিৰে) শিক্ষক-শিক্ষয়িত্রীক নিযুক্তি দিয়া হৈছে? (জিলা ভিত্তিত জনাব)।

(খ) এই নিযুক্তিৰ কাৰণে সাক্ষাতকাৰ লোৱা হৈছেনে?

(গ) যদি হৈছে, কিমান প্রার্থীৰ তালিকা প্রস্তুত কৰা হৈছিল?

(ঘ) এই প্রার্থী তালিকাৰ ভিত্তিতেই নিযুক্তি সমূহ দিয়া হৈছেনে?

(ঙ) যদি হৈছে, প্রার্থী তালিকা প্রস্তুতকৰণৰ ক্ষেত্রত কি ভিত্তি লোৱা হৈছিল?

(চ) যদি প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰা হোৱা নাছিল, কি ভিত্তিত নিযুক্তি দিয়া হৈছে?

(ছ) এই নিযুক্তি সম্পৰ্কত তদন্ত কৰি বৈধ অবৈধ নিযুক্তিৰ প্ৰতি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাত তলত উল্লেখ কৰা ধৰণে মধ্য ইংৰাজী বিদ্যালয় / মাদ্ৰাছাত শিক্ষক-শিক্ষয়িত্ৰী দিয়া হৈছে।

১। সহঃ শিক্ষক ৭৮ জন

২। হিন্দী শিক্ষক ৬ জন

৩। আৰবিক ১ জন

বাকী জিলা সমূহৰ পৰা তথ্য বিচৰা হৈছে। পালে দিয়া হব।

(খ) হিন্দী আৰু আৰবিক শিক্ষকৰ বাহিৰে সহকাৰী শিক্ষক পদৰ বাবে সাক্ষাৎকাৰ লোৱা হৈছে।

(গ) সহকাৰী শিক্ষকৰ বাবে ২৪১ জন প্ৰাৰ্থীক বাচনি কৰা হৈছে।

(ঘ) ৬৯ জন প্ৰাৰ্থীক উক্ত তালিকাৰ পৰা আৰু ৯ জন প্ৰাৰ্থীক তদন্ত ভিত্তিত নিযুক্তি দিয়া হৈছে।

(ঙ) চৰকাৰে নিৰ্দ্ধাৰিত কৰি দিয়া নিৰ্দ্দেশনাৱলীৰ ভিত্তিত তালিকা প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল।

(চ) মহকুমা উপদেষ্টা পৰিষদ খন পুনৰ গঠিত নোহোৱাত হিন্দী আৰু আৰবিক শিক্ষকৰ তালিকা প্ৰস্তুত কৰিব পৰা হোৱা নাছিল। সেয়েহে ৬ জন হিন্দী আৰু ১ জন আৰবিক শিক্ষক মহকুমা উপদেষ্টা পৰিষদৰ অনুমোদন সাপেক্ষে নিযুক্তি দিয়া হয়।

(ছ) তদন্ত কৰি যথোচিত ব্যৱস্থা লোৱা হব।

Re : Fund for construction of School building.

Shri Mission Ranjan Das asked.

565. Will the Minister of Education be pleased to state:

(a) Whether the Government has released fund for construction of school building as per proposal made by the D.E.E.O., Karimganj vide letter No. K-DEO/94-95/G-4/5630, dated 11-3-94 and with reference to the D.E.E., Assam, Memo No. EPD/ 85/86/PT, dated 4-2-94.

(b) If yes, when it was released and if not, when it will be released and what were the reasons for delay?

Shri Gautam Bora (Minister of State, Education) replied.

(a) It is under Examination.

(b) Does not arise.

বিষয় ঃ বর্ত্তমান অর্থবর্ষে গ্রামিণ বৈদ্যুতিকরনের ব্যৱস্থা

শ্রীপ্রণব কুমাব নাথে জিজ্ঞাসা করছেন।

৫৬৬। মাননীয় গ্রাম্য বৈদ্যুতিকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনকি ঃ

(ক) ১৯৯৫-৯৬ অর্থবর্ষে রাজ্য সরকার জিলা ভিত্তিক কতটাকা করে গ্রামিণ বৈদ্যুতিকরনের জন্য বরাদ্দ করেছেন -- বিশদ তথ্য সদনের মেঝে দাখিল করিবেন?

(খ) ১৯৯৫-৯৬ অর্থবর্ষে করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত মেঘনাবাড়ন্তর, বড়ান্তর, পশ্চিম মইনা, চুড়াদিঘিরপার,

বসন্তপুর, ভৈরব নগর, দাড়ার পার, নগেন্দ্রনগর, বারৈগ্রাম কলোনী, সৈদখানি, থৈয়াকুড়ি, কৃষ্ণনগর, পুঠিমারা, নাথপুর, নয়াগ্রাম, দুল্লভপুর পঘারপার প্রভুতিগ্রামে বৈদ্যুতিকরনের ব্যরস্থা গ্রহণ করবেন কি? যদি না কেন? যদি হয় কখন, কি ভারে?

শ্রীগোপী নাথ দাস, (রাজ্যিক মন্ত্রী, গ্রাম্য বিদ্যুতিকরণ)য়ে উত্তর দিছেন ঃ

(ক) ১৯৯৫-৯৬ সনের আর্থিক বৎসরের পরিকল্পনায় সমগ্র রাজ্যের গ্রাম্য বৈদ্যুতিকরনের খাতে ৬৬.০০ কোটি টাকা ধার্য্য করা হইয়াছে। উক্ত বিষয়ে গ্রাম্য বিদ্যুতিকরণ নিগমের অনুমোদন আরশ্যক সেই উদ্দেশ্যে বর্ত্তমানে বিস্তারিত যোজনা সমূহ প্রস্তুত করা হইতেছে। তাই জিলাভিত্তিক বিতরণ তালিকা যোজনা সমূহের চূড়ান্ত অনুমোদন পাওয়ার পরই জানিতে পারা যাইবে।

(খ) উপোরক্ত গ্রাম সমূহের বৈদ্যুতিকরণ পরিকল্পনায় অর্থ প্রাপ্তি সাপেক্ষের ১৯৯৫-৯৬ সনের থেকে নরম পরিকল্পনার প্রথম বর্ষের ভিতরে সম্পূর্ণ করার আশা করা হইতেছে।

বিষয় ঃ সোণকোষ নদীৰ গৰাখহনীয়া প্রতিৰোধ।

ডাঃ কৃষ্ণকান্ত লহকৰে সুধিছে ঃ

৫৬৭। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) পশ্চিম বিলাসীপাৰা সমষ্টিৰ খুদনামাৰী গাঁওৰ পৰা ২য় খণ্ড শালটাৰী গাওঁলৈ সোনকোষ নদীৰ প্রবল গৰাখহনীয়া অব্যাহত আছেনে? যদি আছে তেন্তে গৰাখহনীয়া ৰোধৰ ব্যৱস্থা কৰিবনে?

(খ) উক্ত নদীৰ বান্ধ দিয়াৰ বাবে আগতে ব্যৱস্থা লৈছিল নেকি? যদি লৈছিল কিমান চনত আৰু কিমান টকা খৰচ হৈছিল?

(গ) সোনকোষ নদীৰ গৰাখহনীয়াৰ কবলত পৰি খুদনামাৰী, শালটাৰী

১ম খণ্ড আৰু ২য় খণ্ড গাঁওৰ কিমান পৰিয়াল উচ্ছেদ হৈছিল নাম সহকাৰে ক্ষতি হোৱা সা-সম্পত্তিৰ হিচাপ তালিকা সহ সদনৰ মেজত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল?

(ঘ) উচ্ছেদ হোৱা পৰিয়ালৰ ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা আছে নেকি? যদি আছে তেন্তে এই ব্যৱস্থা কিয় লোৱা হোৱা নাই?

(ঙ) চলিত বছৰত বন্ডাৰ প্ৰতিৰোধৰ ব্যৱস্থা আশা কৰিব পাৰি নেকি? যদি নোৱাৰি কিয়?

শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে, ক্ষতিগ্ৰস্ত ঠাইত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা লোৱাৰ বাবে চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰি আছে।

(খ) নাই। সোনকোষ নদীত আগতে বান্ধ (মথাউৰি) দিয়াৰ বাবে ব্যৱস্থা লোৱা হোৱা নাছিল।

(গ) খুন্দনামাৰী আৰু শালটাৰী ১ম আৰু ২য় খণ্ডৰ মুঠ ১২টা পৰিয়াল ক্ষতিগ্ৰস্ত হয়। তেওঁলোকৰ নাম ক্ষতি হোৱা সা-সম্পত্তিৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।
(See the Annexure - IV)

(ঘ) সংলগ্ন তালিকা ১ত উল্লেখ কৰা হৈছে।

(ঙ) চলিত বছৰত আশা কৰিব পৰা নাযায়। বিত্তীয় নাটনিৰ বাবে।

বিষয় ঃ জাগীৰোড সমষ্টিৰ অন্তৰ্গত গাওঁত বৈদ্যুতিকৰণ।

শ্ৰীবুবুল দাসে সুধিছে ঃ

৫৬৮। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) জাগীৰোড সমষ্টিৰ কিমানখন গাওঁত বৈদ্যুতিকৰণ কৰা হ'ল। (তালিকা সদনৰ মজিয়াত দিব)

(খ) জাগীৰোড সমষ্টিৰ বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা অনুসূচীত

জাতিৰ গাওঁ, জনজাতীয় গাঁও আৰু সাধাৰণ এলেকাৰ গাঁওৰ তালিকা সদনৰ মজিয়াত দিব?

(গ) চলিত বছৰত বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা জাগীৰোড সমষ্টিৰ গাঁও সমূহত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰিবনে?

(ঘ) ইতিমধ্যে গ্ৰাম্য বৈদুতিকৰণৰ সম্পূৰ্ণ হোৱা জাগীৰোড সমষ্টি গাঁও সমূহত ট্ৰেন্সফৰ্মাৰৰ বিজুতিৰ বাবে বিজুলী যোগান প্ৰায়ে বন্ধ হৈ থকাটো মন্ত্ৰী মহোদয়ৰ জ্ঞাতনে?

(ঙ) যদি জ্ঞাত নহয় তেনেহলে তদন্ত সাপেক্ষে নিয়মীয়াকৈ বিজুলী যোগান পোৱাটো নিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীগোপীনাথ দাস (মন্ত্ৰী, শক্তি গ্ৰাম্য বৈদ্যুতিকৰণ) য়ে উত্তৰ দিছে।

(ক) জাগীৰোড সমষ্টিত এতিয়ালৈকে মুঠ ১৭২ খন পিয়লভূক্ত গাঁওলৈ বিজুলী যোগান ধৰা হৈছে। এই গাঁওসমূহৰ তালিকা গাঁঠি দিয়া হ'ল। (See the Annexure - V)

(খ) জাগীৰোড সমষ্টিৰ বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা পিয়লভূক্ত গাঁওৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

১। সাধাৰণ এলেকাৰ গাঁও - ৫ খন

২। অনুসূচীত জাতিৰ গাঁও - ২ খন

৩। জনজাতীয় গাঁও - ১১ খন

গাঁওৰ তালিকা গাঠি দিয়া হ'ল। (See the Annexure - VI)

(গ) চলিত বছৰত জাগীৰোড সমষ্টিত ১খন গাঁও বৈদ্যুতিকৰণ কৰিবৰ বাবে আঁচনিত লোৱা হৈছে। এই গাঁওখনৰ নাম পাগলমাৰী পাম।

(ঘ) জাগীৰোড সমষ্টিৰ ৩খন গাঁওলৈ ট্ৰেন্সফৰ্মাৰ বিজুতিৰ বাবে বিজুলী যোগান ব্যাহত হৈছে।

(ঙ) বিকল হৈ থকা ট্ৰেন্সফৰ্মাৰ সমূহ মেৰামতি বা বদলিকৰণ কৰিবলৈ যথেষ্ট পুঁজিৰ আৱশ্যক। উক্ত পুঁজি পালে পুনৰ বিজুলী যোগান

ধৰাৰ কাম হাতত লব পৰা হ'ব।

বিষয় ঃ নতুন আঁচনি।

শ্রীঅতুল বৰাই সুধিছে ঃ

৫৬৯। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গুৱাহাটী পূৱ সংমণ্ডলত (ই এণ্ড ডি) ১৯৯১ চনৰপৰা কিবা নতুন আঁচনি লোৱা হৈছে নেকি?

(খ) বাননিয়ন্ত্রণ বিভাগৰ গুৱাহাটী পূৱ সংমণ্ডলত (ই এণ্ড ডি) মথাউৰি মেৰামতিৰ নামত ১৯৯১ চনৰ পৰা এই পর্য্যন্ত কিমান টকা পোৱা হৈছে?

(গ) উক্ত ডিভিজনত ১৯৯১ চনৰ পৰা এই পর্য্যন্ত W/C বা মাষ্টাৰ ৰোল কিমান যুৱক যুৱতী নিযুক্তি দিছে তেওঁলোকৰ নামৰ তালিকা এখন সদনত দাখিল কৰিবনে?

(ঘ) ১৯৯১ চনৰ পৰা এই পর্য্যন্ত দিশপুৰ সমষ্টিত মেৰামতিৰ নামত কোন কোন ঠাইত কিমান কিমান টকা সংমণ্ডলটোৱে খৰচ কৰিছে?

(ঙ) আগন্তুক বাৰিষাত হ'ব পৰা বিপদৰ পৰা ৰক্ষা পাবলৈ আগতীয়াকৈ কি ব্যৱস্থা গ্রহণ কৰিছে, নেট, ৰাস্তা, বল্ডাৰ ইত্যাদি আগতীয়াকৈ কিনি জমা ৰখাৰ ব্যৱস্থা কৰিছে নেকি?

শ্রীহৰেণ ভূমিজ (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, লোৱা হৈছে।

(খ) মথাউৰি মেৰামতিৰ নামত গুৱাহাটী পূৱ সংমণ্ডলত ১৯৯১ চনৰ পৰা এই পর্য্যন্ত ৩২৮.৩১ লাখ টকা আৱণ্টন দিয়া হৈছে।

(গ) ১৯৯১ চনৰ পৰা এতিয়ালৈকে W/C পদত ১৩ (তেৰ) জন যুৱক যুৱতীক নিযুক্তি দিয়া হৈছে। নিয়মিত মাষ্টাৰ ৰোল কর্মী হিচাবে এই সংমণ্ডলত বর্ত্তমানে ৪৯ জন কর্মীয়ে কাম কৰি আছে। তালিকা প্র-পত্র নং 'ক'ত সংলগ্ন কৰি সদনৰ মেজত দিয়া হ'ল।

(See the Annexure - VII)

(ঘ) ১৯৯১ চনৰ পৰা এই পৰ্য্যন্ত দিশপুৰ সমষ্টিত মেৰামতিৰ নামত বিভিন্ন ঠাইত কৰা আঁচনি সমূহ ও খৰচ কৰা টকাৰ পৰিমাণৰ প্ৰ-পত্ৰ নং 'খ' আৰু 'গ' সংলগ্ন কৰি সদনৰ মেজত দিয়া হ'ল। (See the Annexure - VII -A) (See the Annexure - VII - B)

(ঙ) আগন্তুক বাৰিষাত হ'ব পৰা বিপদৰ পৰা ৰক্ষা পাবলৈ মথাউৰি মেৰামতিৰ বাবে ৮ খন প্ৰাক্কলন প্ৰস্তুত কৰি চৰকাৰৰ আদেশ মৰ্ম্মে কামৰূপ জিলা গ্ৰামীন অভিকৰণলৈ পঠোৱা হৈছে। তাৰৰ জালি, বস্তা পাথৰ ইত্যাদিৰ বাবে যাৱতীয় হিচাব নিকাচ কৰি ৰখা হৈছে। পুঁজিৰ স্বচ্ছলতা সাপেক্ষে যথাবিহিত ব্যৱস্থা সময়মতে গ্ৰহণ কৰা হ'ব।

বিষয় ঃ A. S. E. B. বিল।

শ্ৰীবদ্রি নাৰায়ণ সিংহই সুধিছে ঃ

৫৭০। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) কাছাড় জিলার সোনাই (A.S.E.B.) সোনাই Sub-Division এলাকার সবগ্রাম এই Sub-Division এর অন্তর্গত নয় ইহার কারণ কি?

(খ) বিদ্যুৎ গ্রাহকের জন্য বিল কাউন্টার কেন খোলা হচ্ছে না?

(গ) করিমগঞ্জ Sub-station এর কাজ অপূর্ণ অৱস্থায় অনেক দিন যাবৎ বন্ধ আছে, উহা পূর্ণ করার উদ্দেশ্য অদূর ভবিষ্যতে পূর্ণ করার সরকারের পরিকল্পনা আছে কি? দয়া করে জানাবেন।

শ্ৰীগোপী নাথ দাস, (মন্ত্রী, গ্রাম্য বৈদ্যুতিকরণ) য়ে উত্তর দিছে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদের উপসংমণ্ডল (Sub-Division) গুলি গ্রাহকদের সংযোজিত বিদ্যুৎ যোগানের সংরক্ষণ, নির্মান

মেরামতি এবং রাজহ সংগ্রহ ইত্যাদি কাজের সুবিধার প্রতি লক্ষ্য রেখে গঠন করা হয়। এই উপ সংমণ্ডল গুলি কোনো অঞ্চল ভিত্তিক গঠন করা হয়না। সেই জন্যে সোনাই অঞ্চলের সবগ্রাম সোনাই বৈদ্যুতিক উপসংমণ্ডলে অন্তর্গত না হতেও পারে।

(খ) বিদ্যুৎ গ্রাহকের বিল সংগ্রহ করার জন্যে সোনাইয়ে একটা কাউন্টার কিছুদিন আগে খোলা হয়েছে।

(গ) কাবুগ্রঞ্জ উপকেন্দ্রর (Sub-Station) বাকী থাকা কাজ সম্পূর্ণ করার উদ্দেশ্যে ক্ষিপ্রগতিতে ব্যবস্থা হাতে নেওরা হয়েছে এবং ১৯৯৫-৯৬ বৎসরের ভিতরে এই কাজ সম্পূর্ণ করা হবে বলে আশা করা হচ্ছে।

Re : Budget allocation under Hills sub-plan.

Shri Dipendra Rangpi asked.

***571.** Will the Minister of Flood Control be pleased to state :

(a) What is the total budget allocation under Hills Sub-plan of 1994-95 and for Karbi Anglong & N. C. Hills districts?

(b) Schemes taken thereof in Karbi Anglong and N. C. Hills districts?

(c) Total fund released and yet to be released to Karbi Anglong and N. C. Hills districts against salary head and means for schemes execution etc. if any?

(d) What were the decisions / resolutions of the departmental ceilling meeting (Enclose the copy of that meeting proceedings.)

(e) Whether this department has been entrusted to

the District Councils?

Shri Haren Bhumij (Minister, Flood Control, Assam) replied.

(a) The total Budget allocation under Hills Sub-plan of 1994-95 is Rs. 125.00 lakhs.

The District wise break-up is as follows :

(i) For Karbi Anglong District - Rs. 77.707 lakhs

(ii) For N. C. Hills District - Rs. 47.293 lakhs

(b) List of Schemes has been placed on the table of the House as per Annexure-IX (See the Annexure - IX)

(c) For Karbi Anglong District

Against salary head - Total fund released - Rs. 21.347 lakhs yet to be released - Rs. Nil.

Against "13-Major Works" - Total fund released - Rs. 56.360 lakhs. yet to be released - Rs. Nil

For N. C. Hills District - Against Salary head-total fund released including rent - Rs. 9.389 lakhs.

Yet to be released - Nil

Against "13-Major Works" - total fund released - Rs. 37.904 lakhs.

Yet to be released - Rs. Nil.

(d) Minutes of the ceiling meeting placed on the table of the House at Annexure-II

(See the Annexure - X)

(e) No.

বিষয় ঃ শিক্ষক নিযুক্তি।

মোঃ মহিবুল হকে সুধিছে ঃ

৫৭২। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধুবুৰী মহকুমাত কোন কোন এল.পি. আৰু এম. ই. স্কুলত কি কি শিক্ষক পদৰ আসন খালী আছে সমষ্টিগত আৰু স্কুলত নামৰ সৈতে তালিকা এখন সদনৰ মেজত দিবনে?

(খ) কি কি কাৰণত গৌৰীপুৰ বিধান সভা সমষ্টিত প্ৰাইমাৰী স্কুল শিক্ষক পদৰ নিযুক্তি দিয়া নহ'ল জনাবনে?

(গ) কেতিয়া আৰু কোন তাৰিখৰ ভিতৰত নিয়োগৰ ব্যৱস্থা কৰিব?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) ।

(খ) । তথ্য সমূহ বিচৰা হৈছে।

(গ) ।

বিষয় ঃ পদ মঞ্জুৰী ।

শ্রীনজমুল হকে সুধিছে ঃ

৫৭৩। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) নতুনকৈ প্রতিষ্ঠা কৰা এম. ই. আৰু এম. ই. মাদ্রাছা স্কুলৰ অনুমতি আৰু স্বীকৃতি ২ বছৰৰ কাৰণে বন্ধ কৰি ৰখা কথা সঁচানে?

(খ) যদি সঁচা তেন্তে উক্ত নিষেধাজ্ঞা প্রত্যাহাৰ কৰি লোৱা হ'বনে?

(গ) যিবোৰ এম. ই. আৰু এম. ই. মাদ্রাছা ইতিমধ্যে চৰকাৰীকৰণ কৰা হৈছে সেইবোৰ স্কুলৰ শাখা শিক্ষক-আৰু চকীদাৰৰ পদ মঞ্জুৰী দিয়া হ'বনে?

(ঘ) এম. ই. স্কুলবোৰক গৃহ মঞ্জুৰী দিয়াৰ বাবে চৰকাৰৰ কিবা আঁচনি

আছেনে?

(ঙ) যদি আছে তেন্তে কিমান সংখ্যক স্কুলক দিয়া হ'ব?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) এতিয়াও বিবেচনা কৰা হোৱা নাই।

(গ) পুঁজি সাপেক্ষে ছাত্র-ছাত্রীৰ সংখ্যা আৰু প্রয়োজনীয়তাৰ ভিত্তিত বিবেচনা কৰা হ'ব।

(ঘ) অনুসূচীত সহযোগী পৰিকল্পনাৰ গৃহ নির্মাণ আঁচনিৰ দ্বাৰা ১৯৯৪-৯৫ ইং চনৰ বাবে প্রাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়লৈ অনুদান দিবৰ বাবে ৫০৫.০০ লাখ টকা ধার্য্য কৰা আছে।

(ঙ) উক্ত টকাৰে ৫০৫ খন প্রাথমিক আৰু মজলীয়া / মধ্য ইংৰাজী বিদ্যালয়লৈ গৃহ নির্মাণৰ অনুদান দিব পৰা যাব।

বিষয় ঃ বাননিয়ন্ত্রণৰ কাম ।

শ্রীনগেন শর্ম্মাই সুধিছে ঃ

৫৭৪। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯১, ১৯৯২, ১৯৯৩, ১৯৯৪, ১৯৯৫ চনলৈ বাননিয়ন্ত্রণ বিভাগে নলবাৰী সংমণ্ডলৰ অধীনত কি কি কাম কৰা হৈছে?

(খ) নলবাৰী জিলাৰ নোনা নৈটো খন্দাৰ কিবা ব্যৱস্থা গ্রহণ কৰা হৈছে নে?

শ্রীহবেণ ভূমিজ (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰপৰা ১৯৯৫ চনলৈকে নলবাৰী সংমণ্ডলৰ অধীনত বাননিয়ন্ত্রণ বিভাগে বিভিন্ন বিত্তীয় শিতানত মথাউৰি শক্তিশালীকৰণ আৰু ইয়াৰ মেৰামতি, খহনীয়া প্রতিৰোধক আঁচনি আৰু ইয়াৰ মেৰামতিৰ উপৰিও বাৰিষা কালত মথাউৰি সমূহৰ বক্ষণা বেক্ষণ আদিৰ কাম কৰিছে।

(খ) গ্রহণ কৰা নাই।

বিষয় ঃ উদ্যোগ হস্তান্তৰকৰণ।

শ্রীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

৫৭৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈ অসমৰ কি কি উদ্যোগ কেতিয়া আৰু কোন বেচৰকাৰী কোম্পানী বা ব্যক্তিগত উদ্যোগপতিলৈ হস্তান্তৰ কৰা হৈছে?

(খ) হস্তান্তৰ কৰণৰ পাচত হস্তান্তৰিত উদ্যোগবোৰৰ কিবা অগ্রগতি পৰিলক্ষিত হৈছে নে? যদি হৈছে, তাৰ বিতং বিৱৰণ (তথ্য ভিত্তিত)?

(গ) উদ্যোগ সমূহৰ প্রত্যেকৰে হস্তান্তৰকৰণৰ চুক্তিৰ একোটা প্রতিলিপি সদনৰ মেজত ৰাখিবনে?

শ্রীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোগীঘোপাত থকা অশোক কাগজ উদ্যোগটো পুনৰুজীৱিত কৰাৰ বাবে হায়দৰাবাদৰ চাংগী গ্রুপৰ লগত বুজাবুজিৰ চুক্তি এখন যোৱা মার্চ মাহৰ ১ তাৰিখে সম্পাদিত হয় যোৱা ১ মার্চত মিলটো হস্তান্তৰ কৰা হয়। মিলটো Lease ত দিয়া হৈছে। সম্পত্তিটো অসম চৰকাৰৰ হৈ থাকিব।

কাছাৰ চেনিকল গোটটো যুগ্ম হৈ ১৯৮৫-৮৬ চনৰ পৰা উৎপাদন বন্ধ হৈ থকাৰ বাবে পুনৰ কার্য্যক্রম কৰিবৰ বাবে দীর্ঘম্যাদী Leaseত ৮ ফেব্রুৱাৰী ১৯৯৫ ৰ পৰা ৪৯ বছৰলৈ Union Flour Millৰ লগত পাৰস্পৰিক বুজাপৰা যোৱা ৫-২-৯৫ তাৰিখে স্বাক্ষৰিত হয়।

অসম ৰাজ্যিক বস্ত্র নিগম উদ্যোগটো ১৯৯৩ চনৰ আৰম্ভনিৰ পৰাই লোকচান ভৰি থকাৰ বাবে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবলৈ নিবিদা আহ্বান কৰা হয়। নিবিদা অনুযায়ী গোৱেংকা উলেন মিলৰ লগত ১৭/৭/৯৩ তাৰিখে অসম চৰকাৰে বুজাবুজিৰ Memorendum of Understanding স্বাক্ষৰ কৰে।

অসম পলিটেক্স লিমিটেড সূতাকলটো ১৯৯৪ চনৰ ৩ জানুৱাৰী তাৰিখে Assam Yarn Supplier ৰ লগত বুজাবুজিৰ (Memorendum of Understanding) স্বাক্ষৰ কৰে।

(খ) অশোক কাগজ কলটো যিহেতু ১ মার্চত হস্তান্তৰ কৰা হৈছে আৰু সাংঘী প্ৰতিস্থানে মেৰামতি, নিৰ্মাণ আদি কামত চুক্তি স্বাক্ষৰ কৰাৰ পিচতেই অগ্ৰসৰ হৈছে। চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত কাছাৰ চেনি মিলটোৰ সম্পত্তিসমূহ পৰ্য্যায়ক্ৰমে Union Flour Mills Ltd. লৈ হস্তান্তৰ কৰি থকা হৈছে ইতিমধ্যে Sugercane Department ৰ সম্পত্তিসহ কিছু সংখ্যক কৰ্মচাৰী ২১ জন হস্তান্তৰকৰণৰ কাম সম্পূৰ্ণ হৈছে।

৬১৮ জন কৰ্মচাৰী আৰু ১০০ জন Casual Employee অসম বস্ত্ৰ নিগম লিঃ ৰ উৎপাদনৰ কাম কৰি আছে।

অসম পলিটেক্স লিঃ উদ্যোগটো চুক্তি স্বাক্ষৰ কৰি অসম ইয়ার্নে যদিও সময়মতে ব্যৱস্থা গ্ৰহণ কৰা নাই শেহতীয়া ভাৱে কিছু অৰ্থ বিনিময় কৰি পৰীক্ষামূলক ভাৱে চলোৱাৰ ব্যৱস্থা কৰিছে।

(গ) M.O.U. সমূহৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হ'ল।

Re : Modernisation of Jute Industries.

Shri Giasuddin Ahmed, asked :

576. (a) Whether the Government has proposed any scheme for modernisation and diversification of Jute Industries in Assam?

(b) If so, please give the details there of?

Shri Bijit Saikia, (Minister of Industries) replied :

(a) Yes.

(b) There is no Jute Mill of the Industries

Department but there is the Co-operative Jute Mill at Silghat under the Co-operation Department. The concerned authority has taken up the matter of Jute deversification with the NCJD, a Government of India's undertaking.

The Industries Department has made the Assam Small Industries Development Corporation as the Bodal Agency to take up the matter of modernisation and deversification of Jute Industries in Assam.

The Assam Small Industries Development Corporation Ltd. has entered into a MOU with the NCJD for modernisation of Cachar Textile Industry at Badarpur ghat for diversification of Jute products.

Re : Cell created under the Secondary Education.

Shri Joy Chandra Nagbanshi, asked :

577. Will the Minister of Secondary Education be pleased to state :

(a) Whether any Cell was created under the Secondary Education for the Tea & ExTea Tribes of Assam, if so, when it was created?

(b) How many persons are there in the above Cell and to which category they belong to?

(c) Whether the Government has any proposal for improvement of this Cell in near future?

(d) If so, what are those proposals?

Shri Gautom Bora. (Minister of Secondary Education) replied:

(a) Yes, in 1983.

(b) There are two posts at present : (1) Special officer and (2) L. D. A.

(c) It is proposed to make the cell more active and performance oriented. Government is also examining if the Cell could be combined with a similar.

(d) Cell functioning in the Directorate of Elementary Education.

বিষয় ঃ বিদ্যালয় চৰকাৰীকৰণ ।

শ্রীকোষেশ্বৰ বৰুৱাই সুধিছে ঃ

৫৭৮। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) চৰকাৰ অৱগতনে যে শোণিতপুৰ জিলাৰ গহপুৰ সমষ্টিত ৪১১ খন ৰাজহ গাঁও আছে আৰু প্রাথমিক বিদ্যালয়ৰ সংখ্যা ৩০০ খনৰ ওপৰ নহয় অথচ প্রতিখন ৰাজহ গাঁওত একোখনকৈ প্রাথমিক বিদ্যালয় গহপুৰ সমষ্টিত নাই আৰু আনহাতেদি গহপুৰ সমষ্টিত ১৪৫ খন বে-চৰকাৰী প্রাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰিবলৈ বাকী আছে?

(খ) যদি অৱগত কি ভিত্তিত সোনকালে ইমানখিনি প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ কৰিব পৰা হ'ব জনাবনে?

শ্রীগৌতম বৰা, (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) প্রাপ্ত তথ্য অনুসৰি গহপুৰ সমষ্টিত ৩০০ খন প্রাদেশীকৃত প্রাথমিক

বিদ্যালয় আছে। ৪১১ খন ৰাজহ গাঁও থাকিলেও জনসংখ্যা, দূৰত্ব আৰু প্ৰয়োজনীয়তাৰ ভিত্তিতহে প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হয়।

(খ) প্ৰাথমিক বিদ্যালয়ৰ প্ৰাদেশীকৰণ পুঁজি, জনসংখ্যা, দূৰত্ব আৰু প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰে।

বিষয় ঃ হেডমাষ্টাৰ স্কেল দেওয়াৰ ব্যৱস্থা।

শ্ৰীমধুসুদন তেওয়াৰী জিজ্ঞাসা কৰছেন।

৫৭৯। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকগনকে হেডমাষ্টাৰ স্কেল দেওয়া সম্বন্ধে (যাহা অতি নায্য দাবী) সৰকাৰ কি ব্যৱস্থা গ্ৰহণ কৰিয়াছেন?

(খ) পাথাৰকান্দি সমষ্টিতে নিজস্ব স্কুলগৃহ নাই এমন প্ৰাথমিক বিদ্যালয় মধ্য ইংৰাজী বিদ্যালয় ও এম. ভি. স্কুলৰ সংখ্যা কত, এবং তাহাদের নাম কি?

শ্ৰীগৌতম বৰা, (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে গঠন কৰি দিয়া দৰমহা আয়োগৰ পৰামৰ্শৰ ওপৰত নিৰ্ভৰ কৰিব।

(খ) বিভাগীয় ক্ষেত্ৰ বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

বিষয় ঃ স্থায়ী নিযুক্তি।

শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ

৫৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) উচ্চ ইংৰাজী বিদ্যালয় সমূহৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক সকলোক স্থায়ীভাৱে নিযুক্তিৰ ব্যৱস্থা লব নে? কেতিয়াকৈ?

(খ) যিসকল সহ প্ৰধান শিক্ষক ভাৰপ্ৰাপ্ত হিচাবে আছে, তেখেত সকলোৰো স্থায়ী ভাৱে নিযুক্তিৰ ব্যৱস্থা লবনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়, লোৱা হ'ব। ৰাজ্যিক বাছনি পৰিষদৰ পৰা ইতিমধ্যে পোৱা

বাছনি তালিকাৰ ভিত্তিত স্থায়ী নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

(খ) নিৰ্ব্বাচিত হোৱাৰ ওপৰত নিৰ্ভৰ কৰে।

বিষয় ঃ নতুন উদ্যোগ স্থাপন ।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

৫৮১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চৰকাৰ ১৯৯১ চনৰ উদ্যোগ নীতিৰ আধাৰত নতুন উদ্যোগ এটা স্থাপনৰ পাছত ৭ বছৰ পৰ্য্যন্ত বিক্ৰীকৰ মাফ কৰি দিয়া বিষয়টো বিক্ৰীকৰ বিভাগে মানি নোলোৱা সম্পৰ্কে উদ্যোগ বিভাগে এইক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে? এই সম্পৰ্কে কোনো স্পষ্ট অভিযোগ উদ্যোগ বিভাগৰ আগত উত্থাপন কৰিলে বিহিত ব্যৱস্থা লবনে?

(খ) অসম চৰকাৰৰ উদ্যোগ বিভাগত ১ম আৰু ২য় শ্ৰেণীৰ অনুসূচীত জাতি আৰু জনজাতিৰ বাবে ১৯৮৭-৮৮ পৰ্য্যন্ত সংৰক্ষিত পদৰ কিমান পদ পূৰণ নকৰাকৈ আছিল? বৰ্ত্তমানে সেই পদসমূহ পূৰণ কৰা হ'লনে? যদি হ'ল, কেনেকৈ এই কাম কৰা হ'ল আৰু যদি নাই হোৱা কিয়?

শ্ৰীবিজিত শইকীয়া, (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৰ বিভাগে মানি নোলোৱাৰ প্ৰশ্ন উঠা নাই। বিক্ৰীকৰ ৰেহাই সম্পৰ্কত কৰিবলগীয়া সংশোধনী আইনৰ বাবে বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। কোনো স্পষ্ট অভিযোগ পালে কৰ বিভাগৰ লগত যোগাযোগ কৰা হ'ব।

(খ) ১৯৮৭-৮৮ চনলৈকে অনুসূচীত জাতিৰ বাবে প্ৰথম শ্ৰেণীৰ ৩টা আৰু অনুসূচিত জনজাতিৰ বাবে ৭টা পদ সংৰক্ষিত আছিল। সেইদৰে ২য় শ্ৰেণীৰ পদৰ বাবে ১১টা পদ ১৪ টা পদ ক্ৰমে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আছিল। প্ৰথম শ্ৰেণীৰ সংৰক্ষিত ৩টা পদ অনুসূচীত জাতিৰ পৰা

আৰু অনুসূচীত জনজাতিৰ পৰা মুঠ ৭টা পদৰ ৪জনক মকৰল কৰা হৈছে। ২য় শ্রেণীৰ পদত অনুসূচীত জাতিৰ ৭ জনক আৰু অনুসূচিত জনজাতিৰ ৪ জনক মকৰল কৰা হৈছিল।

পর্য্যায়ক্রমে সংৰক্ষিত পদ সমূহ যিবোৰ পদ দুয়োটা শ্রেণীতে খালি আছিল সেই সকলো পদেই লোক সেৱা আয়োগৰ নির্বাচিত তালিকাৰ পৰা পূৰণ কৰা হ'ল।

বিষয় ঃ গ্রাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থা।

শ্রীবদন বৰুৱা বিধায়কে সুধিছে ঃ

৫৮২। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯৪-৯৫ বিত্তীয় বছৰত কামৰূপ জিলাৰ কোন কোন ৰাজহ গাঁওত গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত বিদ্যুৎ সৰবৰাহ কৰাৰ আঁচনি লৈছে তালিকা সহ জনাবনে?

(খ) কামৰূপ জিলাৰ কোন কোন ৰাজহ গাঁওত আজি ৰোপতি গ্রাম্য বৈদ্যুতিকৰণ আঁচনি বিজুলী যোগান ধৰা হোৱা নাই?

(গ) কামৰূপ জিলাৰ কোন কোন ৰাজহ গাঁও গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত বিদ্যুৎ যোগানৰ ব্যৱস্থা হৈছে যদিও, ট্রেন্সফৰমাৰ নোহোৱা বা বেয়া হোৱা আৰু অন্যান্য কাৰণত বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হৈ আছে?

শ্রীগোপী নাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৪-৯৫ বিত্তীয় বছৰত কামৰূপ জিলাৰ মুঠ ২০ খন পিয়লভুক্ত গাঁওলৈ বিদ্যুৎ যোগান ধৰাৰ আঁচনি হাতত লোৱা হৈছে। এই গাঁওৰ তালিকা পৰিশিষ্ট ১ত গাঠি দিয়া হৈছে। (See the Annexure - XII)

(খ) কামৰূপ জিলাত ২৫৯ খন পিয়লভূক্ত গাঁওলৈ বিদ্যুৎ যোগান

ধৰিবলৈ বাকী আছে। ইয়াৰ তালিকা পৰিশিষ্ট ২ত গাঠি দিয়া হ'ল। (See the Annexure - XIII)

(গ) কামৰূপ জিলাত বৈদ্যুতিকৰণ হোৱা গাঁও সমূহৰ ভিতৰত ১৮২ খন গাঁওত ট্রেন্সফৰমাৰৰ বিজুতীৰ বাবে নাইবা অন্যান্য কাৰণত বিদ্যুৎ যোগান ব্যহত হৈ আছে। ইয়াৰ তালিকা পৰিশিষ্ট ৩ত গাঠি দিয়া হ'ল। (See the Annexure - XIV)

Re : Proposal for Food Processing Industries.

Shri Sasha Kamal Handique, asked :

583. Will the Minister of Food Processing Industries be pleased to state :

(a) How many proposals for setting up Food Processing Industries in the State are being considered by the Government?

(b) How many units has already been started?

(c) Whether there are any proposal for setting up such units in Upper Assam particularly in Sadia, Doom-Dooma, Tinsukia, Naharkatia etc.?

Shri Rashidul Haque, (Minister of State, Food Processing Industries) replied :

(a) 3 (Three) nos. of proposals in the private sector are under consideration. In the public sector 2 (two) nos. of proposals are under process.

(b) 1 (One) no. in the private sector out of the above mentioned proposals, 1 (one) no. unit in

the public sector and in the S. S. I. sector 2513 nos. of Food processing units are in production.

(c) There is no proposals in the Public Sector.

বিষয় ঃ আসবাব ক্রয়।

শ্রীরামপ্যারী রবিদাস জিজ্ঞাসা করছেন ঃ

৫৮৪। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) বরাক উপত্যকার কাছাড়, করিমগঞ্জ ও হাইলাকান্দি জেলায় অবস্থিত বিভিন্ন বন্যা নিয়ন্ত্রণ (F. C.) বিভাগের Divisional Office গুলিতে বিগত ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ এবং ৯৪-৯৫ আর্থিক বছরে কি কি আসবাব পত্র (Furniture) ও Stationary goods ক্রয় করা হয়েছে? (প্রতিটি সামগ্রীর দাম সহ তালিকা দিবেন)

(খ) যোগানকারীদের (Suppliers) নাম, ঠিকানা ও যোগানের তারিখ ও মূল্য জানাবেন কি?

শ্রীহরেণ ভূমিজ (বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী) উত্তর দিবেন ঃ

(ক) বরাক উপত্যকার কাছাড়, করিমগঞ্জ ও হাইলাকান্দি জিলায় অবস্থিত শিলচর, হাইলাকান্দি, করিমগঞ্জ এবং কাছাড় অনুসন্ধান বদরপুর সংমণ্ডলের জন্য ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ এবং ৯৪-৯৫ আর্থিক বছরে ক্রয় করা আসবাব পত্র ও Stationary সামগ্রীর তালিকা যথাক্রমে সংলগ্ন তালিকা 'ক', 'খ', 'গ' ও 'ঘ' সদনের টেবিলে দাখিল করা হয়েছে।

(খ) বিস্তারিত তথ্য উপরোক্ত সংলগ্ন তালিকা গুলোতে 'ক', 'খ', 'গ' ও 'ঘ'তে দেওয়া হয়েছে।

বিষয় ঃ হাইমাদ্রাছাত নিযুক্তি।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৫৮৫। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্রী মহোদয়ে, অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯২ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৯৫ চনৰ ১ মার্চলৈ হাইস্কুল, হাইমাদ্রাছাত কিমান শিক্ষক-শিক্ষয়ত্রী নিযুক্তি দিয়া হৈছে? (জিলা ভিত্তিত জনাব)

(খ) এই নিযুক্তিৰ কাৰণে সাক্ষাৎকাৰ লোৱা হৈছিলনে?

(গ) যদি হৈছিল, কিমান প্রার্থীৰ তালিকা প্রস্তুত কৰা হৈছিল?

(ঘ) সকলো বিলাক নিযুক্তি এই সাক্ষাৎকাৰৰ মাধ্যমত প্রস্তুত কৰা তালিকাৰ পৰা দিয়া হৈছেনে?

(ঙ) যদি হোৱা নাই, তাৰ কাৰণ কি?

(চ) এই নিযুক্তি সম্পর্কত তদন্ত কৰি বিহিত ব্যৱস্থা গ্রহণ কৰিব নে?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ।

(খ) ।

(গ) । তথ্য বিচৰা হৈছে। পালে সদনত জনোৱা হ'ব।

(ঘ) ।

(ঙ) ।

(চ) ।

বিষয় ঃ বৈদ্যুতিকৰণৰ ব্যৱস্থা।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৫৮৬। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত অসমৰ কেইখন গাঁওত গ্রাম্য বৈদ্যুতিকৰণ কৰা হ'ল, জনাবনে?

(খ) উক্ত চন কেইটাত গ্রাম্য বৈদ্যুতিকৰণৰ বাবে কিমান টকা ধার্য্য কৰা হৈছিল আৰু কিমান টকা বৈদ্যুতিকৰণৰ বাবে খৰছ কৰা হ'ল জনাবনে? (জিলা ভিত্তিত তালিকা এখন মেজত দিব)

(গ) ১৯৯৫-৯৬ চনত অসমৰ কিমানখন গাঁওত বৈদ্যুতিকৰণ কৰা হ'ব জনাবনে?

(ঘ) পশ্চিম গুৱাহাটী সমষ্টিৰ গ্রাম্য বৈদ্যুতিকৰণ নোহোৱা গাঁওৰ গ্রাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ চনত ১৭ খন গাঁও আৰু ১৯৯৩-৯৪ চনত ১৪ খন গাঁও বৈদ্যুতিকৰণ কৰা হৈছে। ১৯৯৪-৯৫ চনত মুঠ ৩৫০ খন গাঁও গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত সামৰি লোৱা হৈছে আৰু কামো আৰম্ভ কৰা হৈছে। জিলা ভিত্তিক বৈদ্যুতিকৰণ হোৱা গাঁওৰ সংখ্যাৰ তালিকা পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল।

(See the Annexures - XV and XVI) (See the Annexure - XVI)

(খ) উক্ত চন কেইটাত পৰিকল্পনা শিতানত মুঠ ধার্য্য কৰা ধন গ্রাম্য বৈদ্যুতিকৰণৰ বাবে ধার্য্য কৰা ধন মুঠ মোকলাই দিয়া ধন আৰু গ্রাম্য বৈদ্যুতিকৰণৰ বাবে খৰচ কৰা ধনৰ পৰিমাণ এনে ধৰণৰ ঃ

বছৰ	মুঠ ধার্য্য কৰা ধন	গ্রাম্য বৈদ্যুতিকৰণৰ বাবে ধার্য্য কৰা ধন	মুঠ মোকলাই দিয়া ধন	গ্রাম্য বৈদ্যুতিকৰণ শিতানত হোৱা খবচ
১৯৯২-৯৩	৮৭১০ লাখ	৬০০ লাখ	৮৩৩৫ লাখ	১৮৯.২৫ লাখ
১৯৯৩-৯৪	১২২৪০ লাখ	১৩০০ লাখ	৯৬৯০.৮৩ লাখ	৩৫০.৮৫ লাখ
১৯৯৪-৯৫	১২১৩৭ লাখ	৩৬০০ লাখ	৬২১০ লাখ	২৩৯.৬৩ লাখ
			(ফেব্রুৱাৰী মাহলৈ)	(ফেব্রুৱাৰী মাহলৈ)

(গ) ১৯৯৫-৯৬ চনত অসমৰ ৯০০ খন গাঁওলৈ বিজুলী যোগান ধৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(ঘ) পশ্চিম গুৱাহাটী সমষ্টিৰ বৈদ্যুতিকৰণ নোহোৱা গাঁও সমূহৰ কাম পৰিকল্পনাৰ ধন প্রাপ্তি সাপেক্ষে পর্য্যায়ক্রমে হাতত লোৱা হ'ব।

বিষয় ঃ শিক্ষক নিযুক্তি।

শ্রী ভূপেন ৰায়ে সুধিছে ঃ

৫৮৭। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বজালী মহকুমাৰ বিদ্যালয় সমূহৰ উপ-পৰিদর্শকৰ কার্য্যালয়ৰপৰা ১৯৯৪ চনত অসমীয়া মাধ্যমৰ প্রাথমিক বিদ্যালয়ত অৱসৰ প্রাপ্ত শিক্ষক পদত বড়ো মাধ্যমত পঢ়া প্রার্থীক শিক্ষক পদত নিযুক্তি দিয়া কথাটোৰ

চৰকাৰ অৱগত নে? যদি অৱগত, কিমানখন স্কুলত এনে নিযুক্তি হৈছে জনাবনে?

(খ) ৭৩/১ গাতি প্ৰাথমিক বিদ্যালয়খন বৰ্ত্তমান কি মাধ্যমত পাঠদান হৈ আছে জনাবনে? স্কুলখনত কিমান জন শিক্ষক-শিক্ষয়িত্ৰী আছে আৰু তেখেত সকলৰ পঢ়া মাধ্যম সমূহ কি কি অনুগ্ৰহ কৰি জনাবনে?

(গ) বজালী মহকুমাত অসমীয়া মাধ্যমৰ কিমানখন বিদ্যালয়ত বড়ো মাধ্যমত পঢ়া প্ৰাৰ্থীক শিক্ষক পদত নিযুক্তি দিয়া হৈছে জনাবনে?

(ঘ) উক্ত নিযুক্তি সমূহ নীতিগত হৈছে নে? যদি হোৱা নাই নিযুক্তি সমূহ বাতিল কৰিবনে?

(ঙ) এই ক্ষেত্ৰত মাধ্যমিক বিদ্যালয় সমূহত এনে নিযুক্তি হৈছে নেকি? যদি হৈছে এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীগৌতম বৰা, (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ।

(খ) ।

(গ) । বিভাগীয় ক্ষেত্ৰ বিষয়াৰ পৰা প্ৰতিবেদন বিচৰা হৈছে।

(ঘ) ।

(ঙ) ।

বিষয় ঃ গৰাখহনীয়া ৰোধৰ আঁচনি।

শ্ৰীবুবুল দাসে সুধিছে ঃ

৫৮৮। মাননীয় বানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী, লাহৰিঘাট, ভুৰাগাঁও, ৰুকনি আৰু মায়ং মৌজাক ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) মৰিগাঁও জিলাখনক ব্ৰহ্মপুত্ৰৰ বানপানীৰ পৰা ৰক্ষা কৰিবৰ বাবে

বাকী থকা মথাউৰি নির্মাণৰ কাম আধৰুৱাকৈ ৰখা কথাটো সঁচানে?

(গ) যদি সঁচা, কি কি কাৰণত বন্ধ ৰখা হৈছে জনাবনে?

(ঘ) সমগ্ৰ মৰিগাঁও জিলাক ব্ৰহ্মপুত্ৰৰ বানৰ পৰা ৰক্ষা কৰিবৰ বাবে চলিত বছৰতে বাকী থকা মথাউৰি নির্মাণৰ কাম সমাধা কৰিবনে?

শ্রীহৰেণ ভূমিজ, (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মৈৰাবাৰী মৌজা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা ৰক্ষাৰ বাবে বর্ত্তমান চলি থকা আঁচনিসমূহ হ'ল –

1. Anti erosion measures in river Brahmaputra from Bhojaikhati to Sonarigaon (4th to 7th Km) Ph-I.
2. Anti erosion measures in river Brahmaputra from Bhojaikhati to Sonarigaon (4th to 7th Km) Ph - II

লাহৰীঘাট, ভুকনগাঁও, ৰুকনি আৰু মায়ং মৌজাৰ ব্ৰহ্মপুত্ৰ গৰাখহনীয়া ৰোধৰ বর্ত্তমান কোনো আঁচনি নাই।

(খ) মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰ মথাউৰিৰ পশ্চাদ বান্ধৰ কিছু অংশ আধৰুৱা হৈ আছে।

(গ) বিভাগে কাম বন্ধ ৰখা নাই। কিন্তু প্রাপ্য ধন আদায় দিব নোৱাৰাৰ হেতু ঠিকাদাৰ সকলৰ অসহযোগিতাই কাম আধৰুৱা হৈ থকাৰ প্রধান কাৰণ।

(ঘ) বিত্তীয় স্বচ্ছলতা সাপেক্ষে আধৰুৱা কামবিলাক সম্পূর্ণ কৰাৰ প্রচেষ্টা চলাই থকা হৈছে।

বিষয় ঃ বিদ্যালয়ৰ সংখ্যা।

শ্রীবিনোদ গোৱালাই সুধিছে ঃ

৫৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম নাগালেণ্ড সীমান্তৰ ABCD চেক্টৰত কিমান কেইখন বে-

চৰকাৰী প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ ইংৰাজী বিদ্যালয় আছে নাম সহ সদনত দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) অসমৰ স্বাৰ্থত অসম নাগালেণ্ড সীমান্তত থকা বিদ্যালয়সমূহ বিশেষভাৱে প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(গ) যদি কৰে, কেতিয়াৰ পৰা প্ৰাদেশীকৰণ কৰিব?

শ্ৰীগৌতম বৰা, (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১০৭ খন বে-চৰকাৰী প্ৰাথমিক বিদ্যালয়, ৮খন স্বীকৃতিপ্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয় আৰু ৫খন বে-চৰকাৰী মধ্য ইংৰাজী বিদ্যালয় আছে। উচ্চ বিদ্যালয়ৰ তথ্য বিচৰা হৈছে। বিদ্যালয়সমূহৰ নামৰ তালিকা সংশ্লিষ্ট বিষয়াৰ পৰা বিচৰা হৈছে।

(খ) পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ অশোক কাগজ কল খোলাৰ ব্যৱস্থা।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৫৯০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অশোক কাগজ কলটোৰ বৰ্ত্তমান কি অৱস্থাত আছে? চৰকাৰে বন্ধ হৈ থকা মিলটো খোলাৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি?

(খ) অশোক কাগজ কলত কৰ্মচাৰী সকলৰ বাকী থকা দৰমহা দিয়াৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি?

(গ) বৰ্ত্তমান অসমত পুঁজিৰ অভাৱত কিমানটা উদ্যোগ বন্ধ হৈ আছে, অনুগ্ৰহ কৰি জনাব নেকি?

শ্ৰীবিজিত শইকীয়া, (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অশোক কাগজ কলটো পুনৰ খোলাৰ বাবে হায়দৰাবাদৰ সাংঘী গ্ৰুপৰ লগত ১/৩/৯৫ ইং তাৰিখে এখন বুজাপৰাৰ চুক্তি স্বাক্ষৰীত কৰা হৈছে।

(খ) হয়, ব্যৱস্থা লোৱা হৈছে।

(গ) পুঁজিৰ অভাৱত বন্ধ হৈ থকা উদ্যোগৰ সংখ্যা চৰকাৰী খণ্ডত ৪টা বেচৰকাৰী খণ্ডত বন্ধ হৈ থকা উদ্যোগৰ সংখ্যা সম্পর্কে তথ্য সংগ্রহ কৰি থকা হৈছে।

বিষয় ঃ স্কুলৰ খালী পদ।

ডঃ জয়নাথ শর্ম্মাই সুধিছে ঃ

৫৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৰুখুটি আৰু বৈৰাগীঝাৰ এম. ই. স্কুলত ১৯৯৪ চনত Deputation Vacancy দুটাত কাক কাক নিযুক্তি দিয়া হ'ল? এই নিযুক্তি কি ভিত্তিত দিয়া হ'ল?

(খ) গৰুখুটি এম. ই. স্কুলৰ এই খালী পদটোত আবেদনকাৰী কোন কোন আছিল? H. S. L. C. বা H. S. S. L. C. প্রথম বিভাগত উত্তীর্ণ হোৱা কোনো প্রার্থী উক্ত পদৰ বাবে আবেদন কৰিছিল নে?

শ্রীগৌতম বৰা, (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) । { সংশ্লিষ্ট জিলা প্রাথমিক বিষয়াৰ পৰা
(খ) । তথ্য বিচৰা হৈছে। }

বিষয় ঃ গৰাখহনীয়া প্রতিৰোধ।

শ্রীগহীন চন্দ্র দাসে সুধিছে ঃ

৫৯২। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাৰ অন্তর্গত কপিলী নদীৰ দক্ষিণ পাৰে কামপুৰ পকী দলঙৰ পৰা হকুল গুৰিলৈ বান্ধটো কেইবা ঠাইতো যে গড়াখহনীয়া চলি আছে বিভাগে জানেনে?

(খ) যদি জানে কোন কোন ঠাইত খহাইছে?

(গ) ইয়াৰ প্রতিকাৰৰ কিবা ব্যৱস্থা লোৱা হৈছেনে?

শ্রীহৰেণ ভূমিজ, (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে।

(খ) কপিলী নদীৰ পাৰে (left bank) বকুলগুৰিৰ পৰা কামপুৰ পকী দলঙলৈকে অৱস্থিত উত্তৰ আৰু দক্ষিণ চাংচাকি, কাৰৈমাৰী, গাৰু খুন্দা আৰু বৰচোং গাঁও খহনীয়াৰ কবলত পৰিছে।

(গ) প্ৰতিকাৰৰ ব্যৱস্থা বিভাগৰ সক্ৰিয় বিবেচনাধীন।

Re : Provincialisation of Schools.

Shri Sahidul Alam Choudhury asked :

593. Will the Minister of Elementary Education be pleased to state :

(a) What is the total number of the provincialised L. P., M. E. School Teachers in the Hailakandi District?

(b) What is the total sanctioned strength of posts of L.P., M.E. and M.V. School Teachers in the said District?

(c) What is the total monthly amount of the salaries of L.P., M.E. and M.V. School Teachers in Hailakandi?

(d) Whether any illegal appointment has been made in Hailakandi against any of the posts of L.P., M.E. or M. V. School Teachers in Hailakanadi since 1991 till date?

(e) If so, what steps have been taken?

Shri Gautam Bora (Minister of State, Education) replied:

(a)

(b)

(c) Detailed information called for from the concerned field officers.

(d)

(e)

বিষয় ঃ উদ্যোগ পুনৰ গঠন আৰু আধুনিকীকৰণ।

শ্রীঅতুল বৰাই সুধিছে ঃ

৫৯৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম চৰকাৰে চন্দ্রপুৰৰ অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিঃ নামৰ উদ্যোগটো পুনৰ গঠন আৰু আধুনিকীকৰণ কৰিব নে নকৰে?

(খ) উদ্যোগটোৰ শ্রমিক কর্মচাৰী সকলৰ প্রাপ্য বেতন আৰু ভৱিষ্যনিধি, ৰাজ্য বীমা আঁচনিৰ টকা আদি আদায় দিয়াৰ কি ব্যৱস্থা কৰিব?

(গ) নতুন উদ্যোগিক নীতিৰ জৰিয়তে উদ্যোগটো কোনো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি?

শ্রীযুত বিজিত শইকীয়া, (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উদ্যোগটো পুনৰ গঠনৰ বাবে বিবেচনা কৰি থকা হৈছে।

(খ) কর্মচাৰী সকলৰ অনাদায় বেতনৰ বাবে ধন ইতিমধ্যে চৰকাৰে ৪.২৯ লাখ টকাৰ অনুমোদন দিছে।

(গ) বর্ত্তমানে বিবেচনাধীন।

Re : Protection of erosion.

Sri Derhagra Mochahary asked

595. Will the Minister of Soil Conservation be pleased to state :

(a) Whether Government has proposed to control erosion of Pagladia and Suka river in the upper portion of Nalbari District which falls under

Tamulpur Constituency?

শ্রীৰছিদুল হ'ক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়। ১৯৭৪ চনৰ পৰা বৰ্ত্তমানলৈকে ভূমি সংৰক্ষণ বিভাগে ভূমিক্ষয় প্রতিৰোধ আঁচনি ৰূপায়ণ কৰি আছে।

পগলাদিয়া জলচ্ছেদৰ উজনিৰ অংশত ৫৮.৮৮৮ হেক্টৰ মাটিকালি আৰৰি কেন্দ্রীয় চৰকাৰৰ সাহায্যত দীর্ঘম্যাদি ভূমিক্ষয় প্রতিৰোধ আঁচনি গ্রহণ কৰা হৈছে। উক্ত জলচ্ছেদৰ অধীনত সুখা এটা উপজলচ্ছেদ। কেন্দ্রীয় চৰকাৰৰ আঁচনি তথা নীতি নির্দ্দেশনাৰ ভিত্তিত যোৱা ১৯৭৪ চনৰ পৰা ভূমি সংৰক্ষণৰ আঁচনি সমূহ ৰূপায়ণ কৰি অহা হৈছে। চলিত বিত্তীয় বছৰটো সুখা উপজলচ্ছেদৰ অধীনত ভূমি সংৰক্ষণ বিভাগে ভূমিক্ষয় প্রতিৰোধ আঁচনি ৰূপায়ণ কৰি আছে।

Re : Appointment of Hindi Teacher.

Sri Mission Ranjan Das, asked :

596. Will the Minister of Education be pleased to state :

How many Hindi Teachers have appointed from 1-7-91 to 28-2-95 in M.E./M.V./M.E.M./High Schools and Higher Secondary Schools in different Districts of Assam? (Please give it district-wise including the names of the schools when they have joined, date of their joining and address of the institution from when they have acquired their requisite qualification?)

Sri Gautam Bora, (Minister of State, Education) replied :

The required information have been called for from the concerned officers. The information will be furnished immediately as soon as the same is received.

বিষয় ঃ বিজুলী সৰবৰাহ।

মোঃ মহীবুল হকে সুধিছে ঃ

৫৯৭। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গৌৰীপুৰ সমষ্টি বাংলাদেশ সীমান্তবর্ত্তী অঞ্চল নালিয়া, বেৰভাঙ্গি কেদাৰ আদি ঠাইত ৰাইজে House wiring কৰা স্বত্ত্বেও বিজুলী সৰবৰাহ নকৰাৰ কাৰণ কি জনাবনে?

(খ) কেতিয়া আৰু কোন তাৰিখৰ ভিতৰত বিজুলী সৰবৰাহ কৰাৰ ব্যৱস্থা কৰিব জনাবনে?

শ্রীগোপীনাথ দাস (মন্ত্রী, শক্তি গ্রাম্য বৈদ্যুতিকৰণ) য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ বাংলাদেশ সীমান্তবর্ত্তী অঞ্চলৰ নালীয়া, বেৰভাঙ্গি, কেদাৰ আদি ঠাইৰ বিজুলী সৰবৰাহ সকলো কাম সম্পূর্ণ হোৱাৰ পিছত লাইনৰ তাঁৰ আৰু ট্রেন্সফর্মাৰৰ কুণ্ডলী চুৰি কৰি নিয়াৰ বাবে এই ঠাইবোৰত বিজুলী সংযোগ ৰ্যাহত হৈ আছে।

(খ) উক্ত ঠাইবোৰত পুনৰ বিজুলী সৰবৰাহৰ বাবে মেৰামতিৰ প্রয়োজন আৰু ইয়াৰ বাবে যথেষ্ট পুঁজিৰ আৱশ্যক। পুঁজি পালে, পর্য্যায়ক্রমে এই ঠাইবোৰত বিজুলী সৰবৰাহ পুনৰ সংযোগ কৰা সম্ভৱ হ'ব।

বিষয় ঃ প্রতিষ্ঠাপক শিক্ষক নিযুক্তি।

শ্রীৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

৫৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনত প্রাদেশীকৰণ কৰা বিদ্যালয়ৰ ২য় প্রতিষ্ঠাপক শিক্ষকজনক বর্ত্তমানলৈ নিয়োগৰ পৰা বঞ্চিত কৰি ৰখাৰ কাৰণ কি?

(খ) প্রাথমিক বিদ্যালয়ৰ ৩জন শিক্ষকক নিযুক্তি দিয়াৰ কথা ঘোষণা কৰাৰ দৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

(গ) ১৯৯১ চনত প্রাদেশীকৰণ কৰা (৩০০০) তিনিহেজাৰ খন বিদ্যালয়ৰ কিমান খন মুকলি কৰি দিয়া হ'ল আৰু কিমানখন বাকী আছে, বাকী থকা বিলাকৰ কেতিয়াৰ পৰা কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিব?

(ঘ) চলতি বিত্তীয় বছৰত কিমান অমঞ্জুৰী প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ কৰিব আৰু অসমৰ কিমান প্রাদেশীকৰণ কৰিবলৈ অমঞ্জুৰী প্রাথমিক বিদ্যালয় আছে জিলা ভিত্তিত তথ্য ডাঙি ধৰিব?

(ঙ) প্রাদেশীকৰণৰ বাবে চৰকাৰে কিবা ভিত্তি বছৰ লৈছে নেকি?

শ্রী গৌতম বৰা, (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দ্বিতীয় শিক্ষকৰ পদ ইতিমধ্যে মোকলাই দিয়া হৈছে।

(খ) তৃতীয় শিক্ষক নিযুক্তিৰ প্রস্তাৱ ভাৰত চৰকাৰক দিয়া হোৱা নাই।

(গ) ২৩০৫ খন। বাকী থকা বিদ্যালয়ৰ তথ্যপাতি পৰীক্ষা কৰি থকা হৈছে।

(ঘ) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত ৩০০০ খন অমঞ্জুৰী প্রাথমিক বিদ্যালয়ৰ শিক্ষকৰ চাকৰি প্রাদেশীকৰণৰ বাবে মঞ্জুৰী হোৱা ৩০০০ টা পদৰ ভিতৰৰে বাকী থকা ৬৫২ টা পদেৰে ৬৫২ খন অমঞ্জুৰী প্রাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰি থকা শিক্ষকৰ চাকৰি প্রাদেশীকৰণ কৰা হ'ব। (অমঞ্জুৰী প্রাথমিক বিদ্যালয়ৰ তালিকা

জিলা ভিত্তিত দাঙি ধৰা হ'ল) (See the Annexure-XVII)

(ঙ) লোৱা হোৱা নাই।

বিষয় ঃ শিক্ষক নিযুক্তি।

শ্রীনজমুল হকে সুধিছে ঃ

৫৯৯। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত বঙাইগাওঁ জিলাত এম. ই. আৰু এম. ই. মাদ্রাছাত মুঠ কিমানজন শিক্ষক নিযুক্তি দিয়া হৈছিল আৰু কিমানজন শিক্ষকৰ নিযুক্তি বাতিল কৰি দিয়া হৈছে জনাবনে?

(খ) উক্ত নিযুক্তিৰ ভিতৰত বৈধ নিযুক্তি আৰু অবৈধ নিযুক্তিৰ সংখ্যা কিমান জনাবনে?

(গ) নিযুক্তি বাতিল কৰা শিক্ষক সকলক মুঠ কেই মাহৰ দৰমহা দিয়া হৈছিল আৰু উক্ত নিযুক্তি বাতিল কৰা শিক্ষকসকলৰ বাবে নতুন পদ মঞ্জুৰী দিয়া হবনে?

(ঘ) অসমৰ কোন কোন জিলাত অতিৰিক্ত শিক্ষক (এম. ই. আৰু এম. ই. মাদ্রাছা) নিযুক্তি দিয়া হৈছিল জিলা ভিত্তিত ইয়াৰ তথ্য সদনক জনাবনে?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সংশ্লিষ্ট বিষয়াৰ পৰা বিতং তথ্য বিচৰা হৈছে। ইতিমধ্যে ৪২৭ জন শিক্ষকৰ নিযুক্তি বিনাপদে হোৱা কাৰণে নাকচ কৰা হৈছে। বিষয়টো বর্ত্তমান মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছে।

(খ) ।

(গ) । তথ্য বিচৰা হৈছে।

(ঘ) ।

Re : Seniority Rules of Promotion.

Sri Kali Ranjan Deb asked :

600. Will the Minister of Education be pleased to state:

(a) Whether the seniority rules in case of promotion are applicable to all the provincialised schools of the state?

(b) If yes, then why Sri Sudhir Ranjan Das, B. Sc. B.Ed. senior most graduate teacher of Sidheswar High School, was not placed in charge of the school, after the death of late Rasamoney Dey, the then Head Master of the School and instead. Shri Rakhal Bandhu Das a far junior man of a three class High School was placed as Head Master of that school?

(c) What was the reason to deprive the seniormost graduate teacher of Sidheswar High School, while all other Provincialised schools of our State got the faculty of seniormost teachers being placed in charge of the schools.

Sri Gautom Bora, (Minister of State Education) replied:

(a) Yes, but the posts of the Principal/Head Master are filled-up on regular basis by the selected candidates selected by the State Selection Board. Assam as per Rules.

(b) The list of the selected candidates has not yet been received from the State Selection Board, Assam. As such the filling-up the post of Head Master by promotion is not possible. Sri Rakhal Bandhu Das was a regular Head Master of Bantarapur High School since 31-7-84. He has been transferred and posted as Headmaster in Sidheswar High School against the vacant post while Sri Sudhir Ranjan Das is working in the post of Assistant Teacher. Hence Sri Rakhal Bandhu Das is not junior to Sudhir Ranjan Das.

(c) Sri Rakhal Bandhu Das faced obstructions and disturbance in serving at Bantarapur High School. As such he had to be transferred.

Re : Progress report.

Shri Parimal Suklabaidya, asked :

601. Will the Minister of Flood Control be pleased to state.

(a) Whether the scheme "R/S to dyke along L/B at Katakhal from Gaglachara to Nutan Bazar Ph-I, Ch. 0m. to 2800 M." under Hailakandi division (Flood Control) has completed?

(b) If completed, give details about payment of contractors & Name of the contractors?

(c) Give details about the progress report for the said scheme for the month of April'93, May'93

& onwards?

Shri Haren Bhumij (Minister, Flood Control) replied :

(a) No, the scheme is still in progress.

(b) Does not arise.

(c) The progress are as follows :

April'93	.....	4%
May'93 to Feb'94	.....	NIL
March'94	.....	11%
April'94	.....	3.5%
May'94	.....	1.5%
June'94 to Dec'94	.....	NIL
Jan'95	.....	0.6%
Feb'95	.....	3.0%

বিষয় ঃ অবৈধ নিযুক্তি।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ

৬০২। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত ১০ ই জানুয়ারী ৯৫ ইং করিমগঞ্জ থেকে নববার্তা প্রসঙ্গ নামক পত্রিকায় প্রকাশিত 'জেলায় শিক্ষক নিযুক্তি নিয়ে ব্যবসা অব্যাহত একদিনে (৪৫) টি নিযুক্তি প্রদান ঃঃ শিক্ষা বিভাগে কলংকের কালিমা' – এই বিষয়টি সম্পর্কে সরকার অবহিত আছেন কি? যদি আছে তাহলে অবৈধ নিযুক্তি সমূহ বাতিলের জন্য কি কি বিভাগীয় কার্যকরী পদক্ষেপ নিয়েছেন, বিশদ তথ্য সদনের মেঝে দাখিল করিবেন?

(খ) প্রাক্তন উপ স্কুল পরিদর্শক চিন্ময় পুরকায়স্থ ৩১ শে ডিসেম্বর

অৱসর গ্রহণের আগে যে সকল নিযুক্তি ও এক্সটেনশন দিয়েছিলেন তাহাদের প্রত্যেকের নাম, ঠিকানা, শিক্ষাগত যোগ্যতা, নিযুক্তি দেওয়ার তারিখ, এস সি, ও বি সি আছে কিনা ইত্যাদি বিশদ বিবরণ সহ পূর্ণ তালিকা সদনের মেঝে দাখিল করিবেন।

(গ) প্রাক্তন উপ স্কুল পরিদর্শক চিন্ময় পুরকায়স্থের অবৈধ ভাৱে শিক্ষক পদে নিযুক্তি সম্পর্কে তদন্তের প্রতিবেদন সদনের মেঝে দাখিল করিবেন কি?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ।

(খ) । সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

(গ) ।

বিষয় ঃ গৃহ নির্মাণৰ অনুদান।

শ্রীনগেন শর্মাই সুধিছে ঃ

৬০৩। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১, ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনৰ বছৰ কেইটাত অসমত প্রাথমিক স্কুলৰ গৃহ নির্মাণৰ বাবে অনুদান দিয়া হৈছে নেকি?

(খ) যদি হৈছে, অসমত কিমান সংখ্যক প্রাথমিক স্কুল গৃহ নির্মাণৰ বাবে অনুদান দিয়া হৈছে?

(গ) নলবাৰী জিলাত কিমান সংখ্যক প্রাথমিক স্কুলক গৃহ নির্মাণৰ বাবে অনুদান দিয়া হৈছে তালিকাখন সদনৰ মেজত ৰাখিবনে?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ আৰু ১৯৯৩-৯৪ চনত দিয়া হৈছে। ১৯৯২-৯৩ চনত দিয়া হোৱা নাই।

(খ) ১৯৯১-৯২ চনত ৬২৮ খনক দিয়া হৈছে। ১৯৯৩-৯৪ চনত ৪০০ খনলৈ দিয়া হৈছে।

(গ) ১৯৯১-৯২ চনত ২৪ খন আৰু ১৯৯৩-৯৪ চনত ৯ খন বিদ্যালয়লৈ দিয়া হয়। তালিকা লগত গাঠি দিয়া হৈছে।

(See the Annexure - XVIII)

Re : Aroonudoi H. E. School

Sri Joy Chandra Nagbangshi, asked.

604. Will the Minister of Secondary Education be pleased to state :

(a) Whether Government is aware that the Aroonudoi H. S. School Doomdooma was accorded class X recognition originally in 1989 but this recognition of the school was kept in abeyance on some plea by S. E. B. A.?

(b) Whether the allegation of the original inspection report is being false could be established by the S.E.B.A. or not?

(c) If the above allegation could not be proved, then why the S.E.B.A. instead of restoring the recognition of the school from 1989 has given the recognition from 1992 thereby depriving the school from provincialisation from 1991 as per the policy of the Government?

Sri Gautom Bora, (Minister of State Education) replied:

(a) Yes.

(b) Yes.

(c) The provisional recognition was granted with effect from 1-1-92 by S.E.B.A. on the strength of fresh inspection report submitted by the Inspector of Schools T.D.C., Tinsukia on 7-12-92.

বিষয় ঃ সমবায় সমিতিকে সরকারী অনুদান।

শ্রীমধুসুদন তেওৱাৰীয়ে সুধিছে ঃ

৬০৫। মাননীয় সমবায় বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) পাথারকান্দি সমষ্টিতে সমবায় সমিতির সংখ্যা ক'ত এবং তাহাদের নাম কি?

(খ) উক্ত সমবায় সমিতি গুলির জনসাধারণের শেয়ারের টাকা ও সরকারী দের অনুদান কোন কোন সমিতিতে ক'ত টাকাছিল তাহার তালিকা প্রদান করবেন কি?

(গ) সরকার কি অবগত সবকটি সমবায় সমিতি গুলির মূলধন নাই, সরকার নীরব কোন প্রকার অনুসন্ধান বা প্রতিকার নাই, আর ব্যক্তি বিশেষের কাছ থেকে ধার করে সমিতি গুলি চালানো হইতেছে, প্রতিদিনে ধারদাতাকে বিশেষ সুবিধা প্রদান করা হইতেছে? এবিষয়ে সরকার সমবায় সমিতি গুলির প্রতি বিশেষ দৃষ্টি দিবেন কি?

শ্রীনগেন নেওগ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) পাথাৰকান্দি সমষ্টিত সমবায় সমিতিৰ সংখ্যা ৫৪ খন হয়াৰ তালিকা সংলগ্ন অনুবদ্ধ ২২.১ ত দেখুৱা হ'ল। (See the Annexure-XIX)

(খ) উক্ত সমবায় সমিতি বিলাকৰ জনসাধাৰণৰ অংশৰ টকা আৰু

চৰকাৰে দিয়া অনুদান আৰু কোন কোন সমিতিত কিমান টকা আছিল আৰু ইয়াৰ তালিকা সংলগ্ন অনুবদ্ধ ২ ৰ ৩নং আৰু ৪নং শিতানত দেখুৱা হ'ল। (See the Annexure-XX)

(গ) কিছুমান সমবায় সমিতিৰ পর্য্যাপ্ত পৰিমাণৰ মূলধন নথকাৰ বাবে সমিতিৰ এজেন্ট সকলৰ পৰা অস্থায়ী ধন লৈ যোগান বিভাগৰ বৰাদ্ধকৃত বয়বস্তু আৰু অন্যান্য সামগ্রীৰ ব্যৱসায় চলাই আছে। উক্ত অস্থায়ী ঋণৰ প্রতিদানত কোনো ঋণ দাতাক বিশেষ সুবিধা দিয়া হৈছে বুলি জনা নাযায়।

বিষয় ঃ পহুমৰা নদীৰ গৰাখহনীয়া ।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৬০৬। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) বৰপেটা জিলাৰ পহুমৰা নদীৰ গৰাখহনীয়া হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ কিমান পৰিয়াল গৰাখহনীয়াৰ কবলত পৰিছে?

(গ) উক্ত নদীৰ গৰাখহনীয়া বিশেষকৈ ভৌকামাৰী আৰু কয়াকুছি পথাৰ প্রতিৰোধৰ ব্যৱস্থা কৰিব নে?

(ঘ) যদি কৰে, আগন্তুক বাৰিষাৰ আগতে গৰাখহনীয়া প্রতিৰোধৰ কামটো সম্পূর্ণ কৰিব নে?

শ্রীহৰেন ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) ৮টা পৰিয়াল।

(গ) বিত্তীয় স্বচ্ছলতা সাপেক্ষে বিবেচনা কৰা হ'ব।

(ঘ) প্রশ্ন নুঠে।

Miscellaneous

*Shri Pramode Gogoi : Sir, I would like to draw the attention of the Hon'ble Speaker, under Rule 133 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly there is a motion to move a Censure Motion aginst a group of Ministers. That motion should be taken up first.

Mr. Speaker : Now, Hon'ble member Mr. Allouddin Sarkar.

*শ্রীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রশ্ন বিভাগে কেনেকৈ গ্রহণ কৰে তাৰ নির্দ্ধাৰিত নিয়ম আছে। মই এটা প্রশ্ন কৰিছিলো -- মিনি মর্ডান ৰাইচ মিল স্থাপন কৰা সম্পর্কে। মন্ত্রীয়ে নাজানে, সুধিছে কেতিয়াৰ কথা? মিনি মর্ডান ৰাইচ মিলৰ কথা তেখেতেও জানে, এইটো এ. জি. পি. চৰকাৰৰ দিনৰ পৰা হৈছে। তেখেতে ভালকৈ জানে। বাকী বিলাক প্রশ্ন নাই, ব্যক্তিগত ভাবে, কিন্তু ব্যক্তিগত ভাবে পোনপোতীয়াকৈ প্রশ্ন দিয়া হৈছে। বিভাগৰ পৰা যিবিলাক তথ্যপাতি পায়, সেই তথ্যপাতিৰ ওপৰত নির্ভৰ কৰিয়ে মন্ত্রী সকলে উত্তৰ দিয়ে। তথ্য সত্য নে অসত্য বিচাৰ কৰি নেযায় আৰু আমাৰ প্রশ্ন বিলাকৰ ওপৰতো গুৰুত্ব নিদিয়ে। সত্য তথ্যৰ ওপৰত উত্তৰ দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব লাগে।

*শ্রীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫৬২ নংৰ এটা প্রশ্ন আছিল।

(a) How many Arabic Teachers are working against

---

* Speech not corrected

non sanctioned posts in the provincialised M. E. Schools of Assam?

(b) Why their posts have not been taken over at the time of taken over of the schools?

(c) When these posts would be taken over?

এই প্ৰশ্নৰ উত্তৰ সম্পূৰ্ণ মিছলেডিং আৰু ভুল। মাননীয় মন্ত্ৰী মহোদয়ৰ লিখিত উত্তৰ ভুল প্ৰমাণ কৰিম, উত্তৰ দিছে ঃ

(a) There is no provision in the syllabus and curriculum for the teaching of Arabic in M. E. Schools at presents, hence the question does not arise. And in respect of (b) and (c) Minister replied that it 'does not arise' ....Sir, the Classical Teachers' Association, Karimganj Branch has IIdged a Civil Case Noz under Civil Rule 1577 of 1990. So Sir, under Rule 49 of the Rules of procedure and Conduct of Business in the Assam Legislative Assembly there should be half an hour discussion.

দ্বিতীয়তে কৈছে যে এম. ই. স্কুলৰ আৰবিক চাবজেক্ট পঢ়োৱা নাই। আৰবিক সাহিত্যৰ পাতনিত মাননীয় ৰাজ্যিক শিক্ষা মন্ত্ৰী শ্ৰীগৌতম বৰা ডাঙৰীয়াই নিজে কৈছে যিবিলাক চাবজেক্টৰ কেৰিকুলাম ৰিনিউ কৰা হ'ল আগৰ পৰাই চলি আহিছে। এই চাবজেক্ট পঢ়োৱা হৈছে, চিলেবাচো আছে কিন্তু কেৰিকুলাম কৰা নাই। পাতনিত স্বীকাৰ কৰিছে। এই সংক্ৰান্তত কৰিমগঞ্জ ক্লাচিক

* Speech not corrected

টিচাৰ এচোছিয়েছনে হাই কোৰ্ট কৰিছিল। কেচ নং ১৫৭৭ আফ ১৯৯০ এই শিক্ষক সকলৰ নিযুক্তিৰ তাৰিখ যি কেইজন শিক্ষকে আগৰ পৰা কাম কৰিছিল চৰকাৰে তথ্য দিছে ৫৪ জন শিক্ষকে কাম কৰিছিল। তেওঁলোকৰ বয়স হৈছে, বুঢ়া হৈছে, কিন্তু চাকৰি পোৱা নাই। গতিকে এই শিক্ষক সকলক চাকৰি দিব লাগে বুলি হাই কোৰ্টৰ পৰিস্কাৰ ৰায় আছে। অথচ চৰকাৰে ৰায় মানিব পৰা নাই। ১৯৯৪ চনতে ৰায় দিয়া হৈছিল। চৰকাৰে মানি নোলোৱাৰ কাৰণে তেওঁলোকে চৰকাৰৰ বিৰুদ্ধে কোৰ্ট অৱ কনটেমপ কৰিবলৈ ওলাইছে। চিলেবাচ, কেৰিকুলাম নাই, ৫৪ জন শিক্ষকে স্কুলত এই ধৰণে কাম কৰি আছে। সেই শিক্ষক সকলৰ ৫০/৫৫ বছৰ হৈ যোৱা বুলি স্বীকাৰ কৰিছে। আৰবিক শিক্ষক সকলৰ পোষ্ট চেঙচন হোৱা নাই, এই প্রশ্নৰ উত্তৰ ভুল দিছে আৰু মিচলেডিং কৰিছে। এই কথাটো ৰুল ৪৯ ৰ অধীনত এটা আলোচনা কৰিব লাগে। যিসকলে কাম কৰি আছে সেই বিলাক স্কুল টেকঅভাৰ কৰিব লাগে আৰু সেই শিক্ষক সকলৰ চাকৰি নিয়মীয়া কৰিব লাগে।

*ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগে কৰিব নোৱাৰা কাম একো নাই। শিক্ষা বিভাগৰ পৰা যিবিলাক উত্তৰ আহিছে লজ্জাজনক কথা। ছয়গাঁও মহাবিদ্যালয়ৰ প্রশ্নৰ সম্পর্কত এটা উত্তৰ আহিছে এজন প্রবক্তা যোগদান সম্পর্কে। উত্তৰ দিয়া হৈছে যোগদান কৰিছে ১৯৭৮ চনত। কিন্তু ১৯৭৯ চনত যোগদান কৰিছে। ১৯৫৮ চনত তেওঁ এম. এ. পৰীক্ষা পাছ কৰা নাছিল। তেওঁৰ যোগদানৰ চিঠি মোৰ লগত আছে। বিভাগে ১৯৭৮ চনত যোগদান কৰা দেখুৱাইছে এই কাৰণে যে তেওঁক ১৯৭৮ চনত যোগদান কৰা নেদেখুৱালে কামত যোগদান কৰাব নোৱাৰে। এইটো শিক্ষা বিভাগে জানে, এনেকুৱা ধৰণে ভুল তথ্য দি আছে. গতিকে শিক্ষা বিভাগে কৰিব নোৱাৰা কাম একো নাই। মাননীয়

মুখ্যমন্ত্রী মহোদয়কো কৈছে যে এই ভুল তথ্য দিয়াৰ কাৰণে তাৰ ওপৰত এটা ৰুলিং দিব লাগে।

*শ্রীজয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, A point of order Sir, ৫৯১ নং এটা লিখিত প্রশ্নত মঙ্গলদৈ এম. ই. স্কুলত কাক কাক নিযুক্তি দিয়া হ'ল। এতিয়া উত্তৰ আহিছে তথ্য বিচৰা হৈছে। প্রশ্নটো দিয়া ১৫ দিন হৈছে, এই ১৫ দিনে মঙ্গলদৈৰ পৰা উত্তৰটো কিয় আনিব পৰা নাই? মাননীয় মন্ত্রীক তদন্ত কৰিবলৈ মই অনুৰোধ কৰিছো। তাত ৫ হেজাৰ টকা লৈ নিযুক্তি দিয়া হৈছে, ডি. ই. ই. ও. জানে। ডেপুটেশ্বন ভেকেনচিত নিযুক্তি দিয়া হৈছে, প্রথম বিভাগত পাছ কৰা জনকো দিয়া হোৱা নাই, দুখীয়া মানুহকো দিয়া নাই, ধনী মানুহ যাৰ দালান আছে সেই বিলাকক দিয়া হৈছে। দুর্নীতিপৰায়ণ বিষয়াক চৰকাৰে ৰক্ষণাবেক্ষণ দিবলৈ বিচাৰিছে। এইদৰে হাউচক প্রতাৰণা কৰিব খোজাটো ভাল হোৱা নাই। যোৱাকালি মোৰ এটা প্রশ্ন আছিল, এই প্রশ্নটোৰ যোৱাকালি নোটিচ দিয়া হৈছিল, এইখন নোটিচত অন্তত এক সপ্তাহৰ আগতে দিয়ক। ইয়াত যিবিলাক কথা আছে অত্যন্ত গুৰুত্বপূর্ণ কথা। শিক্ষা বিভাগে কিমান টকা খৰচ কৰিলে, প্রতি ঘণ্টাত কিমান টকা খৰচ কৰিছে তাৰ বিপ্লাই দিব নোৱাৰে। ৰিজেক্ট কৰি পঠিয়ায়। চর্ট ন'টিচ প্রশ্নও নাহে। জিৰো আৱাৰতো আলোচনা কৰিবলৈ নাপাও।

*শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সদনত ময়ো বহুতো প্রশ্ন উত্থাপন কৰিছিলো কিন্তু সেইবিলাকৰ সদ উত্তৰ নাপালো। শিক্ষা বিভাগৰ সম্পর্কতো বহুতো প্রশ্ন কৰিছিলো তাৰো ভাল উত্তৰ

* Speech not corrected

নাপালো। শিক্ষা বিভাগৰ প্ৰশ্নোত্তৰৰ যি অভিযোগ উঠিছে তেনেকুৱা মোৰ ক্ষেত্ৰতো হৈছে। মই সম্পূৰ্ণ তথ্য পাতি দি ডিমৰীয়া কলেজৰ অধ্যক্ষৰ বিপৰীতে অভিযোগ আনিছিলো। চৰকাৰেও তথ্যপাতি পোৱাৰ পিচত কোনো ব্যৱস্থা নকৰিলে। ডিমৰীয়া কলেজৰ অধ্যক্ষ শ্ৰীৰামচৰণ ভৰালীয়ে যি ১২ টকাৰ অনিয়মৰ অভিযোগ অনা হৈছে তাৰ ব্যৱস্থা চৰকাৰে ল'ব নেকি? আজিলৈ কিন্তু তেওঁক চাচপেঞ্চ কৰা হোৱা নাই। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে ইয়াৰ এটা সু ব্যৱস্থা আশা কৰিছো।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰুল মতে আমি যি প্ৰশ্ন কৰো মাননীয় মন্ত্ৰীয়ে উইলিংলি বা আন-উইলিংলিয়ে হওঁক তেখেতসকলে উত্তৰসমূহ ভুলকৈ দিয়ে। এই সম্পৰ্কত আমি প্ৰতিজন মন্ত্ৰীৰ বিৰুদ্ধে প্ৰিভিলেজ আনিব পাৰো আমি মুভ কৰিব পাৰো। বিভাগীয় বিষয়া সকলো যুগুতাই দিয়া তথ্যৰ ওপৰতে মন্ত্ৰী সকলে উত্তৰ দিয়াৰ কাৰণে এনেকুৱা হৈছে। বিভাগীয় বিষয়া সকলে তথ্য দিয়াৰ উপৰিও মন্ত্ৰী মহোদয় সকলে নিজে তথ্য পাতি বোৰ ভালকৈ পৰীক্ষা কৰি চাব লাগে যাতে তথ্য ঠিকমতে দিছে নে নাই। শিক্ষা বিভাগত কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰে কাত কৰিছে। কমিচনাৰে কৈছে যে ডাই�ৰেক্টৰে সময় মতে চাবমিট নকৰে সেই কাৰণে কাত কৰা হৈছে।

*শ্ৰীআব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়; মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ এটা ঘটনা প্ৰমাণিত কৰিছে যে ডেপুটেশ্বন ভেকেনচিত নিয়োগ কৰা হৈছে। কিন্তু আমাৰ হোজাই চাব ডিভিজনত যথেষ্ট ডেপুটেশ্বন ভেকেন্সি আছে। এম. ই. স্কুলত

* Speech not corrected

শিক্ষক নিযুক্তি পোৱাৰ কাৰণে আমি ডি. ই. ই. ও. ক লগ ধৰিছিলো। তেখেতে কৈছে যে চৰকাৰৰ সকলো ধৰণৰ নিয়োগ বন্ধ হৈ আছে। যদি বন্ধ হৈ আছে এইবিলাক স্কুলত কেনেকৈ হ'ল আৰু যদি বন্ধ নাই আমাৰ তাত নিযুক্তি কিয় দিয়া নাই?

NOTICE OF CENSURE MOTION

Mr. Speaker : I share the sentiments expressed by the Hon'ble Members. Questions Hours and other earmarked fixed Hours are very important in parliamentary domocracy of Government. All the Hon'ble Members have the right to get information from the Government through questions and other means. Government is anwerable to the Legislatures. In every place and every State throughout the world this is followed very meticulously and very correctly. I hope, correct answers to the questions which would be asked by Hon'ble Members, should be furnished as far as practicable, by everybody, that is what is happening and I hope, this will happen in future also.

Regarding the specific complaints which I have received, I would request the Hon'ble Members to meet me in my office chamber Hon'ble Ministers. I

* Speech not corrected

think, that would be better.

Now I have received two notices of Censure Motion under rule 133 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly against the Hon'ble Minister in-charge of the Forest, PWD and WPT & BC Departments from the following Hon'ble Members:

1. (i) Shri Prafulla Kumar Mahanta
   (ii) Shri Promode Gogoi
   (iii) Shri Karendra Basumatary
   (iv) Shri Monsingh Rongpi
   (v) Shri Nizamuddin Khan
2. (i) Shri Mission Ranjan Das
   (ii) Shri Chittendra Nath Majumdar
   (iii) Shri Parimal Suklabaidya

I find that the Motions are in order and I read the Motions.

"The House do censure the Hon'ble Ministers in-charge of Forest, PWD and WPT & BC Departments for their total failure in taking effective actions for preserving forest wealth for providing minimum communication facilities and for neglecting the problem of plain tribes and backward communities respectively."

Now I request those Hon'ble Members who are in favour of leave being granted to rise in their places.

As not less than 1/10th of the total number of members of the House rise in their places, leave is granted.

The Motion will be taken up for discussion on such day in consultation with the Business Advisory Committee.

After Zero Hour to-day, I request the Hon'ble Members of the Business Advisory Committee to meet in my office Chamber for fixation of time and date for discussion of the Censure Motion.

Now, I have received as many as 7 zero Hour Notices for 4-4-95 in the names of following Hon'ble Members.

1. Shri Chandra Mohan Patowary
   Shri Bubul Das
2. Shri Nagen Sarma
   Shri Atul Bora
   Shri Gahin Chandra Das
3. Shri Dewan Joynal Abedin
   Shri Nizamuddin Khan
4. Md. Mohibul Haque
5. Shri Hiteswar Deka
6. Shri Parimal Suklabaidya

Shri Badri Narayan Sing

Shri Mission Ranjan Das

7. Shri Mission Ranjan Das

As per rule, I have selected 3 Zeor Hour Notices for raising Before the House.

I now call upon Hon'ble Member Shri Mohibul Haque to raise his Zero Hour Notices published in North East Observer dated 3-4-95 under the caption "Potential for Agricultural Development in Assam."

Discussion During Zero Hour

শ্রীমহীবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই শূণ্য কালত যোৱা ৩ এপ্রিল তাৰিখে প্রকাশিত নর্থ ইষ্ট অবজাৰভাৰ বাতৰি কাকতত শীর্ষক বাতৰি মই উত্থাপন কৰি মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়াৰ তথা ৰাজ্য চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, ইয়াত বহুতো কথা উল্লেখ আছে। মই মাথোন কেইটামান কথা দাঙি ধৰিব খুজিছো। যিটো আমাৰ ৰাজ্য আৰু খেতিৰ কাৰণে অতি জৰুৰী কথা। অধ্যক্ষ মহোদয়, আজি

The North East Observer dated 3rd April'95 published an Article under the Caption "Potential for Agricultural Development in Assam". Since time immorial Assam has been a region basically known for the beauty and bounty of nature. Every one down from the flowery courtier to the

man in the streete is not unaware of the precious natural resources providing much scope for the agricultural development of this region. Assam is fortunate to welcome a congenial atmosphere enough for the development of agriculture with its fertile soil for the growth of multiple crops like food grains, oil seeds, pulses and fibre crops etc.

আমাৰ অসমৰ কৃষিৰ বিকাশৰ কাৰণে খেতিয়ক সকলৰ উন্নতিৰ কাৰণে আমাৰ যি পটেনচিয়েলিটি কৃষিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। অধ্যক্ষ মহোদয় আমাৰ খেতিৰ মাটিৰ পৰিমাণ হৈছে ২৭ লাখ ৬৬ হেজাৰ হেক্টৰ আৰু আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ কাৰণে যি চাউলৰ চাহিদা সেইটো হৈছে ৩৯ লাখ ২৯ হেজাৰ মেট্ৰিক ট'ন। যোৱা বছৰ আমাৰ উৎপাদন হৈছিল ৩৬ লাখ ৭২ হেজাৰ মেট্ৰিকট'ন।

There is no denying the fact that the story of the development of agriculture is perhaps the story of the economic development of Assam.

শ্ৰীমহীবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে যোৱা ২/৩ বছৰত যথেষ্ট খিনি উন্নতি সাধন কৰিছে। কিন্তু আমাৰ ৰাজ্যখনে খাদ্য শস্যৰ কাৰণে প্ৰায় ৭০০ কোটি টকা খৰচ কৰে। কাৰণ আমি এই ৭০০ কোটি টকাৰ খাদ্য শস্য অসমৰ বাহিৰৰ পৰা আমদানি কৰো। গতিকে আজি যদি আমাৰ ৰাজ্যখনৰ ভিতৰতে এই টকাখিনি খৰচ কৰি ৰাজ্যৰ খাদ্য শস্য উৎপাদন কৰিবলৈ সক্ষম হওঁ, তেতিয়া হ'লে এই ৭০০ কোটি টকা অসমৰ

বাহিৰলৈ পঠোৱাৰ হ'লে এই ৭০০ কোটি টকা অসমৰ বাহিৰলৈ পঠোৱাৰ কোনো প্ৰয়োজন নাই। আৰু এই টকাখিনিৰে আমাৰ ৰাজ্যৰ অন্যান্য উন্নয়ণমূলক আঁচনিত খৰছ কৰিব পাৰিলে যথেষ্ট উন্নতি সাধন হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষি উৎপাদন যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে। ১৯৯০-৯১ চনত ৩৫.৪৫ লাখ টকাৰ বিৰীতে আমাৰ বৰ্ত্তমান তথ্য অনুযায়ী ৩৫.৩১ লাখ টনলৈ খাদ্য শস্য উৎপাদন হৈছে। ঠিক তেনেকৈ There is no denying the fact that the story of the development of agriculture is Perhaps the story of the Economic Development of Assam ৫৩ হেজাৰ টন। The production of pluge row is no more 53 thousand tonnes as it was in the year 1990-91. In 1992-93 it has risen up to 85 thousand tonnes. অধ্যক্ষ মহোদয়, ঠিক তেনেকৈ আমাৰ বিভিন্ন যিবোৰ খাদ্য শস্য বৰ্ত্তমান চৰকাৰৰ দিনত দিনক দিনে বৃদ্ধি হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষই ইন্টাৰনেচনেল মাৰ্কেটত চাহ ২৮ শতাংশ ৰপ্তানি কৰে। অকল অসমৰ পৰাই ৫৫ শতাংশ চাহৰ ক্ষেত্ৰত চাহিদা পূৰণ কৰি আছে। অধ্যক্ষ মহোদয়, এইটো আমাৰ কাৰণে গৌৰৱৰ কথা যে অসমৰ ইন্টাৰনেচনেল মাৰ্কেটত চাহৰ পৰা প্ৰায় ৬শ কোটি টকা বিক্ৰী কৰাৰ দক্ষতা ৰাখে। ঠিক তেনেকৈ হৰ্টিকালচাৰৰ ক্ষেত্ৰতো যথেষ্ট বৃদ্ধি পাব ধৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই বেচি কথা কবলৈ নেযাওঁ কিন্তু এটা বিষয়ত মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, সেইটো হৈছে কৃষি বিকাশৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ যথেষ্ট ধৰণৰ সুবিধা আছে। এই বিলাকত সকলো সময়তে যথেষ্ট উন্নতি সাধন কৰিব পাৰে। বিশেষকৈ হৰ্টিকালচাৰ,

ফুডগ্রেইন আদি বহু ধৰণে আমাৰ সুবিধা আছে। ঠিক তেনেকৈ আমাৰ এনিমেল হাচবেন্দ্রীৰ পৰা মিল্ক প্রডাক্সন ক্ষেত্রত বিভিন্ন আঁচনি গ্রহণ কৰি যথেষ্ট পৰিমাণে উন্নতি হোৱা পৰিলক্ষিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰখনে তিনি বিঘা মাটিত প্রায় কোটি টকাৰ খাদ্য শস্য উৎপাদনৰ কাৰণে এই বছৰটোত দিয়ে। আৰু এই বছৰত ৩ হেজাৰ ২শ ৮০ টকাৰ খেতিৰ মাটিত ঘৰ সাজি দিয়াৰ আঁচনি অসম চৰকাৰে লৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই কৃষি মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে কৃষি বিকাশৰ ক্ষেত্রত কৃষি বিভাগে চি. আই. স্কীমৰ কাম যাতে সম্পূর্ণ ভাবে কৰে আৰু য'ত কিছুমান আশুৰাহ আছে, সেইবোৰ আঁতৰাবলৈ যাতে বিহিত ব্যৱস্থা লয়, আৰু লগতে কৃষি বিকাশৰ কাৰণে ঢেকী পাম্পৰ যি আঁচনি আছে, তাক অতি সোনকালে কার্য্যকৰী কৰা হয়। বিশেষকৈ ধুবুৰী জিলাৰ মানকাছা সমষ্টিৰ খেতিৰ মাটিৰ জৰিয়তে এজন কৃষকে তিনি বিঘাৰ পৰা ৫ বিঘালৈকে কম খৰচতে কৰিব পাৰে। ঢেকী পাম্পত খৰচো নাই। মাত্র এহেজাৰ টকাহে খৰছ হয়। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় কৃষি মন্ত্রী মহোদয়াক অনুৰোধ কৰোঁ যাতে মোৰ সমষ্টিত ঢেকী পাম্পৰ স্কীম লয়। আৰু এটা কথাৰ বিষয়ে মই মাননীয়া কৃষি মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছোঁ। সেইটো হৈছে, শস্যৰ বাবে দিয়া সাৰৰ দাম। এই দাম দিনক দিনে বৃদ্ধি পাই আছে। গতিকে এই সাৰৰ দাম যাতে বৃদ্ধি নহয়, চাবচিদি ৰেটত যাতে পাব পাৰে তাৰ কাৰণে ব্যৱস্থা লব লাগে। যিহেতু আমাৰ কেন্দ্রীয় চৰকাৰে কৃষিৰ বিকাশৰ কাৰণে কৃষি বিকাশ কেন্দ্র স্থাপন কৰিছে দেশৰ বিভিন্ন ৰাজ্যত, আমাৰ অসমতো তেনেদৰে কৃষি বিকাশ কেন্দ্র স্থাপন কৰিব লাগে। মই

চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিলো। ইমানখিনি সুবিধা থকা স্বত্ত্বেও আমি কিয় কৃষিৰ ক্ষেত্রত আত্মনির্ভৰশীল হব পৰা নাই, তাৰ বাবে পর্য্যালোচনা কৰা উচিত আৰু আসম ৰাজ্যখনক খাদ্য শস্য উৎপাদনত আত্মনির্ভৰশীলৰ বাবে বিহিত ব্যৱস্থা লবলৈ চৰকাৰৰ প্রতি অনুৰোধ জনাই মোৰ বক্তব্য এইখিনিতে সামৰিছোঁ, ধন্যবাদ জয় হিন্দ।

*শ্রীমতী চৈয়দা আনোৱাৰা টাইমূৰ, (কৃষি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা দাঙি ধৰিছে, সেই বিষয়ে চিন্তা কৰা হ'ব। তেখেতে যিটো কৈছে, ইয়াত কেৱল কৃষিয়েই নাই, চাহ পাতৰ কথাও আছে, মিল্কৰ কথা আছে, হর্টিকালচাৰ, চেৰীকালচাৰ আদি গোটেই বিষয়তে আছে। গতিকে মই পিছত এই বিষয়ে এটা স্পষ্টীকৰণ দিম।

Mr. Speaker : I now request the Hon'ble member Sri Hiteswar Deka to raise his Zero Hour Notice.

*শ্রীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই পূর্ণকালীন সময়ছোৱাত, যোৱা ২ তাৰিখে আজিৰ বাতৰি কাকতত প্রকাশিত এটা গুৰুত্বপূর্ণ বাতৰি আছে। অসমত বছৰি ১৫০ কোটি টকাতকৈ অধিক মূল্যৰ প্রাকৃতিক গেছ ধ্বংস হয়। এই বিষয়ে সদনত আগতেও আলোচনা হৈছিল যদিও আজিলৈকে কোনো ফলৱতী ব্যৱস্থা লোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ দুটা ব্যৱসায়িক প্রতিষ্ঠান অইল ইণ্ডিয়া লিমিটেড আৰু অ. এন. জি. সি. এ অসমৰ তৈল ক্ষেত্র সমূহৰ পৰা প্রতিদিনে প্রায় ২ নিযুত ঘন মিটাৰ প্রাকৃতিক গেছ সদায় অবাবতে জ্বলাই আছে। এনেকৈ

* Speech not corrected

প্রাকৃতিক সম্পদ জ্বলাই থাকিলে দেশৰ অর্থনৈতিক অৱস্থা কেতিয়াও টনকিয়াল হব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, বাতৰিটোত স্পষ্টকৈ উল্লেখ কৰা হৈছে। আজি ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে এই প্রায় ৫ বছৰৰ ভিতৰত সর্বমুঠ ৩০৩৯ মিলিয়ন মিটাৰ কিউব প্রাকৃতিক গেছ ধ্বংস কৰা হৈছে আৰু অন্তৰাষ্ট্রীয় বজাৰত ইয়াৰ মূল্য ৬০৭ কোটি টকাতকৈ অধিক। এই কথাটো কেতিয়াও সমর্থনযোগ্য হব নোৱাৰে। নামৰূপ ফার্টিলাইজাৰ আৰু হিন্দুস্থান সাৰ নিগমৰ নামৰূপ (১) আৰু নামৰূপ (২) গোট দুয়োটালৈ অইল আৰু অ. এন. জি. চি.য়ে প্রাকৃতিক গেছ যোগান বন্ধ কৰাৰ পৰিপ্রেক্ষিতত অবাবতে জ্বলাই দিয়া মূল্যবান সম্পদৰ পৰিমাণ আৰু বৃদ্ধি হৈছে। (৩) নং গোটটোলৈয়ো প্রাকৃতিক গেছ যোগানৰ পৰিমাণ কর্ত্তন কৰিছে।

আজি ভাৰত চৰকাৰে মধ্য প্রাচ্যৰ ওমানৰ পৰা পাইপযোগে প্রতি ১০০০ মিটাৰ কিউবত ৩৫০০ টকা পর্য্যন্ত ব্যয়েৰে প্রাকৃতিক গেছ আমদানি কৰাত মাননীয় বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আমাৰ এ আই ডি চি অসমৰ উদ্যোগ উন্নয়ন নিগমে প্রতিদিনে ৪ নিযুতৰ গেছ সংশোধ কৰাৰ প্রকল্প স্থাপনৰ কাৰণে কেন্দ্রৰ ওচৰত প্রপোজেল দিয়া হৈছে। প্রাকৃতিক গেছৰ যিবিলাক বিশেষজ্ঞ আছে তেখেত সকলে কমেন্ট দিছে। জল সম্পদ ব্যৱহাৰৰ বিষয়টো বাজ্যপালৰ ভাষণতো ঠাই পাইছে। আৰু আপোনাৰ নেতৃত্বত এটা সর্বদলীয় দল দিল্লীলৈ যোৱাৰ কাৰণে চেষ্টা চলাই আছে। এই ক্ষেত্রত অসমৰ সমগ্র বাইজে হেচা প্রয়োগ কৰিব লাগে। প্রায় ২০০ কোটি টকা ব্যৱহাৰ কৰা হৈছে আৰু সদ ব্যৱহাৰ কৰাৰ কাৰণে চৰকাৰৰ ওচৰত প্রতিবেদন দাখিল কৰি হেচা দিব লাগে। প্রয়োজন হলে আমাৰ বিৰোধী পক্ষৰ ফালৰ

পৰাও সহায় কৰিবৰ কাৰণে সাজু আছো। প্ৰাকৃতিক গেছ পুৰি পেলোৱাৰ ফলত অসমৰ অৰ্থনৈতিক অৱস্থা দুৰ্বল হৈ পৰিছে। প্ৰতিদিনে ৪ নিযুত ঘনমিটাৰ গেছ সংশোধন সম্পৰ্কত এটা প্ৰপোজেল এ.জি.পি. চৰকাৰৰ দিনতে দিয়া হৈছিল। প্ৰাকৃতিক গেছ জ্বলাই দিয়া কাৰ্য্যক এক আইনবিৰুদ্ধ অপৰাধ বুলি গণ্য কৰি চৰকাৰে আইনগত ব্যৱস্থা লব বুলি মাননীয় মন্ত্ৰী মহোদয়ে সদনত জনাব লাগে।

*শ্ৰীবিজিত শইকীয়া, (উদ্যোগ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীহিতেশ্বৰ ডেকা ডাঙৰীয়াই পূৰ্ণকালীন সময়ছোৱাত যোৱা ২ তাৰিখে আজিৰ বাতিৰ কাকতত প্ৰকাশিত সংক্ৰান্তত যিটো টোকা দাঙি ধৰিছে সেই মৰ্ম্মে মই কওঁ যে উক্ত বাতৰিটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান নিতৌ প্ৰায় ৫ মিলিয়ন ষ্টেণ্ডার্ড কিউবিক মিটাৰচ (5 MSCUMD), Associated গেছ উৎপাদন হয়। ইয়াৰ প্ৰায় ২-২$\frac{১}{২}$ MSCUMD ব্যৱহাৰ হৈ আছে। অসম চৰকাৰে বৰ্ত্তমান ব্যৱহাৰ হোৱা গেছৰ ওপৰত সামান্য ৰয়েল্টি পাই আছে। যদিও জ্বলাই দিয়া গেছৰ ওপৰত পোৱা নাই। ইয়াৰ বাবেও ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। আমাৰ চৰকাৰে কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰীৰ লগত যোগাযোগ কৰিছে। এই সংক্ৰান্তত মাননীয় মন্ত্ৰী মহোদয়ৰ লগত ৩ বাৰমান লিখা-মেলাও কৰা হ'ল। কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰীৰ লগতো আলোচনা কৰিছো। বৰ্ত্তমানে এই গেছ, নামৰূপ সাৰ প্ৰকল্প, অসম পেট্ৰোকেমিকেলচ নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰ আৰু চাহ বাগিছাবোৰত ব্যৱহাৰ হৈ আছে। চৰকাৰে অতিৰিক্ত গেছৰ সদ ব্যৱহাৰৰ বাবে অসম গেছ ক্ৰেকাৰ প্ৰকল্প, কঠালগুৰি তাপ বিদ্যুৎ প্ৰকল্প, আমগুৰি পাৱাৰ প্ৰজেক্ট আৰু

* Speech not corrected

বিভিন্ন এল পিজি পাম্পৰ কাম হাতত লোৱা হৈছে। অসম গেছ ক্ৰেকাৰ প্ৰকল্প কাৰ্য্যক্ষম হলে প্ৰায় ৭ (এছ চি এম ই এ ই ডি) পৰিমাণ গেছ প্ৰয়োজন হব। অন্যান্য পৰামৰ্শসমূহৰ ওপৰিও বাতৰিত যিটো পৰিবেশন হৈছে সেইটো চৰকাৰে পৰীক্ষা কৰি চাব। বৰ্ত্তমান গেছৰ দাম ৬০০ পৰা ১০০০ এচ চি ইউ এম. এচ কিউবিক ৬০০ টকা ধাৰ্য্য কৰা হৈছে আৰু অসমৰ গেছ ক্ৰেকাৰৰ বাবে ২ ধৰণৰ ফ্ৰি গেছ আৰু এচোচিয়েটেড গেছ ইউজ হব। বৰ্ত্তমান ফ্ৰি গেছ প্ৰডাকচন হোৱা নাই।

*শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৪০০ ঘনমিটাৰ গেছ এ. আই. ডি. চি.ক শোধণ কৰিবৰ কাৰণে এটা প্ৰপোজেল আগবঢ়োৱা হৈছিল। সেই প্ৰপোজেলটোৰ বিষয়ে মন্ত্ৰী মহোদয়ে কিমান আগবাঢ়িছে কব নে?

*শ্ৰীবিজত শইকীয়া, (উদ্যোগ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰীৰ লগত এই বিষয়ে যোগাযোগ কৰা হৈছে। তাৰ পৰা আমি কোনো প্ৰতিবেদন পোৱা নাই।

*শ্ৰীআব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। আমাৰ অসমত উৎপাদিত গেছবোৰ অবাবতে জ্বলাই থকা হৈছে। আমাৰ কেচা খনিজ সম্পদবোৰ জ্বলাই ধ্বংস কৰিব লাগিছে ইফালে বাহিৰৰ পৰা খনিজ সম্পদ আমদানি হৈ আছে। আমাৰ ডেকা ডাঙৰীয়াই কৈছে যে প্ৰয়োজন হ'লে অসমৰ বিৰোধী দলৰ নেতা সকল লগ হৈ এটা সৰ্বদল গঠন কৰি কেন্দ্ৰক হেচা দিব লাগে যাতে অসমৰ উৎপাদিত প্ৰাকৃতিক সম্পদবোৰ শেষ কৰাত বাধা প্ৰদান কৰে। এইটো ব্যৱস্থা অসম চৰকাৰে নকৰে কিয়?

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে প্রতি দিনে ৫ মিলিয়ন ষ্টেণ্ডর্ড কিউবিক মিটাৰচ গেছ উৎপাদিত হয়। তাৰোপৰি যিখিনি গেছ পুৰি জ্বলি শেষ হৈছে আৰু অলপ কিউৰিক মিটাৰচ বঢ়ালে সেইটো অলপ হলেও বন্ধ হৈ যাব। মাননীয় মন্ত্রী মহোদয়ক মই স্পষ্টকৈ সুধিব খুজিছো যে আৰু অধিক গেছ কিয় খৰচ নহয়? নামৰূপ ফার্টিলাইজাৰ, নামৰূপ তাপ বিদ্যুৎ সাৰ কাৰখানাত গেছৰ যিটো কেপাচিটি লাগে সেইটো কমি যোৱাৰ কাৰণে কাম কৰিব পৰা নাই। সেইকাৰণে কেন্দ্রীয় চৰকাৰেও এই বিষয়ে অলপ চিন্তা কৰিছে। এই প্রকল্প বিলাকৰ কাৰণে ৰাইজৰ লগত আমিও একমত। এই ক্ষেত্রত কোনেও গাফিলতি কৰিব নালাগে।

*শ্রীবিজিত শইকীয়া, (উদ্যোগ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুদিনৰ আগৰ পৰা নামৰূপ ফার্টিলাইজাৰ কর্পোৰেচনৰ কর্ম্মচাৰী সন্থা তথা পৰিচালন সঞ্চালকৰ ফালৰ পৰা অসম চৰকাৰে যি পৰিমাণৰ তেওঁলোকক গেছৰ প্রয়োজন হয় সেইমতে ল' প্রচেচ দিয়া হৈছে আৰু উপকৃত হৈছে। আমি কেন্দ্রীয় পেট্রেলিয়াম মন্ত্রীৰ লগত যোগাযোগ কৰিছো। অসমত ৫ মিলিয়ন ষ্টেণ্ডার্ড কিউবিক মিটাৰচ গেছ উৎপাদন হয়, যদিও ৭ কিউবিক মিটাৰচ গেছ উৎপাদন হলে কঠালগুৰি তাপ বিদ্যুৎ প্রকল্প, আমগুৰি পাৱাৰ প্রজেক্ট সকলোবিলাকতে গেছ প্রয়োজন হয়। তাৰ কাৰণে নিশ্চয় ব্যৱস্থা লোৱা হব।

Mr. Speaker I Now call upon the Hon'ble member Mr. Mission Ranjan Das to raise his Zero Hour Motion.

---

* Speech not corrected

শ্রীমিশ্বন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজ 'সময় প্রবাহ পত্রিকা'য় খবর বেরিয়েছে যে "বরাকের জল দূষিত করছে কাছাড় কাগজ কল"। এই সংবাদের ওপর আমি আমার বক্তব্য রাখছি।

মহোদয়, সংবাদে লেখা আছে যে কাছাড় কাগজ কলের দূষিত জল বরাক নদীর জলে মিশ্রিত হয়ে বরাক নদীর জল দূষিত করছে। এই দূষিত জল পাঁচগ্রাম থেকে আরম্ভ করে একেবারে করিমগঞ্জ শহরের পাশ দিয়ে যে কুশিয়ারা নদী বাংলাদেশে গিয়েছে সেই সমস্ত এলাকার নদীগুলির জল বিশাক্ত করছে। মহোদয়, এই বিশাল অঞ্চলের মানুষ ঐ নদীগুলির জলের উপর সম্পূর্ণ নির্ভরশীল। এরা ঐ নদীর জল পান করেন, নদীর জলে স্নান করেন। ফলে ঐসব অঞ্চলে নানা ধরণের আন্ত্রিক এবং চর্মরোগের সৃষ্টি হয়েছে। ভাঙ্গা, পাঁচগ্রাম প্রভৃতি অঞ্চলে মাছ প্রায় নাই বললেই চলে। তাছাড়া ঐসব নদী থেকে অনেকগুলি পানীয় জলের প্রকল্প রয়েছে যেগুলি থেকে বিশুদ্ধ পানীয়জল সরবরাহ করা অসম্ভব। শুধু দুষিত যে জল হচ্ছে তা নয়, পাঁচগ্রাম বদরপুর, প্রভৃতি অঞ্চলে ঐ কাগজকলের জন্য পরিবেশ প্রদূষণও হচ্ছে। ঐ কাগজকল থেকে যে দুর্গন্ধ নির্গত হয় -- এর ফলে ঐ সব অঞ্চল দিয়ে শিলচরে যাওয়া যাত্রীদের পক্ষে যথেষ্ট কষ্টকর হয়। এই ব্যাপারে কর্তৃপক্ষকে অনেকবার দৃষ্টি আকর্ষণ করা স্বত্বেও কোন কাজ হয়নি। সুতরাং এই পরিবেশ দূষণ বন্ধ করার জন্য কি ব্যবস্থা নেওয়া হয়েছে মন্ত্রী মহোদয় জনাবেন কি?

*Shri Haren Bhumij, (Minister State) : Mr. Speaker, Sir, Zero Hour Motion under the caption "বরাকের জল

* Speech not corrected

দূষিত করছে -- কাছার কাগজ কল" raised by the Hon'ble member Shri Mission Ranjan Das has drawn the attention of the Government. A statement will be laid on the table of the House.

ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker : I have to announce the result of election to the Assam State Housing Board. The number of candidates being equal to the member of Members to be elected, the following members have been declared elected unanimously to the Assam State Housing Board.

1. Md. Muzibur Rahman
2. Shri Joy Chandra Nagbongshi
3. Dr. Kamala Kalita

CALL ATTENTION NOTICE

Mr. Speaker : Now item No. 2 - Hon'ble member Shri Hitendra Nath Goswami to call attention of Minister, Power.

(In the meantime Hon'ble Speaker left the House and Hon'ble Deputy Speaker occupied the Chair).

*শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জিৰো আৱাৰৰ কথা এটা

---

* Speech not corrected

দিছিলো কিন্তু সেইটো নাছিল। মই এইটো আপোনাক দিছো আপুনি অনুগ্রহ কৰি মুখ্যমন্ত্রী ডাঙৰীয়াক ইয়াৰ ওপৰত ব্যৱস্থা লবলৈ দিব। এইজন লোক পি. কে. ৰায় তেওঁৰ বিৰুদ্ধে ২৭টা গোচৰ হাইকোর্টত আছে এই বিলাক দুর্নীতিৰ গোচৰ। এই লোকজনৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ এই কাগজখন মুখ্যমন্ত্রী মহোদয়ক দিব।

*শ্রীপবিমল শুক্লবদ্য ঃ চাৰ, আমাৰ এটা জিৰো আয়াৰৰ নোটিচ আছিল।

মাননীয় অধ্যক্ষ ঃ আপুনি বহক। নহব। মই পাইছো নোটিচ খন।

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কাৰ এটেনশ্বন কল কৰিম। বিভাগীয় মন্ত্রীয়েই সদনত নাই। Mr. Deputy Speaker Sir, May I know to whom I should draw the attention because it relates to Power Minister who is absent.

*ডঃ জয়নাথ শর্মা ঃ চাৰ, যোৱা কালিও এইটো ঘটনা হৈছে। একেজন মন্ত্রীৰ ক্ষেত্রত এই কথা কালিও উত্থাপিত হৈছিল। সদনত কার্য্যসূচী দেখিছে গতিকে বিভাগীয় মন্ত্রী উপস্থিত নথকা কথাটো কেনেকৈ হ'ব? দহ মিনিট সদন স্থগিত ৰাখিব লাগে চাৰ।

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ Deputy Speaker Sir, I have to draw the attention, when the Power Minister is absent. This is not the way, you are taking it lightly.

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ উপাধ্যক্ষ মহোদয়, এইটো কি ধৰণৰ কথা চাৰ?

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ চাৰ, এক মিনিট সদন বহি থাকিলে কিমান টকা

* Speech not corrected

খৰচ হয় সেই কথা কৈ থাকে অথচ এতিয়া মিনিষ্টাৰ উপস্থিত নাই। কি কৰিব?

*ডঃ জয়নাথ শর্মা ঃ চাৰ, সদন স্থগিত ৰাখিব লাগে। মিনিষ্টাৰ নাই। কল এটেনশ্বন কৰিবলগীয়া মন্ত্রীয়েই নাই। যোৱা কালিও এনে এটা কথা উত্থাপিত হৈছিল আৰু শক্তিমন্ত্রী সদনত উপস্থিত নাছিল। আজিও সেই কথাৰ পুনৰাবৃত্তি হৈছে। এইটো ইচ্ছাকৃত ভাবে কৰিছে নহ'লে আজি আকৌ একে কথাৰে পুনৰাবৃত্তি নহ'লহেতেন। তেখেতে এনে ধৰণে সদনক কি কাৰণত অৱমাননা কৰিছে তাৰ ওপৰত ৰুলিং দিব লাগে।

মাননীয় উপাধ্যক্ষ ঃ ইয়াত দিয়া আছে কার্য্যসূচীত। গতিকে তেখেত উপস্থিত থাকিব লাগে।

(মাননীয় অধ্যক্ষ আহি নিজৰ আসনত উপবিষ্ট হয়।)

মাননীয় অধ্যক্ষ ঃ মই আকৌ কৈছো যে ইয়াত কার্য্যসূচীত যেতিয়া দিয়া হৈছে মিনিষ্টাৰ সকল সেই মতে উপস্থিত থাকিব লাগে। নহলে মোক ইনফৰমেশ্বন দিব লাগে। এইটো যেন পুনৰাই নহয়।

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ৰ দৈনিক জনমভূমিত ২২/৩/৯৫ ইং তাৰিখৰ "এ এছ ই বিৰ মতে অন্ধকাৰ দিনবোৰ বিদূৰ হ'ল" শীর্ষক বাতৰিটোৰ প্রতি দৃষ্টি আকর্ষণ কৰি দুটা কথা সদনৰ মজিয়াত ডাঙি ধৰিব বিচাৰিছো। বাতৰিটোত পৰিবেশন কৰা মতে ২৪ মার্চৰ

---

* Speech not corrected

পৰা কঠালগুৰি প্ৰকল্পত বিদ্যুৎ উৎপাদন হ'ব। উজনি অসমৰ কঠালগুড়ীত উত্তৰ পূৰ্বাঞ্চল বিদ্যুৎ শক্তি নিগম লিমিটেড (নিপকো) নিৰ্মাণ কৰি থকা অসম গেচ ভিত্তিক বিদ্যুৎ প্ৰকল্পটোৰ শুভ উদ্বোধন কৰে কেন্দ্ৰীয় শক্তি মন্ত্ৰী এন. কে. পি. চালভেই ২৪ মাৰ্চ তাৰিখে। তাত হৈছে সদ্যহতে দুটা টাৰবাইন চলোৱা হব আৰু তাৰ পৰা দৈনিক ৩৪ মেগাৱাট বিদ্যুৎ শক্তি উৎপন্ন হব। কঠালগুৰী বিদ্যুৎ প্ৰকল্পটোৰ বিষয়ে যোৱা ৩০ জানুৱাৰীত এই কাকততে এক বিস্তৃত প্ৰতিবেদন প্ৰকাশ পাইছিল আৰু তাত উল্লেখ কৰিছিল যে এই প্ৰকল্পই ৩১ মাৰ্চৰ ভিতৰত দৈনিক ১০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন কৰিব। কিন্তু নেপকোই জনোৱা মতে ২৪ মাৰ্চত ৩৪ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন হব যদিও তাৰ পিচৰ পৰা প্ৰতি মাহে এটাকৈ টাৰবাইনৰ পৰা উৎপাদন কৰা হ'ব আৰু কম সময়ৰ ভিতৰতে নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা যাব। এই প্ৰকল্পটোত ৮৯৫ কোটি টকা খৰচ কৰা হৈছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কঠালগুৰী প্ৰকল্পৰ সুফল বিলাব পাৰিবনে বুলি শংকা প্ৰকাশ কৰা হৈছিল। উৎপাদনৰ বাবে কঠালগুৰী প্ৰকল্প প্ৰস্তুত হৈ উঠাৰ সময়তো পাৱাৰ গ্ৰীডৰ মৰিয়ানী উপ কেন্দ্ৰৰ পৰা বিদ্যুৎ সৰবৰাহৰ বাবে এ. এচ. ই. বি. কাৰিকৰী দিশত প্ৰস্তুত হৈ উঠিছেনে? গতিকে ২৩ মাৰ্চত কঠালগুৰি প্ৰকল্পত উদযাপন আৰম্ভ হোৱাৰ পাছত যোৰহাটকে ধৰি সমগ্ৰ অসমত বিদ্যুতৰ সংকট দূৰ হ'বনে? এই বিলাক বিষয় লৈ ৰাইজৰ আশংকা হৈছে। গতিকে মই মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব পাৰোনে কঠালগুৰি প্ৰকল্পৰ বিদ্যুৎ উৎপাদন আৰম্ভ হোৱাৰ পৰা এ. এচ. ই. বি.য়ে বিজুলী সৰবৰাহ কৰাৰ ক্ষেত্ৰত বিশেষকৈ যোৰাবাটত পাৱাৰ গ্ৰীডৰ ব্যৱস্থা বিলাক কেনে ভাবে লৈছে আৰু কি কি লৈছে সেই বিষয়ে জনাবনে? কিয়নো বাতৰিটোত প্ৰকাশ হোৱা মতে এ. এচ. ই. বি.ৰ অতিৰিক্ত মুখ্য সচিব বিজয় ডেকাই স্পষ্ট ভাৱে জনাইছিল যে কঠালগুৰিয়ে যদি পৰ্য্যাপ্ত পৰিমাণৰ বিদ্যুৎ যোগান ধৰে, তেতিয়াহ'লে বিদ্যুতৰ নাটনি হোৱাৰ প্ৰশ্ন নুঠে আৰু কয় যে কঠালগুৰিয়ে দুদিন পৰীক্ষামূলক ভাৱে আগবঢ়োৱা

বিদ্যুতৰ ল'ড এবাৰৰ বাবে লওতেও যোৰহাটত বিদ্যুৎ কৰ্ত্তন নকৰাকৈ চলাব পৰা যাব। কিন্তু যোৰহাটৰ বাবে পৰ্য্যাপ্ত বিদ্যুতৰ ল'ড লব পৰা কাৰিকৰী ক্ষমতা এ. এছ. ই. বি.ৰ নাই। গড়মূৰ উপকেন্দ্ৰৰ দুটা ট্ৰেন্সফৰ্মাৰৰ ভিতৰত এটা বহুত দিনৰে পৰা বেয়া, গতিকে পৰ্য্যাপ্ত বিদ্যুৎ পালেও সেয়া পৰিষদে যোগান দিব নোৱাৰে। কিন্তু এই কথা দৃঢ়তাৰে অস্বীকাৰ কৰিলে ডেকাই। ডেকাৰ মতে গড়মূৰ উপকেন্দ্ৰৰ দুয়োটা ট্ৰেন্সফৰ্মাৰৰ এটা বিকল হৈ থকাটো সঁচা কিন্তু সেইটোৱে কোনো অসুবিধাৰ সৃষ্টি কৰা নাই। এওঁ কয় যে গড়মূৰৰ দুটা ট্ৰেন্সফৰ্মাৰৰ চলি থকাটোৰ ধাৰণ ক্ষমতা ১২ মেগাৱাট। যোৰহাট কেন্দ্ৰৰ ১১ মেগাৱাট আৰু গড়মূৰত থকা ৩৩ কেবি উপকেন্দ্ৰৰ বিদ্যুৎ ধাৰণ ক্ষমতা ৭ মেগাৱাট। গতিকে এই ট্ৰেন্সফৰ্মাৰ বেয়া হৈ থকাৰ পিচতো যোৰহাটত এতিয়া মুঠ ৩০ মেগাৱাট বিদ্যুৎ ৰাখিব পৰা ক্ষমতা আছে। কিন্তু তাৰ বিপৰীতে যোৰহাটত সৰ্বোচ্চ চাহিদাৰ সময়ছোৱাত বিদ্যুতৰ প্ৰয়োজন হয় মাত্ৰ ১৭ মেগাৱাট। ডেকাই এই কথা স্পষ্ট কৰি কয় যে প্ৰয়োজনীয় বিদ্যুৎ নোপোৱাৰ বাবেই বিদ্যুৎ সংকটৰ সৃষ্টি হয়। ২৪ মার্চত কঠালগুৰিৰ প্ৰকল্প কমিশ্যনিং হ'ব যদিও বিদ্যুৎ পৰিষদে কেতিয়াৰ পৰা কঠালগুৰি প্ৰকল্পৰ বিদ্যুৎ ব্যৱসায়িক ভিত্তিত লয় সেইটো ঠিক হোৱা নাই। অতিৰিক্ত মুখ্য অভিযন্তা ডেকাৰ মতে কঠালগুৰিয়ে পৰ্য্যাপ্ত বিদ্যুতৰ যোগান ধৰিলে কেৱল যোৰহাটতে নহয় মৰিয়ানী উপকেন্দ্ৰৰ পৰা অন্যান্য জিলালৈ বিদ্যুৎ প্ৰবহন কৰিব পৰা যাব। গতিকে অসম বাসীয়ে এতিয়া ধৰি লব পাৰে অসমত অন্ধকাৰছন্ন দিনবোৰৰ অন্ত পৰিল। এতিয়া কথা হ'ল কঠালগুৰি প্ৰকল্প হ'লে পাৱাৰ গ্ৰীডৰ জৰিয়তে গোটেই ফেক্টৰ কাৰণে অসমে কিমান পাব আৰু যোৰহাটৰ চাহিদা

অনুযায়ী কি কাৰণে দিয়া হোৱা নাই আৰু দিয়াৰ কাৰণে কি কি ব্যৱস্থা হৈছে সেই বিষয়ে জনাবনে?

*শ্রীদেৱানন্দ কোঁৱৰ, (শক্তি মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো বাতৰিৰ কথা দৃষ্টি আকর্ষণ কৰিছে সেই বিষয়ে আমাৰ আলোচনা হৈছে। তেখেতে যিটো বাতৰিৰ কথা কৈছে সেই মতে অতিৰিক্ত মুখ্য অভিযন্তাই যিটো কথা কব বিচাৰিছে সেই কথাটো বা তাৰ লক্ষ্যটো তেখেতে কবলৈ যোৱাৰ নিচিনাকে প্রকাশ হোৱা নাই, তেখেতে যিটো এংগোলত কথাটো কৈছিল সেইটো ধৰিব নোৱাৰি বেলেগ ধৰণে বাতৰিটো পৰিবেশন কৰিছে। কঠালগুৰি প্রকল্পটোৰ টেষ্ট কমিচন কৰা হ'ল, তাৰ কেপাচিটি ৩৫.৫ X ৩১০০ মেগাৱাট। তিনিটা টাৰবাইন কমিশ্যন কৰা হ'ল তাৰে দুটা চলি থাকিব আৰু এটা ষ্টেণ্ডবাই থাকিব। এই তিনিটা টাৰবাইন ট্রিকনাইজ কৰি ষ্টেবিলাইজদ কৰিব লাগিব তাৰ পাছত প্রবহন কৰিবলৈ যি হাইট্যেনশ্চন লাইন আছে, সেইটো শ্লো ট্যেনশ্চন লাইনলৈ আনিবলৈ লাইন টানিব লাগিব। প্রযুক্তি বিজ্ঞানৰ ফালৰ পৰা এইটো গ্রহণ কৰা হৈছে যদিও এ. এচ. ই. বি. ক এতিয়াও পাৱাৰ দিয়া হোৱা নাই। তাৰ পাচত একেলেঠাৰীয়ে ৭২ ঘন্টা চলোৱাৰ পাছত চাট ডাউন কৰা হ'ব তাৰ পাচত গ্রীডত ট্রেন্সফাৰ কৰা হ'ব। Point of view availability of Power from the point of view of availability that is from the তেতিয়ালৈকে যোৱহাটলৈকে পাৱাৰৰ দুৰৱস্থা নাথাকিব।

মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া ৰেগুলাৰলি পাৱাৰটো পাব। তেতিয়া আপাৰ অসমত নিশ্চয় বিজুলী শক্তিৰ যিটো নাটনী সেইটো আতৰ কৰিব

* Speech not corrected

পৰা যাব। despite power being available adequately মাননীয় সদস্যৰ জ্ঞাতার্থে কব খুজিছো যে পাৱাৰ এভেইলেবিলিটি হ'লেও নাটনি হ'ব পাৰে যদিহে কোনোবা লাইনৰ বিজুতি হব পাৰে। তেতিয়া হয়তো সেই অঞ্চলত নিশ্চয় পাৱাৰ নাযায় আৰু সেই অঞ্চলত পাৱাৰ নাপাব পাৰে। মাননীয় সদস্য সকলে জানে যে ২/১ ট্রেন্সফর্মাৰ এতিয়াও বেয়া হৈ আছে। আৰু ট্রেন্সফর্মাৰৰ বেয়া হৈ থাকিলে পাৱাৰ নাযায়। From his perceptible a situation and from the point of view of power in that area. মাননীয় সদস্যই জানে যে যোৰহাটত কেইবাটাও ট্রেন্সফৰমাৰ বেয়া হৈ আছে তাৰ কাৰণে পাৱাৰ পোৱা নাই। গতিকে এডিচনেল চীফ ইঞ্জিনিয়াৰে সংবাদদাতাক যিটো মন্তব্য দিছিল সংবাদদাতাই সেইটো পৰিবেশন কৰা নাই আৰু দ্যর্থমূলক বিভ্রান্তিকৰ অৱস্থাৰ সৃষ্টি কৰিছে।

*শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মন্ত্রী মহোদয়ে কৈছে যে পাৱাৰ প্রডিউচ হ'লে ৬৬ মেগাৱাট আমি পাম এইটো এক দুই মাহৰ ভিতৰত পাম বুলি কৈছে Planning and Designing Cell আপুনি তেওঁলোকৰ লগত কথা পাতা নাই নেকি? কাৰণ উৎবুধন কৰাৰ পাচত বেনিফিট পাম বুলি মানুহে ধাৰণা কৰে। গতিকে আপুনি এটা নির্দ্দিষ্ট সময় সীমা বান্ধি দিলে ভাল হয়। তাৰ উপৰি যোৰহাটতত যি কেইটা পাৱাৰ ৰিজার্ভ কৰাৰ কাৰণে ট্রেন্সফর্মাৰ আছে তাৰ ফেজ কেইটা বেয়া হোৱা বাবে চৰকাৰে ১১ কোটি টকাৰে এটা নতুন প্রজেক্ট লৈছে নেকি? যোৰহাটত মোৰ নিজৰ এৰিয়াতে পাৱাৰ আৰু পানী নাই। ট্রেন্সফর্মাৰ বেয়া হৈ থকা কাৰণে পাৱাৰ নাই।

* Speech not corrected

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ উপাধ্যক্ষ মহোদয়, যোৱহাটত দুটা চাব ষ্টেচন আছে। তাৰে গড়মূৱত এটা আৰু যোৱহাট টাউনত এটা ট্রেন্সফর্মাৰ বেয়া হৈ আছে। ৰিপিয়াৰ কৰা কাৰণে ব্যৱস্থা কৰা হৈছে। লিড়ৰ পৰা আনি কেমিকেলাইজ কৰি ৰিপিয়াৰ কৰা ব্যৱস্থা কৰা হৈছে। অতিৰিক্ত পাৱাৰ যেতিয়া হ'ব তেতিয়া সুকীয়া ট্রেন্সফর্মাৰ হ'ব লাগিব। সেই বিলাক ট্রেন্সফর্মাৰে ২২ মেগাৱাট বিচিভ কৰিব পাৰে। এতিয়া যোৱহাটত ২২ মেগাৱাট চলি আছে। ২৫ৰ পৰা ২৭ মেগাৱাট যোৱহাটত আছে। যোৱহাটত যিটো ট্রেন্সফর্মাৰ আছে তাৰ কাৰণে ১৮ মেগাৱাট যথেষ্ট।

*শ্রীনগেন শর্মা ঃ অধ্যক্ষ মহোদয়, কঠালগুৰিটো নেপকোৰ প্রজেক্ট। এ. ই. চি. বি. এ টকা নাপালে কঠালগুৰিয়ে পাৱাৰ দিবলৈ অমান্তি হ'ব।

*শ্রীদেৱানন্দ কোঁৱৰ, (মন্ত্রী) ঃ কঠালগুৰি প্রজেক্টৰ বাবে আমি এক পইচাও দিয়া নাই আৰু তাৰ পৰা পাৱাৰো লোৱা নাই। কিন্তু নেপ্কোৰ পৰা কপিলি প্রজেক্টৰ যি পাৱাৰ দিছে সেই সংক্রান্তত বহুতো টকা আমি দিব লগা আছে। আমি মাহ মাহে ২ আৰু ১.৫০ কোটি টকা দি আছো। আমি নেপকোক ৯০ কোটি টকা দিব লগা আছে। এইটো পুৰনা একোমুলেটেড লাইবিলিটি। এতিয়া কাৰেন্ট ডিউচ ২ বা ডেৰ কোটি টকা দি আছো। এতিয়া কঠালগুৰিৰ পৰা যিটো পাৱাৰ দিব তাৰ বাবে আমি নেপকোৰ লগত পাৰচেজ এগ্রিমেন্ট কৰিব লাগিব। এইটো এতিয়ালৈকে কৱা হোৱা নাই কাৰণ তেওঁলোক কমাৰচিয়েলী সফল হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে ডেফিনিট টাইম বিচাৰিছে সেইটো এতিয়া দিব পৰা নহ'ব। সোনকালে দিয়াৰ বাবে চেষ্টা কৰা হ'ব।

---

* Speech not corrected

*শ্রীনগেন শর্মা ঃ উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ নেচনেল গ্রীড ষ্টেচন হৈছে। যদিহে আমি আগৰ টকা দিব নোৱাৰো তেনেহ'লে পাৱাৰ পশ্চিমবঙ্গ আদিয়ে লৈ যাব আৰু অসমক উলাই কৰিব। নেপকোৰ লগত চুক্তি আছিল যে কঠালগুৰিৰ প্ৰজেক্টটো মেজৰ চেয়াৰটো অসমক দিব।

*শ্রীদেৱানন্দ কোঁৰৰ (মন্ত্রী) ঃ নেপকোই বেলেগক দিব নোৱাৰে কাৰণ ৬০ শতাংশ চেয়াৰ আমাক দিব লাগিব। পশ্চিমবঙ্গত আজি ১০ দিন মানৰ আগতে পাৱাৰৰ অসুবিধা হৈছিল। তাৰ আগতে তেওঁলোকৰ পাৱাৰ চাৰপ্লাচ আছিল। অলপতে আমি ফাৰাক্কাৰ পৰা ১০০ মেগাৱাট পাৱাৰ স্পেচিয়েল এলোটমেণ্ট কৰি আনিছো। আনহাতে পশ্চিমবঙ্গৰ ফাৰাক্কাৰ যিটো একোটেডে কোৱানটিটি সেইটো তেওঁলোকে লবলৈ অমান্তি হৈছে। সেই কাৰণে এন. পি. টি. চি.য়ে ১০০ মেগাৱাট পাৱাৰ এলোট কৰিছে। Specially allotted quantities অসমক ১০০ মেগাৱাট দিয়াৰ বাবে ফাৰাক্কা আৰু কাহাগামে ১৪০০ মেগাৱাট প্ৰডিউচ কৰিব লাগিব। Farakka and Kathalguri in addition directly allot Power from NTPC on regular basis from Farakka and Kathalguri, we will be able to get 1400 MW. যেতিয়ালৈকে কাহালগাম আৰু ফাৰাক্কাই ১৪০০ মেগাৱাট প্ৰডিউচ কৰিব নোৱাৰে তেতিয়ালৈকে আমাক দিব নোৱাৰে। আমাৰ চেয়াৰমেনে তাৰ চেয়াৰমেনৰ লগত কথা পাতিছে। এপ্রিলৰ ভিতৰতে ঘোষণা কৰিব। Including 15% un-alloted resideal Power, from this un allotted resideal Power from Kathalguri and Farakka we are

* Speech not corrected

demanding 100 MW and the power Minister was pleased to allow 100 MW তেতিয়া আমি ১০০ মেগাৱাট পাম। গতিকে নেপকোৰ পাৱাৰ পশ্চিমবঙ্গই লৈ যোৱা কোনো সম্ভাৱনা নাই। West Bengal is very much self sufficient in Power and there surplus of Power West Bengal has refused to receive Power and as a result we will be able to get 100 MW directly from NTCP from Farakka to ASEB. বাকী 15% শতাংশই To the question of synchorinisation of the machine will be stabilised in the state we will be able to get 1400 MW and at that time, we will be able to get 100 MW from Farakka. They are Committed to supply 60% of the total generation of Power to Kathalguri. মাননীয় শর্মা ডাঙৰীয়াই যিটো আশংকা কৰিছে সেইটো নহয়।

*শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো যি কাৰণত তেখেতে মোৰ তিযুক সমষ্টিৰ সন্মুখেৰে অহাযোৱা কৰে। এই সম্পর্কে তেখেতৰ চেম্বাৰতো বহুবাৰ আলোচনা কৰিছিলো তিয়কত ৩৩ হেজাৰ মেগাৱাট এটা চাব ষ্টেচন আছে। এই চাবষ্টেচনটোৱে নিম্নতম সা-সুবিধাখিনিও পোৱা নাই। মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰো যে এই চাব ষ্টেচনটোৱে পাবলগীয়া সা-সুবিধাখিনি অতি সোনকালে দিব লাগে। দ্বিতীয়তে তেখেতে

* Speech not corrected

দুটা ট্রেন্সফর্মাৰ বেয়া হোৱা কাৰণে বিভিন্ন অঞ্চলত বিদ্যুৎ যোগান হোৱা নাই বুলি কৈছে। এই কথাটো সত্য নহয়। যোৰহাটত ৯০টা অধিক ট্রেন্সফর্মাৰ বেয়া হৈ পৰি আছে। আনকি যোৰহাট আৰৰ্ত্ত ভৱনটোত মন্ত্রী থকা সময়ত পোহৰ পোৱা যায়। মইতো তিয়ক ভাগামুখত থাকো সেই অঞ্চলত পোহৰ একেবাৰে নাই। যদিও গ্রাম্য বৈদ্যুতিকৰণ আঁচনি কৰা হৈছে আমি তাৰ পৰা পোহৰ পোৱা নই। গতিকে এই সম্পর্কত অনতি পলমে ব্যৱস্থা গ্রহণ কৰিব নে?

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী) ঃ উপাধ্যক্ষ মহোদয়, দুটা ট্রেন্সফর্মাৰ বেয়া হৈ আছে। মই গোটেই ফিগাৰ বিলাক আনিছিলো আৰু সদনত দিছিলো। যোৰহাট এ. চি. বি. য়ে ২০০০ ট্রেন্সফর্মাৰ কিনাৰ ব্যৱস্থা কৰিছে। তাৰে ৯০০ আহি পাইছে আমি ফাৰাক্কাৰ পৰা ১০০ মেগাৱাট আৰু কঠালগুৰিৰ পৰা ৬০/৭০ মেগাৱাট পাম। এই বছৰতে আমি আৰ. ই. চি. প্রগ্রেম লৈছো। আমাৰ ১০০ কোটি টকাৰ লোন দিছে। এতিয়া আমি ক্ষিপ্রতাৰে আঁচনি তৈয়াৰ কৰিছো। পুৰণা ট্রেন্সফর্মাৰ মেৰামতি কৰাৰ ব্যৱস্থা লৈছো। পাৱাৰ এভেলৰ হলে সকলো ঠাইতে যাতে পোহৰ দিব পাৰো তাৰ ব্যৱস্থা কৰিছো।

MATTER UNDER RULE 301

উপাধ্যক্ষ ঃ এই বিষয়ে যথেষ্ট আলোচনা হৈছে। এতিয়া আইটেম নং ৪ লৈ আহক।

মাননীয় সদস্য আব্দুল জলিল ৰাগিবী।

*শ্রীনজমুল হ'ক ঃ উপাধ্যক্ষ মহোদয়, পইন্ট অৱ অর্ডাৰ আজি প্রাইভেট মেম্বাৰ বিজনেচ।

---

* Speech not corrected

*Shri Nazmul Haque : Sir, point of order.

Mr. Deputy Speaker : What point of order?

*Shri Abdul Jalal Ragibi : Mr. Deputy Speaker, Sir, I would like to draw the attention of the Minister, Irrigation by raising the matter under Rule 301 of the rules of procedure and Conduct of Business in Assam Legislative Assembly relating to 'Imposition of Taxes on irrigated lands by the Department of Irrigation, Assam. Sir, I would like to draw the attention of the Irrigation Minister that this Irrigation Department has imposed extra taxes more or less 18.75 paisa per bigha which has created a great problem on the shoulder of the poor cultivator and it has become totally unbearable on the part of the poor cultivator of the economically backward State like Assam.

উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই অলপ ক'ব বিচাৰিছো। যোৱা ২০/৩/৯৫ তাৰিখে মোৰ এটা তৰাবিহীন প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে অসমৰ পানী যোগানৰ ক্ষেত্ৰত নতুনকৈ যি ক ৰ ধাৰ্য্য কৰা হৈছে তাৰ এটা তালিকা সদনত দাখিল কৰিছিল তাতে খাৰিফ শস্যৰ প্ৰতি বিঘাতে ১৮.৭৫ টকা পইচা, ঘেহু আৰু অন্যান্য ৰবিশস্যৰ ক্ষেত্ৰত ৩৭.৫০ টকা পইচা। মৰাপাটৰ কাৰণে

* Speech not corrected

১০ টকা আৰু কুহিয়াৰৰ কাৰণে ১৮.৮০ পইচা প্ৰতি বিঘা ধাৰ্য্য কৰিছে। উপাধ্যক্ষ মহোদয়, আমি স্বীকাৰ কৰো এটা কথা যে অনুন্নত দেশবোৰত বিশেষকৈ আমাৰ অসমৰ কাৰণে, অসমৰ জনসাধাৰণৰ কল্যান আৰু উন্নয়ণৰ কাৰণে আমাৰ চৰকাৰে যথেষ্ট আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিবোৰৰ সফলতাত, চলি থকা প্ৰক্ৰিয়াত সকলোৱে অবিহণা যোগাব লাগে। এটা কথা চাব, ৰাজহ বিভাগে প্ৰতি বিঘা মাটিৰ কাৰণে এটা খাজানা নিৰ্দ্ধাৰণ কৰিছে, আমাৰ দুখীয়া জনসাধাৰণে সেই বাৰ্ষিক খাজনাও সময় মতে দিব নোৱাৰে যাৰ কাৰণে কেতিয়াবা মাটি নিলামত যায়। মাটি চৰকাৰী হয়। এতিয়া জলসিঞ্চন বিভাগে ৰাইজৰ খেতিৰ মাটিত পানী যোগান ধৰিব আৰু তাৰ কাৰণে বিভাগে ৰাইজৰ পৰা এটা কৰ লব তাত আপত্তি কৰিব নেলাগে কিন্তু বিভাগে এতিয়া যি কৰ ধাৰ্য্য কৰিছে সেইটো বৰ বেছি হৈছে, উচ্চ হাৰৰ হৈছে। খাৰিফত ১৮.৭৫ পইচা পাৰ বিঘা বৰ বেছি হৈছে। অন্যান্যত ৩৭ টকা ৫০ পইচা, আগতীয়া আহু খেতিৰ কাৰণে প্ৰতি বিঘাত ৫০ টকা, মৰাপাট ১০ টকা, কুঁহিয়াৰ ১৮.৮০ পইচা--- এই যে যিটো কৰ ধাৰ্য্য কৰিছে সেইটো দেখাতেই বেছি হৈছে। জলসিঞ্চন বিভাগত এই আঁচনিবোৰ চোৱা মেলা কৰাৰ কাৰণে কিছু সংখ্যক মাষ্টাৰ ৰোল কৰ্ম্মচাৰী আছে -- এই সকলৰ কাৰণেও বিভাগৰ যথেষ্ট খৰচ আছে ইয়াৰ কাৰণে উপকৃত জনসাধাৰণে এটা অংশ দিব লাগে, এইটো মেক আপ কৰিব পৰা যায়। কিন্তু ৰাইজৰ আপত্তি হৈছে যে এই কৰ ধাৰ্য্য অতি উচ্চ হাৰৰ হৈছে। সেই কাৰণে 'কল এটেনচন'ৰ যোগেদি, মই বিভাগীয় মন্ত্ৰী মহোদয়ক, মাননীয় উপাধ্যক্ষৰ যোগেদি অনুৰোধ কৰিব খুজিছো যে অসমৰ দুখীয়া

---

* Speech not corrected

কৃষক সকলৰ আর্থিক অৱস্থাৰ প্রতি লক্ষ্য ৰাখি, এই পানী যোগানৰ কৰ ধার্য্য এক মিনিমাম পর্য্যায়লৈ আনি নির্দ্ধাৰণ কৰিবলাগে। যিমান সম্ভৱ হয় কমলৈ লোৱাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আশাকৰো মন্ত্রী মহোদয়ে এই দিশত চিন্তা কৰি বিহিত ব্যৱস্থা গ্রহণ কৰিব। এইখিনি কৈয়েই মই সামৰণি মাৰিলোঁ।

*ডঃ জয়নাথ শর্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগে কৃষক সকলৰ পৰা পানী যোগানৰ নামত যি কৰ লোৱাৰ ব্যৱস্থা কৰিছে এইটো অলপ আগতীয়া হৈছে। বিভাগে এতিয়া শতকৰা ৫০ ভাগ খেতিৰ মাটিত জলসিঞ্চন কৰিব পৰা নাই। কৃষক সকলক প্রয়োজন অনুসৰি পানী যোগান ধৰিব পৰা নাই। ৭ম পৰিকল্পনাতে আৰম্ভ কৰা আঁচনিয়ে এতিয়াও পানী দিব পৰা নাই। আনহাতে চৰকাৰে যি কৰৰ ব্যৱস্থা কৰিছে এইটো বৰ বেছি হৈছে। শ্রীৰাগিবী ডাঙৰীয়াই উল্লেখ কৰিছে যে আহু খেতিৰ কাৰণে প্রতি বিঘাত ৫০ টকা নির্দ্ধাৰণ কৰিছে সঁচাকৈয়ে এই হাৰ বেছি হৈছে আৰু অতি আগতীয়া হৈছে। উপাধ্যক্ষ মহোদয়, মই এইখিনিতে জলসিঞ্চন মন্ত্রী মহোদয়ক এটা কথা কব খুজিছোঁ - কেন্দ্রীয় চৰকাৰ তথা আমাৰ প্রধানমন্ত্রী আৰু বিত্ত মন্ত্রী মহোদয়ে 'প্রাইভেটাইজেচন' ফৰমুলা গ্রহণ কৰিছে বিভিন্ন ক্ষেত্রত। গতিকে এই কৃষকক পানী যোগান দিয়া ব্যৱস্থাটোও প্রাইভেট পার্টিক দিব পাৰে তেতিয়া প্রাইভেট পার্টিয়ে আঁচনি প্রস্তুত কৰি খেতিয়কক পানী যোগান দিব আৰু তাৰ বিনিময়ত কিছু পৰিমাণে কৰ সংগ্রহ কৰিব। কিন্তু চৰকাৰে খেতিয়কৰ কাৰণে পানী যোগান ধৰি তাৰ ওপৰত কৰ লগাবলৈ যোৱাটো দেখাতেই বৰ বেয়া লগা হৈছে। সেই কাৰণে মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো

* Speech not corrected

এই কৰ লগোৱা ব্যৱস্থাটো যাতে পুনৰ বিবেচনা কৰে। পৰাপক্ষত এইটো ব্যৱস্থা একেবাৰে বন্ধ কৰিব লাগে।

*শ্রীঅতুল বৰা ঃ উপাধ্যক্ষ মহোদয়, এই ব্যৱস্থাই বিভাগক দুর্নীতিত আৰু সহায়হে কৰিব, গতিকে এইটো বন্ধ কৰিব লাগে।

Mr. Deputy Speaker : Minister Irrigation.

Sri Jahirul Islam, Minister, Irrigation : Mr. Deputy Speaker Sir, I would like to give a statement on the subject "Imposition of Taxation Irrigated Lands by the Department of Irrigation, Government of Assam" as raised by the Hon'ble member, Sri Abdul Jalil Ragibi. Sir, whenever water is supplied for the purpose of Irrigation of for any other purpose from a Irrigation work, the State Government is empowered under the provision of the Assam Act No. VIII of 1989 (The Assam Irrigation Act 1983) to levy a separate charge as "Water Rate : for such supply of water at the rate as may be prescribed by the State Government having regards to the cost of the operation and maintenance of the Irrigation works. The Irrigation officer shall serve the notice of demand for the amount of water rates assessed and the person on whom the notice has

been served shall be liable to pay the same within the peirod as will be fixed in this behalf.

As per approval of the State Cabinet, the Irrigation Department notified the imposition of the following water rates vide No. IGN (W) 446/91/16, dated 18-6-92, IGN (W) 286/89/332 dated 28-12-93.

1. Khariff Crops	Rs. 18.75 per bigha	Rs. 140.62 per bigha
2. Early Ahu and Ahu Crop	Rs. 50.00 "	Rs. 375.50 "
3. Wheat and other	Rs. 37.50 "	Rs. 281.25 "
4. Robi Crop	Rs. 10.00 "	Rs. 75.00 "
5. Sugar cane	Rs. 14.80 "	Rs. 111.00 "

The total estimated water rate proposed to be collected from the khariff programme 1994 and Rabbi and pre khariff 1994-95 is shown below :-

Khariff programme 1994.

Name of crop	Area in Hectare as per programme	Water-rate	Amount Rs. in Lakhs
Regular Ahu	24076	375.00	90.00
Sali Paddy	194261	140.62	272.80
Boro Paddy	8775	140.62	11.25
Jute	1335	75.00	.98
Others	910	111.00	99
Total	**229.357**		**375.02**

Rabi and Pre Khariff 1994-95

Name of crop	Area in Hectare as per programme	Water-rate	Amount Rs. Rs. in Lakhs
Wheat	6599	281.25	18.65
Oil Seeds	3876	281.25	10.97
Early Ahu	47436	375.50	175.45
Boro Paddy	9413	281.25	26.44
Pulses	2471	281.25	7.03
Others	3303	261.25	10.84
Total	**76398**		**258.33**

Grand Total 3,05755 hectares 633.35 lakhs (Out of 4,66500 hectares).

On the other hand, the amount required for proper operation and maintanance of the schemes is about Rs. 80.59 crores as per rates submitted in the memorandum by the Government of Assam to the Ninth Finance Commission, the break-ups of which is given below :-

(i) For Flow @ Rs. 904.00/ hec = 2,52,417 x 904
= Rs. 2281 Lakhs

(ii) For lift @Rs. 1458.00/hec = 2,13,963 x 1458
= Rs. 3120 Lakhs

(iii) For GW @Rs. 17500.00/hec = 1,51,9161750
= Rs. 2658 Lakhs

Thus, the total requirement is more than Rs. 80.00 crores while the realisation through water rates has been proposed only amount Rs. 6.00 crores i.e. even less than 10 percent of amount required for operation and maintenance Head of Account.

Allmost all the States of the country are collecting water rates. Even the States of Manipur and Tripura of the North East, are also collecting water rates. The comperison in the water rates between Assam and the neighbouring state of West Bangal where the climatic condition/cultivation culture is similar are follows :-

Name of crop.	Assam Rate/hec	West Bengal/hec
1. Khariff Sail Paddy	Rs. 140.62 Lakhs	Rs. 148.26 Lakhs
2. Early Ahu	Rs. 375.50 Lakhs	Rs. 308.89 Lakhs
3. Wheat and Other Rabi Crop.	Rs. 281.25 Lakhs Rs. 247.11 Lakhs	Rs. 148.26 Lakhs
4. Jute	Rs.75.00 Lakhs	Rs. 148.26 Lakhs
5. Sugar Cane	Rs. 111.00	Rs. 370.66 Lakhs
6. Boro		Rs. 593.06 Lakhs

With their introduction of the levey of water rates, it is considered that the awarencess and responsibility of the irrigatic potential will be exercised more vigorously by the Departmental people as well as the beneficiary farmare service there will have to proper accounts for this sources.

গতিকে উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুল জলীল ৰাগিবী আৰু শ্রীজয়নাথ শর্মা ডাঙৰীয়াই যিখিনি কথা কৈছে, সেইখিনিৰ ওপৰত মোৰ সম্পূর্ণ সহানুভূতি আছে। তথাপি মই কব লাগিব, আমাৰ অপাৰেচন আৰু মেইন্টেনেন্সৰ বাবে যিখিনি টকা চেংচন হয় সেই টকাৰে আমাৰ সকলোবিলাক আঁচনি কার্য্যক্ষম কৰাতো সম্ভৱপৰ নহয়। তাৰোপৰি ননপ্লেনৰ পৰা অপাৰেচন আৰু মেইন্টেনেঞ্চৰ যিখিনি টকা দিয়ে, সেইয়া অতি কম। বর্ত্তমান অৱস্থাত আমাক ৮০ কোটি টকাৰ দৰকাৰ। আমি ননপ্লেনৰ পৰা ১৪ কোটি টকা পাইছিলো তাৰ পৰা চেলেৰী, ওৱৰ্কার্জ পেমেন্ট, মাষ্টাৰৰোল পেমেন্ট আদি দিয়াৰ পিচত আমাৰ হাতত থাকিল ২ কোটি ৬৫ লাখ টকা অপাৰেচন আৰু মেইন্টেনেঞ্চৰ কাৰণে। ইমান কম টকাৰে হাজাৰ হাজাৰ, শ শ স্কীম মেইন্টেনেঞ্চ কৰা সম্ভৱ নহয়। তথাপি আমি ইংৰাজীত কৰিছো। শ্রীজয়নাথ শর্ম্মাই আৰু এটা কথা কৈছে যে জলসিঞ্চন আঁচনি বিলাক প্রাইভেট পার্টিক আহিলে আমি 'ওৱেলকম' কৰিম। উপাধ্যক্ষ মহোদয়, ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত আমি বহুত কম ধার্য্য কৰিছো। মই তুলনা দিব পাৰো কিন্তু তুলনা দি লাভ নাই। আমাৰ খেতিয়ক সকলৰ অৱস্থা মই জানো সেই কাৰণে যিমান কম কৈ ধৰিব পাৰি সিমানেই ধৰা হৈছে। উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিছো,

এডোখৰ খেতিত বেচি বস্তু নিদিয়াকৈ অকল পানী দি তাত ৩০ শতাংশ উৎপাদন বঢ়াব পাৰি। কোনো সাৰ আদি নিদিয়াকৈ। এবিঘা মাটিত যদি ৪ মোন আহুধান হয়, তাত জলসিঞ্চনৰ পানী যোগান ধৰাৰ পিচত অতি কমেও চাৰে পাঁচ মোন ধান উৎপাদন হ'ব। তাত ডেৰমোন ধান বেচি পাব। ডেৰ মোন ধানৰ দাম কিমান, গতিকে মাত্ৰ ১৮ টকাত তেওঁলোকে ডেৰ মোন ধান পালে। গতিকে ১৮ টকা খৰচ কৰি এক বিঘা মাটিত পানী যোগান লোৱাটো বৰ কষ্টকৰ হ'ব নালাগে। মই নিজেও খেতিয়ক, মোৰ ঘৰত খেতিবাতি আছে, গতিকে ১৮ টকা বেছি হোৱা বুলি নাভাবো। গোটেই ভাৰতবৰ্ষৰ তুলনাত আমাৰ ইয়াতে বহুত কম হৈ আছে। প্লেনিং কমিচনেও আমাক বাৰে বাৰে তাগিদা দি আছে। তথাপি আমি ১০ শতাংশ তলত কৰিছো আৰু কেবিনেটৰ সিদ্ধান্ত অনুসৰিহে এই কৰ আমি আৰোপ কৰিছো। মই ভাবো, মাননীয় সদস্যসকলে এইটো অনুধাৱন কৰি খেতিয়ক সকলৰ স্বাৰ্থত এই কথা মানি ল'ব।

*শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছোঁ, আমি জনা মতে অসমৰ বেচিভাগ জলসিঞ্চন আঁচনিয়েই অচল হৈ আছে। আজি যি ৰেট বঢ়াইছে, এইটো জলসিঞ্চন আঁচনি আছে নে নাই, সেইটোৰ ওপৰত নিৰ্ভৰ কৰি ৰেট আদায় কৰা হৈছে নে সেই বিষয়ত কোনো সম্পৰ্ক নৰখাকৈ যিবোৰ এলেকা এই আঁচনি আছে সেই অঞ্চলৰ খেতিয়ক সকলৰ ওপৰত এই কৰ ধাৰ্য্য কৰা হৈছে। কাৰণ জলসিঞ্চনৰ উদ্দেশ্য, শস্য উৎপাদন বৃদ্ধি কৰা। যদি শস্য উৎপাদন সমগ্ৰ দেশত বৃদ্ধি হোৱা নাই তেনেহলে এই কৰ ধাৰ্য্য কৰা যুক্তিযুক্ততা

* Speech not corrected

থাকিব নোৱাৰে। মই জানিব বিচাৰিছো, এই কৰ কাৰ পৰা আদায় কৰা হৈছে, যিবিলাক মাটিত জলসিঞ্চনৰ পানী পাইছে সেই বিলাকৰ পৰা আদায় কৰা হৈছে নে, সকলোৰে পৰা আদায় কৰা হৈছে?

*শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গিয়াচুদ্দিন আহমেদ চাহাবে কৰা প্রশ্নটোৰ উত্তৰ হৈছে, জলসিঞ্চন নথকা বা জলসিঞ্চনৰ পানী নোপোৱা খেতিয়ক সকলৰ পৰা কৰ লোৱাৰ প্রশ্নই নুঠে। আমাৰ যিবিলাক আঁচনিত পানী যোগান দি থকা হৈছে তাত ৰেজিষ্টাৰ থাকে তেওঁলোকৰ কাগজ পঠ থাকে। তাত খেতিয়ক সকলৰ চহী লোৱাৰ পিচত হে কৰ লোৱাৰ ব্যৱস্থা আছে।

*শ্রীঅতুল বৰা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাহিৰৰ ৰাজ্যৰ লগত অসমৰ কথা তুলনা কৰিব নোৱাৰি। বাহিৰত জমিদাৰী প্রথা এতিয়াও চলি আছে। কিন্তু অসমত সেই প্রথা নাই। অসমৰ খেতিয়কৰ মাটি আছে, নাঙল আছে। সৰু সৰু খেতিয়ক। গতিকে সৰু সৰু খেতিয়কে টেক্স বা কৰ দিবলগীয়া হোৱাটোত আমাৰ আপত্তি আছে। বিহাৰ, পাঞ্জাৱ আদি ৰাজ্যত মাটিৰ মালিকবিলাক একো একোজন ডাঙৰ জমিদাৰ। তেওঁলোকে নিজৰ হাজাৰ হাজাৰ বিঘা মাটিত খেতি কৰাৰ বাবে শ্রমিক পুহি ৰাখে। তাৰে অৱস্থা আৰু অসমৰ খেতিয়কৰ অৱস্থা একে নহয়। আমাৰ ইয়াৰ খেতিয়কৰ বেছিভাগৰেই ১০ বিঘা, ১৫ বিঘা, ২০ বিঘা নিজা মাটি আছে আৰু নিজে খেতি কৰে। উপাধ্যক্ষ মহোদয়, লগতে আৰু এটা কথা হ'ল সাৰৰ কথাটো। অসমৰ যি কেইটা সাৰ কাৰখানা আছে আজি প্রায় বন্ধ হোৱাৰ পথত। সাৰ চৰাকৰে কিনি জনসাধাৰণক

* Speech not corrected

নিদিয়ে। খেতিয়কে নিজে বাহিৰৰ পৰা ক্রয় কৰিব লাগে। বৰ্ত্তমান অৱস্থাত সাৰৰ দাম দুগুণে চৰি গৈছে। কীট-পতঙ্গ, পোক-পৰুৱাই খেতি পথাৰৰ শস্য খাই নষ্ট কৰে। চৰকাৰে খেতিয়কক সাৰ ৰেহাই মূল্যত দিব লাগে, ৰেহাই মূল্যত কীট নাশক ঔষধ দিব লাগে। কিন্তু চৰকাৰে এইবিলাক নকৰি পানীৰ ওপৰত টেক্স বহুৱাইছে। গতিকে এই কথাটোত আমাৰ আপত্তি আছে। এইটো কৰাৰ ফলত সৰু সৰু খেতিয়কে ভুগিব লগা হৈছে। অসমৰ যি কেইটা জলসিঞ্চন প্রকল্প আছে সেইবিলাকৰ ২০ শতাংশহে কার্য্যক্ষম হৈ আছে। কিন্তু অসমৰ বাহিৰৰ ৰাজ্য বিলাকত জলসিঞ্চন আঁচনিবিলাক ১০০ শতাংশই কার্য্যক্ষম। উপাধ্যক্ষ মহোদয়, যোৱা ১ এপ্রিলৰ দিনা জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে নিজে গৈ ডিমৰীয়া জলসিঞ্চন প্রকল্পটো উদ্বোধন কৰিছে। বাতৰি কাকতত ফটো সহকাৰে ওলাইছে। তেখেতে তাত যিমান বিলাক নলা থকা বুলি উল্লেখ কৰিছে। কিন্তু আচলতে তাৰে আধাও নাই। তেখেতে ইমান ভুল তথ্য জনসাধাৰণক দিছে। এই কথাটো ডিমৰীয়াৰ কাষৰ মানুহখিনিয়েহে জানিব বাকী মানুহবিলাকে সঁচা বুলিয়ে ভাবিব। আকৌ এটা কথা হ'ল। অসমৰ যিবিলাক জলসিঞ্চন আঁচনি আছে সেইবিলাকৰ ৮০ শতাংশই বন্ধ হৈ থাকে। যিবিলাক চলি আছে তাতে ১ ঘন্টা, ২ ঘন্টা ইলেকট্রিক কাৰেন্ট থকা সময়খিনিহে চলি থাকে। বাকীখিনি সময় বন্ধ হৈ থাকে। ইত্যাদি বহুত কথা। গতিকে মই ভাবো খেতিয়কৰ ওপৰত যি জল কৰ লগাইছে সেইটো বিবেচনা কৰি ব্যৱস্থা লব।

*শ্রীআব্দুল জলিল ৰাগীবি ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ চৰকাৰৰ টেক্স লগোৱা পাৰাৰ আছে। বিভাগৰো অধিকাৰ আছে কৰ নির্দ্ধাৰণৰ

* Speech not corrected

ক্ষেত্রত। সেই কথাটো আমি অস্বীকাৰ নকৰো। মন্ত্রী মহোদয়ে, অসমৰ বাহিৰৰ ৰাজ্যবিলাকত থকা পানী যোগান কৰব কথা কৈছে। সেইটোও আমি অস্বীকাৰ নকৰো। মাননীয় সদস্য শ্রীঅতুল বৰা ডাঙৰীয়াই কৈছেই অসমৰ কৃষকৰ অৱস্থা বাকী ৰাজ্যৰ লগত একে নহয়। অসমৰ খেতিয়কৰ অৱস্থা পশ্চিমবঙ্গ, মণিপুৰ, ত্রিপুৰা আদি ৰাজ্যৰ লগত তুলনাতো অলপ বেলেগ ধৰণৰ। আমাৰ খেতিয়কৰ অৱস্থা অলপ দুর্বল। সেই কাৰণে অসমৰ বিভিন্ন বিভাগৰ আঁচনিত চাবচিদি দিয়া হয়। কৃষকক ট্রেক্টৰ দিয়াৰ ব্যৱস্থা কৰিছে সেইটোতো চাবচিদিৰ ব্যৱস্থা আছে। খেতিয়কক সহায় কৰাৰ কাৰণে চৰকাৰে সমভাৱে নিজৰ ফালৰ পৰা চাবচিদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। জলসিঞ্চন বিভাগৰ যিমান টকাৰ প্রয়োজন সেই টকা পূৰাবলৈ যিবিলাক কৃষকে পানী লয় সেই বিলাকৰ পৰা ১০ শতাংশ হিচাবে লোৱাৰ ব্যৱস্থা লৈছে। মই বিভাগীয় মন্ত্রীক অনুৰোধ কৰিব খুজিছো তেখেতে অসমৰ দুখীয়া কৃষকৰ আর্থসামাজিক অৱস্থালৈ চাই চাবচিদি দিয়াৰ ব্যৱস্থা কৰিব লগা হৈছে। যিবিলাকত ৫০ টকা হয় তাত ২৫ টকা চৰকাৰৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু য'ত ১০ টকা হয় তাত ৫ টকা ৰেহাই দিয়াৰ কথা পুনৰ বিবেচনা কৰিব নোৱাৰে নে? জলসিঞ্চন বিভাগৰ মন্ত্রীয়ে এই টেক্স ৰেহাই দিয়াৰ কথাটো পুনৰ বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছোঁ।

*শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো আমি এই আঁচনিবিলাক মেইন্টেনেন্সৰ কাৰণে কোনো টকা নাপাওঁ। যন্ত্রপাতিবিলাক মেৰামত কৰাৰ বাবে প্রয়োজনীয় টকা পোৱাৰ উপায় নাই। আপোনালোকে জানেই

* Speech not corrected

অসমত বর্ত্তমান ১৩টা মেজৰ আঁচনি অন গোইং অৱস্থাত আছে। শেষ কৰিব পৰা নাই। ইয়াৰ উপৰি ৩৩টা মাইনৰ ইৰিগেছনৰ কাম চলি আছে। এইখিনি শেষ কৰিবলৈ আমাৰ ৪৫০ কোটি টকাৰ দৰকাৰ। গতিকে ইমান টকা খৰচ কৰা সম্ভৱ নহয় আমাৰ সাধাৰণতে ইৰিগেছন অপাৰেছন কৰি থাকিলে এটা সময়ত তাক মেৰামতি কৰাৰ দৰকাৰ হয়। সেইবিলাক এতিয়া মর্ডানাইজ কৰা দৰকাৰ। এইবিলাক বছৰৰ পিছত বছৰ চলি আছে। এই মেচিন বিলাকৰ এক নির্দ্দিষ্ট পৰিমাণৰ আয়ুকাল থাকে। ১৫/২০ বছৰ আয়ুকাল শেষ হ'লে তাত নতুনকৈ মেচিন লগাব লগা হয়। সেইবিলাক মেইন্টেইন কৰিব লগা হয়। উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলৰ কথা আমি বুজিছো। আমাৰ বিভাগে বুজে। এক্সট্রা টেক্স নাপালে এইবিলাক আঁচনি চলোৱাৰ বাবে আমাৰ হাতত অন্য কোনো উপায় নাই। মাননীয় সদস্য শ্রীঅতুল বৰা ডাঙৰীয়া আমি ডিমৰীয়া আঁচনি উদ্বোধন কৰোতে ফাঁকি দিয়া বুলি কৈছে। ফাঁকি মই দিয়া নাই। ফাঁকি কিয় দিম? ফাঁকি দিলে আপুনি মোক নধৰিব, আপোনাৰ সমষ্টিতে যিহেতু সেইটো আছে। মই ফাঁকি দিয়া নাই। ফাঁকি দিয়াৰ ইচ্ছাও নাই। এই ক্ষেত্রত অসমৰ কৃষক আৰু আপোনালোকে মোৰ কথা অনুধাবন কৰিব। জল কৰৰ ক্ষেত্রত নিশ্চয় মোক সমর্থন কৰিব। এই কথাখিনি কৈ মোৰ বক্তব্য সামৰিছো।

*শ্রীনজমূল হ'ক ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গোৱালপাৰা সংমণ্ডলৰ অধীনত মই নিজে গৈ আহিছো। তাৰ জলসিঞ্চন ব্যৱস্থাৰ অৱস্থা বৰ দুর্ভাগ্যজনক। যেতিয়া ইৰগিছেন কৰাৰ কাৰণে মেছিন ষ্টার্ট কৰা হয় তেতিয়া তাৰ মানুহে বস্তা লৈ তালৈ যায়। যাতে ফুটাৰে

* Speech not corrected

পানী আহিব নোৱাৰে। তাৰে পানীত ৬০ ভাগ আইৰণ আছে। তাৰ খেতি পথাৰ হালধীয়া হৈ গৈছে। গতিকে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো তেখেতে বিভাগৰ অফিচাৰ লগত লৈ নিজে সেই আঁচনি পৰীক্ষা কৰি চাই আহিব।

*শ্রীজেহিৰুল ইচলাম (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো চোৱা হ'ব।

*শ্রীমহিবুল হ'ক ঃ মাননীয় উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ এই বিষয়টোৰ ওপৰত যিখিনি কথা কোৱা হ'ল মই তালৈ যাব খোজা নাই। মই মাত্র মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আমাৰ অসমত সৰু সৰু খেতিয়কৰ বাবে উপযোগী ব্যৱস্থা হ'ল ঢেকী পাম্প ব্যৱস্থাটো। এই ঢেকী পাম্প ব্যৱস্থাটো মোৰ নিজৰ সমষ্টিতো আছে ধুবুৰী আদি বিভিন্ন ঠাইত এই ব্যৱস্থাটো ফলপ্রসু হৈ উঠা দেখা গৈছে। এটা ঢেকী পাম্পত খৰচ পৰে মাত্র ১ হাজাৰ টকাহে। এই বিষয়ে জিৰ' আৱাৰৰ সময়তো আমি বিভাগীয় মন্ত্রীক অনুৰোধ কৰিছো। এতিয়াও জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো। তেখেতে গোটেই অসমতে চালি-জাৰি চাই বিনামূলীয়াকৈ ঢেকী পাম্প দিয়াৰ ব্যৱস্থা কৰিব। কাৰণ এই ব্যৱস্থাত কোনো অসুবিধা নাই। ঢেকী পাম্পৰ ব্যৱস্থা কৰি দিলে খেতিয়কসকল উপকৃত হ'ব। গতিকে জলসিঞ্চন বিভাগে এই ব্যৱস্থা লব বুলি মই বিভাগীয় মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলো।

*শ্রীহিতেশ্বৰ ডেকা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে অসম বিধান সভাৰ মজিয়াত জলসিঞ্চনৰ কথাটো উল্লেখ কৰিছে আৰু মন্ত্রী মহোদয়ে উত্তৰত দিছিল আৰু প্রশ্নটো বিপিটেডলি কৈছিল যিবিলাক মানুহে

* Speech not corrected

জলসিঞ্চনৰ পানী নেপায় কৰ দিব নেলাগে। তেখেতে বিধানসভাৰ মজিয়াতে কৈছিল গোৰেশ্বৰ শুক্লা জলসিঞ্চন প্ৰকল্পত কি হৈছে। বিধান সভা শেষ হ'লে আপুনি গৈ তাত প্ৰমাণ কৰক। এই প্ৰকল্পটো ২৫ হেজাৰ হেক্টৰ মাটি সামৰি লোৱাৰ কথা আছিল। এই আঁচনিৰ একেবাৰে শেষ পইন্টত থকা খেতিয়কে পানী নেপাবও পাৰে। তেনেকুৱা উদাহৰণ মোৰ হাতত আছে। আপুনি বিধান সভাৰ মজিয়াতে কৈছিল পানী নোপোৱা সকলে টেক্স দিব নেলাগে। আমি সদায়েই কৈ আহিছো যে কৃষি খণ্ডত গুৰুত্ব দিব লাগে। আজি কৃষকৰ ওপৰত যি টেক্স লগোৱা হৈছে সেইটো বাতিল কৰিব লাগে। আজি কৃষকক পানী দিয়াৰ নামত যি কৰ লগোৱা হৈছে সেইটো এক মিনিটো বিলম্ব নকৰি এই বিধান সভাতে বাতিল কৰিব লাগে সেইটো নকৰিলে কৃষকৰ ওপৰত কি গুৰুত্ব দিয়া হব। আজি আপোনালোকে বাজেটত কৈছিল কৃষকৰ ওপৰত গুৰুত্ব দিব। আজি এই টেক্স লগোৱাৰ নামত বছৰি ৬ কোটি টকা আহিব বুলি কৈছে। আমাৰ মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই কোৱাৰ দৰে পাঞ্জাৰ, ইউ. পি.ৰ লগত উদাহৰণ দিলে নহ'ব। ইউ. পি.ৰ মাটি আৰু আমাৰ মাটিৰ লগত কেনেকৈ তুলনা হ'ব। গতিকে মই ভাবো জলসিঞ্চনৰ নামত যি টেক্স লগোৱা হৈছে সেইটো বাতিল কৰিব লাগে।

*শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কৃষকৰ স্বাৰ্থৰ ওপৰতহে এই টেক্স বঢ়োৱা হৈছে। মাননীয় সদস্য শ্ৰীনজমূল হ'ক ডাঙৰীয়াই ঢেকী পাম্পৰ বিষয়ে কৈছে। এইটো এই বিভাগত ১৯৭৬ চনৰে পৰাই হৈছে। পাঞ্জাৰ, হাৰিয়ানাতো

* Speech not corrected

হৈছে। গোটেই অসমতে জলসিঞ্চন কৰিবলৈ হ'লে বহু সময় লাগিব সেইকাৰণে কৃষকক পানী দিয়াৰ কাৰণে বিভিন্ন ধৰণে ব্যৱস্থা কৰিব লাগে এই ঢেকী পাম্প কিনিবলৈ হ'লে ৪শ টকা লাগে। মোৰ সমষ্টিত বাইজে নিজেই কিনি লৈছে। আমাৰ বিভাগৰ পৰা এই পাম্প গোটেই অসমতে যোগান ধৰিব পৰা নহ'ব। আমাৰ টকা সীমিত। এইটো ইউনাইটেড ফাণ্ড বা ডি. আৰ. ডি. এ. ফান্দৰ পৰা লৈ নমুনা হিচাপে ল' লেয়িং এৰিয়াত ইয়ুজ কৰিব পৰা যায়। প্লেনিং কমিটিত মুখ্যমন্ত্রী ডাঙৰীয়াই অনুৰোধ কৰিছিল যে এইটো প্রত্যেক ডিষ্ট্রিক বা চাবডিভিজনত যাতে লোৱা যায় সেইটো নির্দেশ দিছিল। য'ত পানী সোনকালে ওলায় তাত দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়। গতিকে আইটাইড ফাণ্ড বা ডি. আৰ. ডি. এ. ফাণ্ডৰ পৰা লোৱাৰ ব্যৱস্থা কৰিলে ভাল হয় যিহেতু আমাৰ ফাণ্ড বেছি নাই।

*শ্রীনগেন শর্ম্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি ১৮ ভাগ মাটিত জলসিঞ্চনৰ ব্যৱস্থা আছে। ব্রহ্মপুত্রৰ নিচিনা এখন নদী থকা স্বত্বেও আনকি ভাৰতৰ কোনো ৰাজ্যত আমাৰ নিচিনা সুবিধা নাই য'ত আমাৰ ৰাজ্যত মাত্র ১৮ ভাগ মাটিতহে পানী জলসিঞ্চন ব্যৱস্থা কৰা হৈছে। এতিয়ালৈকে ২০/২৫ বছৰ পাৰ হৈ গ'ল আমাৰ ৰাজ্যত জলসিঞ্চন বিভাগে একো কাম কৰিব পৰা নাই। ধনশিৰি প্রকল্প, বৰলিয়া প্রকল্পৰ কাম এতিয়ালৈকে একো কৰিব পৰা নাই। সেই বিলাকৰ ওপৰত বিভাগে একো গুৰুত্ব দিয়া নাই। আজি সৰু-সুৰা কৃষকৰ ওপৰত টেক্স লগোৱা ব্যৱস্থা কৰিছে? আজি এই বিধান সভাতে আপোনালোকে অসমত পানী যোগান দিয়াৰ

* Speech not corrected

প্রতিশ্রুতি দিয়ক। আৰু কৃষকৰ ওপৰত যি কৰ ধার্য্য কৰিছে সেইটো ৰেহাই দিয়া হ'বনে নহয়?

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিবিলাক জলসিঞ্চনৰ আঁচনি এতিয়ালৈকে বিশেষকৈ ডিপ টিউৱেলেই হওঁক বা অন্যান্যই হওঁক, সম্পূর্ণ হোৱা নাই সেইবিলাক সম্পূর্ণ কৰিব লগা মোৰ সমষ্টিত কালদিয়া নদী আৰু কপিলি নদীৰ ১৯৮৫-৮৬ চনতে ডিপ টিউৱেল দিয়াৰ কাম আৰম্ভ কৰিছিল সেই কাম এতিয়ালৈকে শেষ হোৱা নাই। আমি শুনিছো যে কপিলিত কাম কৰাৰ কাৰণে বছৰি বছৰি টকা দিয়া হৈছে, সেই টকা ক'ত গৈছে নেজানো। ধনশিৰিত প্রকল্পৰ কাম লোৱা আজি ২০/৩০ বছৰ পাৰ হৈ গ'ল। মান কাছাৰৰ জলসিঞ্চন আঁচনিৰ কাম বিকল অৱস্থাত আছে। আজি সেই বিলাক অৱস্থা উন্নত কৰাৰ কাৰণে মাননীয় মন্ত্রী গৰাকীয়ে ব্যৱস্থা গ্রহণ কৰিছে নে? সেইবিলাকৰ ওপৰত কি ব্যৱস্থা লৈছে? আজি কৃষকৰ ওপৰত কৰ জাপি দিয়া হৈছে। মন্ত্রী মহোদয়ে গোটেই বিষয়টো চাই য'ত বিকল অৱস্থাত থকা ডিপ টিউৱেল কেইটা ভাল অৱস্থালৈ অনাৰ ব্যৱস্থা গ্রহণ কৰিব নে? সেয়েহে এই কাম বিলাক নোহোৱাকৈ কৃষকৰ ওপৰত আৰোপ কৰা কৰ উঠাই লবলৈ অনুৰোধ থাকিল।

*শ্রীথানেশ্বৰ বড়ো ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো ডিচকাচ হৈছে সেইটো বৰ ইম্পৰটেন্ট ডিচকাচন হৈছে। মই এইক্ষেত্রত কেইটামান পৰামর্শ আগবঢ়াব খুজিছো। আজি যিটো অসমৰ খেতিয়কৰ ওপৰত কৰ লগোৱা হৈছে সেইটো প্রকৃততে অসমৰ খেতিয়কৰ ওপৰত কৰ লগাব পৰা অৱস্থা হোৱা নাই। কৃষকক

* Speech not corrected

মটিভেট কৰিব লাগে। অসমত জলসিঞ্চন ব্যৱস্থাটো চিচটেমিটিক ভাৱে হোৱা নাই। আচলতে এই বিভাগটোৱে এগ্রিকালচাৰ, ৰেভিনিউ আদি বিভাগৰ লগত আলোচনা কৰি ব্যৱস্থা গ্রহণ কৰিব লাগে। পাঞ্জাৱ, হাৰিয়ানাত এক্ট ইমপ্লিমেন্ট কৰিছে। বিহাৰত টোক বান্ধ ১৯৬০ চনৰ পৰা কনচলিডেচন অৱ লেণ্ড হলডিং এক্ট পাচ হৈছিল যদিও কিপ্ট ইন অবেয়েন্স হৈ আছে। কনচলিডেচন অৱ এক্ট লেণ্ড হলডিং এক্টৰ ওপৰত কৃষকক মটিভেট কৰিব লাগে। এৰিগেচনৰ টেক্স কিপ্ট ইন আবেয়েন্স কৰিব লাগে টেক্স ইমপজ কৰিব নেলাগে। টেক্সটো বঢ়োৱাৰ আগতে কৃষকৰ লগত আলোচনা কৰিব লাগিছিল। এইটো জলসিঞ্চন বিভাগে কৃষি বিভাগৰ লগত আলোচনা কৰি কৃষি বিভাগৰ লগত সহযোগ কৰি কৰিব লাগে। এইটোৱেই মোৰ পৰামর্শ।

*শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আলোচনা হৈছে। জলসিঞ্চন দিয়া মাটিৰ ওপৰত যিটো কৰ লগোৱা হৈছে তাৰ ওপৰত আলোচনা হৈছে। মাননীয় মন্ত্রীক মই অনুৰোধ জনাইছো পুনৰ বিবেচনা কৰি এই কৰটো উঠাই লব লাগে। আজি চৰকাৰী ভাৱে হিচাব দিছে, সর্বমুঠ জলসিঞ্চন দিয়া খেতিৰ মাটি শতকৰা ১৮ ভাগ কিন্তু আমি জনাত অসমৰ জলসিঞ্চন দিয়া মাটিৰ পৰিমাণ শতকৰা ৬ ভাগ দিব পৰা নাই। শতকৰা ৬ ভাগ হ'ব নোৱাৰে। আমাৰ অসমত য'ত শতকৰা ৬ ভাগ মাটিত, খেতিৰ মাটিত জলসিঞ্চন দিব পৰা নাই তাত বৃহৎ জলসিঞ্চন আঁচনিৰ মূল্য নাই। আমি দেখিছো ভয়াবহ বিপদতো হৈছে ধনশ্রী প্রজেক্ট। এইটো এটা ডাঙৰ প্রজেক্ট। এই ধনশ্রী প্রজেক্টৰ দ্বাৰা ১০ হেজাৰ বিঘা মাটিত পানী দিব পাৰে। কিন্তু

* Speech not corrected

সেই প্রজেক্টটোৰে আজিলৈকে দহ টোপাল পানী দিব পৰা নাই। এই ১০ হেজাৰ বিঘা মাটিত এই প্রজেক্টটোৰে পানী দিব পাৰিব লগতে এই ১০ হেজাৰ বিঘা মাটিত খেতি কৰা কৃষকে পানী যোগানৰ ক্ষেত্রত টেক্স দিব লাগিব। লগতে মই মাননীয় মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো -- ডিফুৰ পৰা ২ কিঃ মিঃ মান অহাৰ পিচত এঠাইত এটা ইৰিগেশ্যন স্কীম আছে -- মই এইটো নিজে চাই আহিছো, মাননীয় মন্ত্রী গলে চাই আহিব -- পাহাৰৰ ওপৰত এই স্কীমটোত ৪ লাখৰ পৰা চাৰে চাৰি লাখ টকা খৰচ কৰিছে। সেইটোৰে এতিয়াও পানী দি আছে। সেইটোৰ আৰ্হি লৈ অসমৰ মাটিৰ জলসিঞ্চনৰ দ্বাৰা কাভাৰ কৰিব পাৰিব। এনে ধৰণৰ ক্ষুদ্র জলসিঞ্চন আঁচনিৰ দ্বাৰা কাম কৰিব পৰা যাব। আপোনালোকে দেখিব কিছুমান গাওঁ অঞ্চলত নৈ আছে এই খৰালী কালটো তাত ১৫/২০ ফুট পানী থাকে। আপোনালোকে তাৰ পৰাপানী পাম্পৰ দ্বাৰা লিফট কৰি ৰিজাৰভাৰত ৰাখিলে তেতিয়াহে গোটেই এৰিয়া বিলাকে পানী পাব। তেনে ধৰণৰ পাম্প বিলাকত খৰচো বেছি নহয়, মাত্র ২/৩ লাখ টকাতে হ'ব। মাননীয় মন্ত্রীক আকৌ কৈছো এতিয়া এই টেক্সটো ৰেহাই দিব লাগে। এই কথাটো ক্লিয়াৰিফাই কৰিব লাগে যে ক্ষুদ্র খেতিয়কসকলক এই টেক্সৰ পৰা ৰেহাই দিব লাগে। এইটো ৰেহাই নিদিলে ক্ষুদ্র খেতিয়ক সকলৰ কেতিয়াও উন্নতি নহ'ব। চাহ খেতিয়ক সকলৰ ওপৰত টেক্স নলগালে ৰেহাই দিলে আৰু যিসকলে ২ বিঘা মাটিত খেতি কৰে তেওঁলোকৰ পানীত টেক্স লগালে। এইটো চাহ বাগচিৰ মালিকৰ ওপৰতহে লগাব লাগে। আমি আনহাতে দেখিছো কার্বি আংলং প্রজেক্টৰ মালিক সুভাষ ট্রেডিংৰ জলসিঞ্চনৰ যিটো টেক্স পাই সেইটো মাফ কৰিলে নেকি

২ হাজাৰ কোটি টকাৰ মালিক। আনহাতে ২ গেলন পানীৰ কাৰণে দুখীয়া খেতিয়কে টেক্স দিব লগা হ'ল। উপাধ্যক্ষ মহোদয়, আজি আমি কৌৰৱৰ সভাত বহি আছো। আপুনি ধৃতৰাষ্ট্ৰৰ দৰে বহি আছে কোনে ক'ত কি কৰিছে তাত আপুনি একো নামাতে।

মাননীয় উপাধ্যক্ষ ঃ এইটো ৩০১ ত বহু সময় লৈছে। ইয়াত কৈ আৰু বেছি সময় লব নেলাগে।

*শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি সন্তোষ পাইছো। আজি এই সদনত গুৰুত্বপূৰ্ণ বিষয়টো আলোচনা হৈছে। আমাৰ আজি যোৱা ৪টা বছৰ পাৰ হৈ গ'ল। এনে ধৰণৰ গুৰুত্বপূৰ্ণ আলোচনা যোৱা ৪টা বছৰৰ বাজেট চেচনত আলোচনা হোৱা হ'লে এই বিষয়টোৰ উন্নতিৰ কাৰণে কৃষি বিভাগৰ লগত ইৰিগেশ্যন বিভাগে আলোচনা কৰিব পাৰিলেহেতেন। তেতিয়া মাননীয় সদস্য সকলে যিখিনি পৰামৰ্শ দিছে সেইখিনি কৰিব পৰা গলহেতেন। এইটো মোৰ দুৰভাগ্য আৰু আমাৰ বিভাগৰে দুৰভাগ্য যে এনে পৰামৰ্শ যোৱা ৪ বছৰত পোৱা নহ'ল।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এই বিষয়টোত আজি বহুতো কথাই উত্থাপন কৰিছে। এই কথা বিলাক আমি আগতে আলোচনা কৰিব পৰা হেতেন কিছু ব্যৱস্থা লব পাৰিলো হেতেন। কিন্তু দুৰ্ভাগ্যবশতঃ এই বিষয়টো আমি আগতে আলোচনা কৰিব নোৱাৰিলো। মাননীয় সদস্যসকলে আজি যিমানবোৰ কথা আলোচনা কৰিছে সেইবোৰৰ মই উত্তৰ দিব পাৰো যদিও সময় যথেষ্ট লাগিব। সেই কাৰণে মই সদনক এইটো আশ্বাস দিব পাৰো যে মাননীয় সদস্য সকলে আজি যিবোৰ চাজেচন দিছে সেইবোৰ মই বিবেচনা কৰিম।

---

* Speech not corrected

*শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে এটা কথা কৈছে যে তেখেতে সকলো কথাৰ উত্তৰ দিব পাৰে কিন্তু সময় লাগিব বুলি কৈছে। এই বিষয়টো আজি আমি প্রাইভেট মেম্বাৰচ বিজিনেচ হিচাবে আলোচনা কৰিছো আৰু সেইমতে আমি যথেষ্ট আলোচনা কৰিব পাৰো। সেই কাৰণে মই আপোনাৰ জৰিয়তে জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে যিহেতু কৃষি খণ্ডৰ উন্নয়নৰ কাৰণে জলসিঞ্চন এটা অপৰিহার্য্য বিষয় গতিকে এই বিষয়টো আলোচনা কৰিবৰ কাৰণে আৰু মন্ত্রী মহোদয়ক উত্তৰ দিয়াৰ কাৰণে যথেষ্ট সময় দিব লাগে।

মাননীয় উপাধ্যক্ষ ঃ এই বিষয়টো ৩০১ ৰ অধীনত আলোচনা হৈ আছে আৰু সেই কাৰণে ইয়াতকৈ আৰু বেছি আলোচনা কৰাৰ স্কপ নাই। গতিকে আমি পৰৱর্ত্তী আইটেমলৈ যাম।

*শ্রীনগেন শর্ম্মা ঃ উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ কাৰণে যিটো কৰ বহুৱাইছে সেইটো উঠাই লব নে নাই সেইটোহে তেখেতে কব লাগে।

*শ্রীনিজামুদ্দিন খান ঃ উপাধ্যক্ষ মহোদয়, তেখেতে কৃষকৰ স্বার্থতে কিঞ্চিত কৰ বহুউৱা হৈছে বুলি কৈছে। কিন্তু তেখেতে আমাক স্পষ্টকৈ কব লাগে যে এই জল কৰটো প্রত্যাহাৰ কৰিব নে নাই।

*শ্রীজেহিৰুল ইছলাম (মন্ত্রী) ঃ উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে এই কৰটো কৃষক সকলৰ স্বার্থতে লোৱা হৈছে। তেওঁলোকৰ পৰা অলপ পইচা লৈ মেচিনেৰী মেইন্টেইন কৰাকে ধৰি ডিজেল, বিজুলী যোগান আদিৰ কাৰণে যাতে কাম বন্ধ হৈ নাথাকে আৰু

* Speech not corrected

কৃষক সকলে সময়মতে পানী পায় তাৰ ব্যৱস্থা কৰা হৈছে। গতিকে মাননীয় সদস্য সকলে যিখিনি চাজেচন আগবঢ়াইছে সেইখিনি মই বিবেচনা কৰিম।

*শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ মন্ত্রী ডাঙৰীয়াই কৃষকৰ স্বার্থতে এই কৰ লগোৱা হৈছে বুলি কৈছে। এই কৰৰ পৰা সংগ্রহ হোৱা টকাৰে ডিজেল কিনা, বিজুলি কিনা আৰু অন্যান্য মেইন্টেনেন্সত খৰচ কৰা হ'ব বুলি কৈছে। কিন্তু মই তেখেতক সুধিব খোজো যে অসম চৰকাৰ আজি ইমান দেউলীয়া হৈ পৰিল নেকি ৰাইজৰ পৰা ভিক্ষা খুজিব লগা হৈছে? যদি সেইটোৱেই হয় তেনেহ'লে ৰাইজক এটা এপিল দিয়ক। সেইটো ৰাইজে বিবেচনা কৰিব। এই কৰৰ হিচাবটো যদিও নমিনেল তথাপি ইয়াৰ এটা ডাঙৰ প্রতিক্রিয়া হ'ব। আপোনালোকে ডাঙৰ ডাঙৰ খেতিয়কৰ ওপৰত টেক্স লগাওক, আমি তাত সহায় কৰিম। কিন্তু আপোনালোকে ক্ষুদ্র কৃষকৰ ওপৰত টেক্স লগোৱাৰ কাৰণে আমি আপত্তি কৰিছো। গতিকে খেতিয়ক সকলৰ চেন্টিমেন্ট চাব লাগে।

*শ্রীঅতুল বৰা ঃ উপাধ্যক্ষ মহোদয়, জল কৰ প্রত্যাহাৰ কৰা কথাটোত মন্ত্রী ডাঙৰীয়াই যদি আমাক এটা এচুৰেঞ্চ নিদিয়ে তেনেহ'লে আমি সদন ত্যাগ কৰিম। আজি চাহ বাগিচাৰ মালিক সকলক কৃষি কৰৰ পৰা ৰেহাই দিছে। কিন্তু ক্ষুদ্র কৃষকক কৰৰ পৰা ৰেহাই দিয়া নাই।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে কৃষকৰ স্বার্থতে এই কৰটো বহুউৱা হৈছে। কিন্তু জলসিঞ্চন বিভাগত মেইন্টেনেন্সৰ কাৰণে টকা ধাৰ হৈছে। গতিকে এই ধাৰ

* Speech not corrected

স্বত্বেও আৰু কিয় টকা সংগ্ৰহ কৰিব লগা হৈছে? গতিকে জল কৰ প্ৰত্যাহাৰ কৰা হব নে নহয় সেইটো কেটেগৰিকেলি কওক।

*শ্ৰীনগেন শৰ্মা ঃ উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা স্পষ্টকৈ কলে আমি ভালপাম যে জলসিঞ্চন বিভাগে ডাঙৰ ডাঙৰ প্ৰজেক্টবোৰ হাতত লৈ সেইবোৰ শেষ কৰিব নোৱাৰি পেলাই থৈছে। আজি ধনশিৰি প্ৰজেক্টত ১১৯ কোটি টকা খৰচ কৰিও সম্পূৰ্ণ কৰিব পৰা নাই আৰু সেইটো সম্পূৰ্ণ কৰাত জোৰ দিয়া নাই। অথচ ৬ কোটি টকাৰ কৰ সংগ্ৰহৰ ক্ষেত্ৰত জোৰ দি আছে। গতিকে এইটো ৰেহাই দিব নে নিদিয়ে সেইটো স্পষ্টকৈ কওক।

*শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি চাজেচন আগবঢ়াইছে সেইখিনি বিবেচনা কৰিম। ইয়াতকৈ আৰু বেছি কব নোৱাৰিম।

PRIVATE MEMBERS MOTION

Mr. Speaker : Item No. 4. There is a Private Members Motion which stands in the Name of Hon'ble member Sri Hiteshar Deka. I Now call upon Shri Deka to move his motion.

শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি এই পবিত্ৰ বিধান সভাত এটা মোচন উত্থাপন কৰি কব খুজিছো যে অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত অসমীয়া মানুহৰ সংস্কৃতি, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইন গত আৰু প্ৰশাসনীয় ব্যৱস্থা কৰিবলৈ আজিৰ সদনত দাবী জনাওঁ।

---

* Speech not corrected

উপাধ্যক্ষ মহোদয়, আজিৰ এই সদনত আমি এটা গুৰুত্বপূৰ্ণ বিষয়ত এটা প্ৰস্তাৱ উত্থাপন কৰিছো। এই বিধান সভাৰ চলিত অধিবেশনত ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা আলোচনাত অংশ গ্ৰহণ কৰি আমাৰ দলৰ তৰফৰ পৰা এই বিষয়টোত কিছু কথা আলোচনা কৰিছিলো। এই পবিত্ৰ সদনৰ প্ৰত্যেক গৰাকী মাননীয় সদস্যই জানে যে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ সমগ্ৰ অসমতে এটা আন্দোলন চলিছিল আৰু এই আন্দোলনৰ উদ্দেশ্য আছিল অসম তথা ভাৰতবৰ্ষত অবৈধ ভাবে প্ৰবেশ কৰা অনুপ্ৰবেশকাৰী সকলক বহিস্কাৰ কৰা। এই সময়চোৱাত অসমৰ ৰাইজৰ ওপৰত বহুতো ধুমুহা পাৰ হৈ গৈছিল আৰু এই সংক্ৰান্তত তেতিয়াৰ আন্দোলনৰ নেতৃবৰ্গ তথা সদৌ অসম ছাত্ৰ সন্থাৰ লগত ভাৰত চৰকাৰৰ বহুকেইবাৰ আলোচনা হৈছিল আৰু সেই আলোচনাৰ অন্তত ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখৰ মাজনিশা দিল্লীত এখন চুক্তি স্বাক্ষৰিত হৈছিল। উপাধ্যক্ষ মহোদয়, এই চুক্তিখনক অসমৰ জনসাধাৰণে, আন্দোলনকাৰী ৰাইজে ঐতিহাসিক অসম চুক্তি বুলি অভিহিত কৰিছিল। আপুনি নিশ্চয় অৱগত চুক্তি স্বাক্ষৰিত হোৱাৰ আগতে আসম আন্দোলনৰ নেতৃবৰ্গৰ লগত প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীৰ লগত আলোচনা হৈছিল। অসম আন্দোলনকাৰী সকলে যি দাবী উত্থাপন কৰিছিল সেই দাবীৰ ক্ষেত্ৰত একেবাৰে শেষত ৰাজ্যখনৰ স্বাৰ্থৰ ক্ষেত্ৰ আপোচ কৰিছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰে এই কথাটোত প্ৰতিশ্ৰুতি দিছিল। অসম জনসাধাৰণ, অসমৰ খিলঞ্জীয়া ৰাইজ, অসমৰ থলুৱা জনসাধাৰণ সকলোৰে সাংবিধানিক ৰক্ষা কৱচ দিয়া হ'ব। সেই কাৰণে অসম চুক্তিৰ ৬ দফাত কোৱা হৈছিল -- "constitutional, legislative and administrative safe gaured as may be appropriate to preserve and promot the Cultural, Social, Longestic identity and heritage of the

Assamese People." ইয়াৰ লগে লগে ৭ নং দফাত কোৱা হৈছিল - The Government take this opportunity to review their Commitments for speedy Economic development of Assam so as to improve the standard of living of the People of Assam so as to give special emphasis on education and science and technology through establishment of national institute. এই ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হ'বৰ আজি ১০ বছৰত ভৰি দিলেহি। অসমৰ আন্দোলনকাৰীসকলে অসম চুক্তিৰ ৬ আৰু ৭ নং দফাত চুক্তিখনৰ আত্মা বুলি বিবেচনা কৰিছিল। (অধ্যক্ষই আসন গ্ৰহণ কৰে)

অধ্যক্ষ মহোদয় আপুনি নিশ্চয় জানে অসমৰ যি সকল বিদেশীক সামৰিছে সেই সকলক চিনাক্ত কৰিবৰ কাৰণে আইন বেলেগ। অসমৰ নিচেই কাষতে থকা মেঘালয় বা অইন ৰাজ্যবিলাকৰ কাৰণে আইন বেলেগ। অসমৰ বিদেশী বহিস্কৰণৰ কাৰণে ১৯৬১ চন নির্দ্ধাৰণ কৰা হ'ল। ১৯৮৩ চনত অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ নাই। (আই. এম. ডি. টি.)ৰ ব্যৱস্থা কৰা হ'ল। কিন্তু তাৎপর্য্যপূর্ণ ভাবে এজন মানুহ যদি মেঘালয় প্ৰনাই ১৯৪৬ চনৰ ফৰেনার্চ এক্ট আৰু ১৯৪৭ চনৰ ফৰেনার্চ ৰেগুলেচন এক্ট মতে বহিষ্কাৰ কৰিব পাৰে। ১৯৭১ চনৰ আগতে সোমোৱা বিদেশী সকলক অসমত থাকিব কাৰণে ভাৰতীয় নাগৰিকৰ কাৰণে তেওঁলোকক প্ৰতিশ্ৰুতি দিছে। প্ৰতিশ্ৰুতি দিয়াৰ মূল অর্থ হ'ল যিহেতু কেন্দ্ৰীয় চৰকাৰে অসমৰ জনসাধাৰণৰ কাৰণে, খিলঞ্জীয়া ৰাইজৰ কাৰণে, থলুৱা ৰাইজৰ কাৰণে সাংবিধানিক ৰক্ষা কবচৰ ব্যৱস্থা কৰিব সেই কাৰণে এই লোকসকল ভাৰতত থাকিলে আপত্তি নাথাকিব এই প্ৰতিশ্ৰুতি দিছিল। অধ্যক্ষ মহোদয়, গণতান্ত্ৰিক পদ্ধতিত জাতিৰ জনক মহাত্মা

গান্ধীৰ মূল আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ যি আন্দোলন চলাইছিল আজি চুক্তিৰ ১০ বছৰ পিছত কেন্দ্ৰীয় চৰকাৰে মূল কথাবোৰ এৰাই চলিছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ দ্বাৰা উন্মুক্ত হেচা দিয়াৰ প্ৰয়োজন আছিল বুলি মই অনুভৱ কৰো। ১৯৯৩ চনত উত্তৰ প্ৰদেশৰ মুখ্য ন্যায়াধীশ তেৱাৰী চৰকাৰক লৈ এটা কমিচন গঠন হৈছিল। এই কমিচনে প্ৰতিবেদনৰ ব্যৱস্থা কৰিছিল কিন্তু এই কমিচনৰ প্ৰতিবেদনৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে আজি পৰ্য্যন্ত যথোচিত গুৰুত্ব নিদিলে। অসম ৰাজ্যখনৰ উন্নয়নৰ কাৰণে কেতবিলাক সাংবিধানিক ৰক্ষা কবচ দিব লাগে। অসমৰ মাটি বাহিৰৰ মানুহক বিক্ৰী কৰিব নালাগে। তাৰোপৰি উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় লোকসকলক প্ৰতিযোগিতামূলক সৰ্বভাৰতীয় পৰীক্ষাত আসন সংৰক্ষণৰ যি ব্যৱস্থা আছে, তেনেকুৱা ব্যৱস্থা অসমৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে থাকিব লাগে। এই পৰামৰ্শ দিছিল। অসমৰ মানুহৰ সংখ্যা ভাৰতৰ মানুহৰ তুলনাত অতি কম, প্ৰায় তিনি শতাংশ। এই তিনি শতাংশ অসমীয়া মানুহে ভাৰতীয় মহাজাতিৰ লগত মিলি থাকিবৰ কাৰণে লাগে সাংবিধানিক ৰক্ষা কৱচ। সেই কাৰণে ৬ আৰু ৭ নম্বৰ দফাটো অতি শীঘ্ৰে কাৰ্য্যকৰী কৰিব লাগে বুলি প্ৰস্তাৱ উত্থাপন কৰিছো।

অধ্যক্ষ মহোদয়, সাংবিধানিক ৰক্ষা কবচ বুলি কোৱাৰ লগে লগে কেতবোৰ বিশেষ কথা কোৱা হৈছিল, অসম আন্দোলনৰ নেতা সকলৰ লগত যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হৈছিল সেই সময়ত চুক্তিৰ ৬ নম্বৰ দফাৰ সন্দৰ্ভত দাবী উত্থাপন কৰা হৈছিল যে অসম ৰাজ্যখন জম্মু আৰু কাশ্মীৰ ৰাজ্যখনৰ নিচিনাকৈ বিশেষ ৰাজ্য হিচাবে বিবেচনা হ'ব লাগে। কাৰণ অসমৰ থলুৱা ৰাইজ, খিলঞ্জীয়া ৰাইজ, যথেষ্ট সংকিত হৈছে, যিবিলাক ঠাইত আন্দোলন

চলিছিল তাত কোৱা হৈছিল যে আন্দোলন শেষ কৰিবৰ কাৰণে চুক্তি কৰা হয়। চুক্তি বছৰ বছৰ ধৰি যদি পৰি থাকে, ৰাইজে মুক্তি নাপায় চুক্তিৰ যুক্তি নাথাকে। অসমত এনেকুৱা বহুতো চুক্তি হৈছিল, অসম চুক্তি হ'ল, বড়ো চুক্তি হ'ল, কার্বি আংলংৰ অটোনমাচ কাউন্সিলৰ চুক্তি হ'ল, এই চুক্তি বিলাক যদি বাস্তৱত কার্য্যকৰী নহয় তেতিয়াহ'লে মানুহে গণতান্ত্রিক পৰম্পৰাত বিশ্বাস নকৰিব, আকৌ আন্দোলন হ'ব। অসম চুক্তিৰ জৰিয়তে অসমৰ ৰাইজক যি সাংবিধানিক ৰক্ষা কৱচৰ প্রতিশ্রুতি দিছিল তাক অতি শীঘ্রে কার্য্যকৰী কৰিবৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ ওচৰত হেচা প্রয়োগ কৰিব লাগে। ৰাজ্যখনক ৩৭০ অনুচ্ছেদত ৰক্ষণা বেক্ষণ আগবঢ়াইছে। তাৰ লগত সংগতি ৰাখি ভাৰতীয় ৰাষ্ট্রপতিয়ে সাংবিধানত জম্মু আৰু কাশ্মীৰৰ ক্ষমতা ১৯৫৪ চনৰ প্রতিশ্রুতিৰ আদেশ জাৰি কৰিছে। এই আদেশ অনুযায়ী অনুচ্ছেদ ৩৫ (এ) সংবিধানৰ লগত যোগ কৰিছে। সেই ৰাজ্যখনৰ স্থায়ী বাসিন্দাৰ অধিকাৰ সাব্যস্ত কৰিছে আৰু আইন অনুযায়ী থকাৰ সুবিধা আগবঢ়াইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু অসমে ৰাষ্ট্রীয় সমস্যাৰ বোজা বহন কৰিব লগা হৈছে সেয়ে অসমৰ ক্ষেত্রত জম্মু আৰু কাশ্মীৰত প্রযোজ্য আদেশ ৫৪ত উল্লেখ কৰাৰ নিচিনা একে আদেশ সন্নিৱিষ্ট কৰিব লাগে। অসম ৰাজ্যখনৰ কাৰণে জম্মু আৰু কাশ্মীৰৰ ক্ষেত্রত ৰাষ্ট্রপতিয়ে ৩৭৩ নং অনুচ্ছেদৰ আধাৰত যি আদেশৰ ব্যৱস্থা কৰিছে সেই আদেশ আমাৰ অসম ৰাজ্যখনতো হ'ব লাগে। সাংবিধানিক ৰক্ষা কবচৰ ক্ষেত্রত আমি এটা কথা উত্থাপন কৰিব খুজিছো। সংবিধানৰ সাংবিধানিক দফা অসমত প্রয়োগ কৰিব লাগে। বর্ত্তমান সংবিধানখনত এনে কিছুমান দফা সন্নিৱিষ্ট হৈ

আছে যে তেনে দফাই অসমৰ ক্ষতি সাধন কৰিব পাৰে। উদাহৰণস্বৰূপে ৩নং দফাত কেন্দ্রই নতুন ৰাজ্য আদি গঠনৰ ক্ষেত্রত ক্ষমতা প্রদান কৰিছে। ২৪৯ অনুচ্ছেদ অনুসৰি লোকসভা আৰু ৰাজ্যসভাত লোৱা প্রস্তাৱ অনুসৰি জাতীয় স্বার্থৰ খাতিৰত ৰাজ্যই যিকোনো আইন কৰিব পাৰে। এই ক্ষেত্রত ২/৩ অংশ সদস্যৰ সমর্থন পুষ্ট হ'ব লাগিব বুলি কৈছে। কেন্দ্রীয় চৰকাৰে ২৪১ অনুচ্ছেদক ভিত্তি কৰি ৰাজ্য বিধানসভাত প্রয়োগ কৰি যি কোনো আইন ৰচনা কৰিব পাৰে সংশোধন কৰিব পাৰে। সংবিধানৰ ২৮৫ অনুচ্ছেদত কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক সকলো ক্ষমতা দিছে। ৩৪৭ অনুচ্ছেদত ৰাজ্যক ভাষা সলনি কৰিবৰ কাৰণে আদেশ দিব পৰা ক্ষমতা আছে। সেই কাৰণে সংবিধানৰ ৰক্ষা কৰচৰ ক্ষেত্রত পৰামর্শ দিব খুজিছো ২৪৭, ২৫৮ (ক) ৩৪৭ অনুচ্ছেদৰ প্রয়োগ অসমৰ ক্ষেত্রত প্রযোজ্য হব পাৰে যদিহে ৰাজ্যসভাত উপস্থিত ২/৪ অংশ সদস্যই সমর্থন জনায়। গতিকে দাবী উত্থাপন কৰো যে সংবিধান কেতবোৰ সন্নিৱিষ্ট দফা ২৪৯, ২৫৮, ৩৪৭ অনুযায়ী অসমৰ ক্ষেত্রত সীমাবদ্ধ প্রয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আপুনি এই কথাটো জানে যে সংবিধানৰ ১৭০ (৩) অনুচ্ছেদত সমষ্টি সমূহৰ সীমা নির্দ্ধাৰণ কৰোতে দুই হাজাৰ চনলৈ বাধা আৰোপ কৰিছে। এই দফাটো ১৯৭৬ চনৰ সংবিধানৰ ৪২তম সংশোধনীত অন্তর্ভূক্ত কৰা হৈছিল। চুক্তিখন চহী হোৱাৰ পিচত এই দফাটো পুনৰ বিবেচনা কৰা আদি প্রয়োজন হৈ পৰিছে। কাৰণ অসমৰ বাসিন্দা হোৱা প্রব্রজনকাৰী সকলক ভোটাধিকাৰ দিয়া হ'ব। ১৯৭৬ চনৰ সংবিধানৰ ১৭৯ নং অনুচ্ছেদ সংশোধন কৰাৰ সময়ত অসমত আজি দেখা দিয়া

পৰিস্থিতি ধাৰণা কৰা নিশ্চয় সম্ভৱ নাছিল। সেইবাবে এই সংশোধনীৰ প্ৰয়োগ অসমত হ'ব নালাগে। সেই কাৰণে মই পৰামৰ্শ আগবঢ়াব খুজিছো যদি এই কথাটোত গুৰুত্ব নিদিয়ে ১৯৭১ চনৰ আগতে যিসকল বিদেশী চিনাক্ত কৰোতে আমি ভাই বুলি স্বদেশী কৰি লৈছো তেওঁলোকক ভোটৰ অধিকাৰ পৰ্য্যন্ত দিয়া হৈছে। গতিকে জনসাধাৰণৰ স্বাৰ্থতে দুই হাজাৰ চনলৈ যি সমষ্টি নিৰ্দ্ধাৰণ কেন্দ্ৰীয় চকাৰে ৰোহিত কৰিছে অসমৰ ক্ষেত্ৰত তাক প্ৰয়োগ কৰিব নালাগে বুলি মই প্ৰস্তাৱ উত্থাপন কৰিছো। ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ ৩নং দফাটোৱে জন্মস্বত্ব অনুসৰি নাগৰিকত্ব প্ৰদান সম্বন্ধে কৈছে যদিও যিসকল প্ৰব্ৰজনকাৰী অবৈধভাৱে ভাৰতবৰ্ষত প্ৰবেশ কৰিছে আৰু বে-আইনীভাৱে বসবাস কৰিবলৈ লৈছে তেনে লোকৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত কি নীতি লোৱা হ'ব সেই সম্বন্ধে সু নিৰ্দ্দিষ্ট ভাৱে একো নাই। অবৈধ ভাৱে প্ৰৱেশ কৰা প্ৰব্ৰজনকাৰীৰ সতি-সন্ততিয়ে কেতিয়াও ভাৰতীয় নাগৰিকত্ব অধিকাৰ উপভোগ কৰিব নোৱাৰে। অবৈধ প্ৰব্ৰজনকাৰীৰ ফলত একেধৰণৰ সমস্যা দেশখনৰ অন্য ৰাজ্যৰ ক্ষেত্ৰতো বিশেষকৈ তামিলনাড়ু, পশ্চিমবঙ্গ মহাৰাষ্ট্ৰ আদিতো হৈছে। সেই কাৰণে মই কব খুজিছো কোনো বিশেষ স্বৰ্ত্ত আৰোপ নকৰাৰ কাৰণে হ'ল ১৯৯৫ চনত আইন সৃষ্টিকাৰী সকলে বৰ্ত্তমানে সৃষ্টি হোৱা পৰিস্থিতি সম্পৰ্কে অনুধাৱন কৰিব পৰা নাছিল। সেই কাৰণে ৩ নং দফাটোত এইটো সুনিশ্চিত কৰি দিয়াটো প্ৰয়োজন হৈ পৰিছে যে বৈধ পাৰপত্ৰ ভিজা আদি নোহোৱাকৈ ভাৰতত অনুপ্ৰৱেশ কৰা বিদেশীৰ সতি-সন্ততিয়ে বা মাক দেউতাক এজনেও বৈধ পাৰ-পত্ৰ নোহোৱাকৈ যদি ভাৰতত প্ৰৱেশ কৰিছে তেনে লোকৰ সতি সন্ততিয়ে জন্মস্বত্ব হিচাবে নাগৰিকত্ব দাবী

কৰিব নোৱাৰে। ১৯৫১ চনত প্ৰস্তুত কৰা নাগৰিক পঞ্জীয়নৰ কেতিয়াও নবীনকৰণ কৰা হোৱা নাই। চুক্তিখন কাৰ্য্যকৰী কৰণত পৰিবৰ্ত্তন পৰিস্থিতিয়ে উত্তৰ পুৰুষক আন্তৰ্জাতিক প্ৰব্ৰজনৰ পৰা ৰক্ষা কৰিবলৈ এখন নতুন নাগৰিক পঞ্জী প্ৰস্তুতিৰ দাবী তুলিব লাগে। তদুপৰি এইটো সকলোৱে জানে যে নিৰ্বাচনৰ দিনা সীমান্ত অঞ্চলত বহুতো লোকে বাংলাদেশৰ পৰা আহি নিৰ্বাচনত ভোট দিয়ে। ইয়াত বাস কৰা তেওঁলোকৰ বন্ধু বান্ধৱ আৰু সম্পৰ্কীয় লোকে ভাৰতীয় নাগৰিক হিচাবে তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভূক্ত কৰি লয় চুক্তি অনুসৰি সকলো বিদেশী নাগৰিকক চিনাক্তকৰণৰ পিচত এখন নতুন নাগৰিক পঞ্জী প্ৰস্তুত কৰি এনে ঘটনা পুনৰাবৃত্তিত বাধা দিব লাগে। সকলোৱে স্বীকাৰ কৰিব লাগিব যে উত্তৰ পূৰ্বাঞ্চল অসম ভাৰতৰ দৃষ্টিভংগীত এটা পিচপৰা অঞ্চল। সেইকাৰণে মই কব খুজিছো যে উত্তৰ পূৰ্বাঞ্চল সুকীয়া অঞ্চল হিচাবে বিবেচনা কৰিব লাগে। ৰাষ্ট্ৰীয় স্তৰত থকা পৰিকল্পনাকাৰীয়ে দেশখনক আলিখিত চাৰিটা অঞ্চল উত্তৰ, দক্ষিণ, পূৱ আৰু পশ্চিমত ভাগ কৰি কিছুমান গুৰুত্বপূৰ্ণ চৰকাৰী অনুষ্ঠান প্ৰতিস্থানৰ মুখ্য কাৰ্য্যালয় সমূহ দিল্লী, কলিকতা আৰু বম্বেত প্ৰতিস্থা কৰি লৈছে। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক সদায়ে পূৰ্ব্বাঞ্চলৰ অংশ হিচাবে কলিকতাৰ লগত সাঙুৰি দিয়া হৈছে। উত্তৰ পূৰ্বাঞ্চল অনগ্ৰসৰ হৈ থকাৰ ই এটা প্ৰধান কাৰণ সেয়ে মই পৰামৰ্শ আগবঢ়াইছো যাৱতীয় আৰু উন্নয়নমূলক কামৰ বাবে উত্তৰ পূৰ্বাঞ্চলক এটা গাইগুটীয়া গোট হিচাবে বিবেচনা কৰিব লাগে। সংবিধানত যিসকলে আমাক চুক্তিৰ জৰিয়তে ৰক্ষা কবচ দিয়াৰ কথা কৈছিল অসমীয়া ভাষিক ৰক্ষা কবচ দিয়াৰ কথা কৈছিল সেই সময়ত আমি তেনে ধৰণে পৰামৰ্শ দিব বিচাৰিছিলো। এই চলিত অধিবেশনত অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত ভালেমান

কথা আলোচনা হৈছে। অসমৰ প্ৰাকৃতিক সম্পদৰ আটাইবিলাকে বক্তব্য ৰাখিছিল। অসমৰ বানপানীৰ সমস্যাত শূণ্য কালত কৈছে। এই সমস্যা সমাধানৰ কিমান সম্ভাৱনা আছে। সাংবিধানিক অৰ্থনৈতিক ৰক্ষা কৰচ দিম বুলি কৈছিল গতিকে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ আগবঢ়াব লাগে আৰু হেঁচা প্ৰয়োগ কৰিব লাগে। তেনেধৰণৰ জল সম্পদৰ উপযুক্ত ব্যৱহাৰ হ'ব লাগে। স্বাধীনতাৰ ৪৭ বছৰ পিচতো ব্ৰহ্মপুত্ৰ আৰু অন্যান্য নদ নদী বিলাকৰ জলবিদ্যুৎ উৎপাদন হোৱা নাই। এই অঞ্চলত ৪৫ হেজাৰ মেগাৱাট জল বিদ্যুৎ উৎপাদন কৰিব পৰা ব্যৱস্থা আছে। অসমত বানপানীয়ে কোটি কোটি টকা মূল্যৰ সম্পদ নাশ কৰে। জলসম্পদ উৎপাদন কৰি চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ বিহাৰ আদিলৈ ৰপ্তানি কৰিব পাৰি। ভাৰত চৰকাৰেও জলবিদ্যুৎ ব্যৱহাৰ সম্পৰ্কত আগ্ৰহ দেখুৱাব পাৰে। সেই কাৰণে মই কব খুজিছো জলসম্পদ প্ৰাকৃতিক সম্পদ। ইয়াক উপযুক্ত ভাৱে ব্যৱহাৰ কৰাৰ ওপৰত ৰাজ্যৰ অৰ্থনীতি নিৰ্ভৰ কৰে। সেই কাৰণে মই চৰকাৰক আহ্বান জনাও অসম চুক্তিৰ আধাৰত অসমক অৰ্থনৈতিক ৰক্ষণাবেক্ষন দিয়াৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে।

উপাধ্যক্ষ মহোদয়, এই অধিবেশনত এটা কথা কৈছিলো আৰু সদনত উলিয়াইছো যে অসমৰ চাহ সম্পদৰ কথা দাবী কৰা হৈছিল। অসমৰ চাহ, খনিজ সম্পদ তেল প্ৰাকৃতিক সম্পদ আদি যদি ভাল ধৰণে ব্যৱহাৰ কৰিব পৰা যায় তেতিয়াহ'লে অসমৰ উন্নতি বহুতখিনি আগবাঢ়িব।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত কোনো ৰাজনৈতিক মাটিত থাকিব বা চিন্তা চৰ্চা নাই। কোনো কংগ্ৰেছ আই., এ. জি. পি., বি. জে. পি. আদি পাৰ্টিৰ কথা নাই, সকলো দলৰ লোক লগ হৈ আলোচনা কৰি

কেন্দ্রীয় চৰকাৰৰ ওপৰত উপযুক্ত বাৰে হেঁচা দিলে নিশ্চয় অসমৰ উন্নয়ন সাধন হ'ব। আমাৰ চৰকাৰে নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিল যে চাহ নিলাম কেন্দ্ৰ কলিকতাৰ পৰা স্থানান্তৰ কৰা হ'ব। কিন্তু বাস্তৱ ক্ষেত্ৰত আজিলৈকে আমি ইয়াৰ কোনো কাম দেখা নাপালো। আমাৰ অসমৰ চাহ শিল্পৰ ক্ষেত্ৰত অবিচ্ছেদ্য অংগ মজদুৰ ভাই সকলে অতি কষ্ট কৰি উপাৰ্জন কৰা সিংহ ভাগ বেলেগ ৰাজ্যই লৈ যায়। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিজেই চাহ শ্ৰমিকৰ লগত জৰিত, গতিকে মোতকৈ আপুনিহে বেছি ভালকৈ উপলব্ধি কৰিব পাৰিব যে আমাৰ চাহ শ্ৰমিক সকলে কিমান কষ্ট কৰি চাহ শিল্পৰ উন্নতি সাধনত তথা ৰেভিনিউ আদি পোৱাত সহায় কৰে। আমাৰ গোটেই ভাৰতবৰ্ষতে চাহৰ পৰা আয় হয় ৩ লাখ ৯৪ হাজাৰ ৮শ ৮ কোটি টকা। ইয়াৰে অসমতেই হয় ২ কোটি ২১ লাখ ৩১ হাজাৰ টকা। গতিকে অকল অসমেই ৫৪-৫৫ ৰ পৰা ৬০ শতাংশ উৎপন্ন কৰে আৰু চাহৰ যোগেদি ৰাষ্ট্ৰই কৰা বিদেশী মুদ্ৰা আহৰণত শতকৰা প্ৰায় ৬০ ভাগ অৰিহনা যোগায়, ৰাজ্যখনে বাস্তৱিকতে চাহৰ পৰা আয় হোৱা ৰাজহ কোনো লাভ নাপায়। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ চাহ উদ্যোগে ৰাজ্যখনত শ্ৰেষ্ঠ ভূমিখণ্ডৰ এক বুজন অংশ অধিকাৰ কৰি আছে। এই উদ্যোগে বছৰি ৩৫০ নিযুত কিলোগ্ৰামতকৈও অধিক চাহ উৎপাদন কৰে আৰু ৰাষ্ট্ৰৰ কাৰণে এক বুজন পৰিমাণৰ বিদেশী মুদ্ৰা আয় কৰে। চাহ কোম্পানী বোৰৰ মুখ্য কাৰ্য্যালয় বিলাকত যিবোৰ বেচি ভাগ কলিকতাতহে অৱস্থিত, যথেষ্ট সংখ্যক কৰ্মচাৰী নিয়োগ কৰা হয়, এই উদ্যোগৰ বেছিভাগ অনুসঙ্গিক চাহিদাও পূৰণ কৰে, কলিকতাৰ মুখ্য কাৰ্য্যালয়সমূহৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকা আৰু তাতেই ঘাঁটি থকা বাহিৰৰ কোম্পানীবোৰে।

মেনেজাৰ পর্য্যায়ৰ চাকৰিৰ কাৰণে স্থানীয় অৰ্হতা সম্পন্ন ব্যক্তিয়ে কোনো সুবিধা নাপায়। বেছিভাগ কোম্পানীয়ে নতুন নিযুক্তি দিয়াৰ বাবে কোনো বিজ্ঞাপন দিয়াৰ প্রয়োজন বোধ নকৰে। দুই এটাৰ বাহিৰে এই প্রতিস্থান বোৰৰ ৰাজ্যখনৰ প্রতি কোনো সামাজিক প্রতিশ্রুতিও নাই। চাহ উদ্যোগৰ ওপৰত অসম চৰকাৰে কৰৰ ব্যৱস্থা কৰিছে। পশ্চিমবঙ্গ চৰকাৰে মোটামোটি ভাবে তলত উল্লেখ কৰা কৰ আৰু শুল্ক বহুৱাইছে যাৰ ফলত ৰাজ্যখনে এশ কোটিৰো অধিক ৰাজহ বছৰি সংগ্রহ কৰিব পাৰিছে। কলিকতা আৰু শিলিগুড়ীৰ নীলামত শতকৰা ৮ ভাগ কৈ পশ্চিমবংগ বিক্রী কৰ হিচাবে। পশ্চিমবঙ্গ লৈ ৰাজ্যৰ বাহিৰৰ পৰা অহা সকলো চাহতে প্রতি কিলোগ্রামত ১৪ পইচাকৈ পশ্চিমবঙ্গ প্রবেশ কৰ হিচাবে পশ্চিমবঙ্গত মিশ্রণ কৰিবলৈ ক্রয় কৰা আৰু পিছত অন্য ৰাজ্যলৈ বিক্রীৰ বাবে স্থানান্তৰ কৰা বাবে চাহৰ ওপৰত শতকৰা ৩ ভাগকৈ ক্রয় কৰ হিচাবে আৰু সৰু সুৰা ব্যতিক্রম বাদ দি প্রতি কিলোগ্রাম চাহত ৩০ পইচাকৈ পশ্চিমবঙ্গ গ্রাম্য নিয়োজন আৰু উৎপাদন শুল্ক হিচাবে, আৰু প্রতি কিলোগ্রাম চাহত ১০ পইচাকৈ পশ্চিমবঙ্গ গ্রাম্য উন্নয়ন আৰু শিক্ষা শুল্ক হিচাবে, অজ্ঞতা, অমনোযোগিতা বা পৰোক্ষ সমর্থনৰ বাবেই হওক, পূর্বৰ প্রতিটো অসম চৰকাৰে কলিকতীয়া চাহ লবীৰ ষড়যন্ত্রৰ ওচৰত বশ্যতা স্বীকাৰ কৰি আহিছে। এতিয়া যাতে ৰাজ্য আৰু ইয়াৰ জনসাধাৰণে এই উদ্যোগৰ ক্রমে বেছিকৈ লাভৱান হ'ব পাৰে তাৰে বাবে পৰিস্থিতিৰ প্রয়োজনীয় সংশোধনৰ সময় আহি পৰিছে। উদ্যোগটোৰ বিষয়ে জনা আৰু ৰাজ্যৰ চাহ লবীটো বৰ শক্তিশালী। ৰাজ্য চৰকাৰে অতিৰিক্ত ৰাজহ আৰু কল্যাণৰ বাবে দীর্ঘ ম্যাদী নীতি গ্রহণ, অনুসাংগিক সা-সুবিধাবোৰ আদায় কৰিবৰ বাবে যি কোনো

প্রচেষ্টাকে ব্যর্থ কৰিবৰ বাবে ন্যায্য স্বার্থ জৰিত গোষ্ঠীবোৰে বিভিন্ন কোটাৰ ঘাট মূলক যুক্তি আগবঢ়াব। সেয়ে একো অসুবিধা নোহোৱাকে এই উদ্যোগটোৱে কি কি খিনি গ্রহণ কৰিব পাৰে তাক আমি বুজি লব লাগিব। গতিকে উপাধ্যক্ষ মহোদয়, শতকৰা ৫৫ ভাগ চাহৰ আয় কৰৰ পৰা আমি বঞ্চিত হৈ আছোঁ। গতিকে এই ক্ষেত্রত ৰাজনৈতিক কোনো দৃষ্টিভংগী থাকিব নেলাগে বর্ত্তমানে ৰাজ্যখনৰ সামগ্রিক উন্নয়নৰ কাৰণে আমি যি সপোন দেখিছোঁ, কল্পনা কৰিছোঁ, তাক বাস্তৱত ৰূপায়ণ কৰিবলৈ যত্ন কৰিব লাগে। গুৱাহাটী চাহ নীলাম কেন্দ্রটো, বর্ত্তমান জনতা ভৱনৰ ওচৰত লাগি থকা এচেম্বলিৰ গাতে লাগি থকা এই নিলাম কেন্দ্রৰ যোগেদি বর্ত্তমান বছৰি প্রায় ১২০ নিযুত কিলোগ্রাম চাহ বিক্রী কৰা হয়। ঘাইকৈ তলত দিয়া কাৰণ সমূহৰ বাবে এই কেন্দ্রত চি. টি. চি. চাহৰ বিক্রীৰ ক্ষেত্রত এটা সুস্থিৰ উর্দ্ধগতি পৰিলক্ষিত হৈছে। কেন্দ্রটো চাহ বাগচিৰ যথেষ্ট ওচৰত। পৰিবহনৰ ক্ষেত্রত নিৰাপত্তা আৰু কম সময়ৰ বাবে উৎপাদনকাৰী তথা বিক্রেতা সকলে তেওঁলোকৰ চাহবোৰ গুৱাহাটী নীলাম কেন্দ্রলৈ পঠাবলৈ সুবিধা পায়। কলিকতাৰ পণ্যগাৰ সমূহক জালতন দি অহা ট্রেড ইউনিয়নিজমৰ পৰা গুৱাহাটী পণ্যাগাৰ সমূহ মুক্ত। এইটো গুৱাহাটী পণ্যাগাৰ সমূহৰ কাৰণে বৰ ডাঙৰ সুবিধা। পণ্ডিত সকলে যেনেকুৱা হতাশজনক প্রতিচ্ছবিয়েই ডাঙি নধৰক লাগিলে এইটো সত্য যে চাহ যতেই প্রচুৰ পৰিমাণে পোৱা যায় ক্রেতা সকল তালৈকে যায়। গুৱাহাটী নীলম কেন্দ্রত বিক্রী হোৱা সকলো চাহতে শীঘ্রেই বিক্রীকৰৰ ব্যৱস্থা কৰিব লাগে। ৰাষ্ট্রৰ সকলো নীলাম কেন্দ্রতে এনে ব্যৱস্থা আছে। কোনোৱে কবলৈ বিচৰা মতে এনে ব্যৱস্থাই নীলাম কেম্পটোৰ উন্নয়নত কোনো বাধাৰ সৃষ্টি নকৰে। অর্থডক্স চাহৰ উৎপাদন ক্রমে নিম্ন

গতি হোৱালৈ চাই বেছি পৰিমাণৰ চি. টি. চি. চাহ আপোনা-আপুনি গুৱাহাটী নীলাম কেন্দ্রলৈ অহাটো নিশ্চিত। বৰ্ত্তমান গুৱাহাটী নীলাম কেন্দ্রৰ যোগেদি বছৰি বিক্রী হয় ১২০ নিযুত কিলোগ্রাম। পণ্যাগাৰৰ সুবিধা পালে অদূৰ ভৱিষ্যতে বছৰি নিযুত কিলোগ্রামলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। গতিকে অসম চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ মিলিত ভাৱে হেঁচা প্রয়োগ কৰিব লাগে, যাতে গুৱাহাটী নীলাম কেন্দ্রৰ উন্নতি সাধন হয় আৰু আমাৰ থলুৱা লোকে ইয়াত চাকৰি আদিৰ সুবিধা পায়। আৰু নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্রত সহায়ক হয়। এই পৰিপ্রেক্ষিতত উদ্যোগীৰ যোগেদি অতিৰিক্ত ১০ লাখ বর্গফুট পণ্যাগাৰ নির্মাণ কৰিবলৈ পৰামর্শ দিয়া হয়। আৰু এই বিষয়ত দাবী জনোৱা হৈছে। গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ ৫০ শতাংশৰো অধিক চাহ উৎপন্ন কৰা অসম ৰাজ্যলৈ কলিকতাৰ পৰা চাহ বর্ডৰ কার্য্যালয় স্থানান্তৰ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্রীয় চৰকাৰে বর্ত্তমান নুমলিগড়ত যি ক্ষেত্রপ্রতিস্থান পাতিছে, তাৰ পৰা বহুতো নিবনুৱা সমস্যা সমাধান হোৱাৰ সম্ভাৱনা আছে। প্রস্তাৱিত নতুন শোধানাগাৰ আৰু সংশ্লিষ্ট বিষয়বোৰৰ ভিতৰত বর্ত্তমানে অসমৰ তেল আৰু প্রাকৃতিক গেছ আয়োগে তলত উল্লেখ কৰা ধৰণে খাৰুৱা তেলৰ যোগান ধৰে। যেনে --

গুৱাহাটী শোধানাগাৰ	০.৮০ মেট্রিকট'ন
বঙাইগাঁও শোধানাগাৰ	১.২০ মেট্রিকট'ন
ডিগবৈ শোধানাগাৰ	০.৫০ মেট্রিকট'ন
বিহাৰৰ বাৰাউনি শোধানাগাৰ	৩.৩০ মেট্রিকট'ন

বছৰি ৫ মেট্রিকট'ন অসমৰ তেল পথাৰৰ পৰা উৎপাদন হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, খাৰুৱা তেলৰ ওপৰত প্ৰতি টনত ১০০ টকাকৈ ৰয়েলটি বঢ়াব লাগে। ঠিক তেনে ধৰণে যিবিলাক শুল্ক আহে সেইবিলাকো বঢ়াব লাগে। ৰাজ্যখনত উৎপাদন হোৱা তেল আৰু গেছ যদি শেষ হৈ যায় তেতিয়া হ'লে গেছ বঢ়াবই লাগিব। আমি সকলোৱে লক্ষ্য কৰিছো যে প্ৰাকৃতিক গেছ যদি শেষ হৈ যায় তেতিয়া হ'লে ভৱিষ্যত বংশধৰ সকলে কেনেকৈ চলিব? এই সম্পদ বিলাক যদি এতিয়াৰ পৰাই সংৰক্ষণ নকৰো তেতিয়া ভৱিষ্যতে জনসাধাৰণে আমাক জগৰীয়া কৰিব। প্ৰাকৃতিক গেছ তৎকালীন ভাৱে উলিওৱা আৰু গেছ যোগান ধৰা কাৰ্য্যত ৰাইজৰ সহযোগিতাক ৰাজনৈতিক সকলৰ সৎ সাহস আৰু আন্তৰিকতা থাকিব লাগিব। প্ৰাকৃতিক গেছ জ্বলাই দিয়া ব্যৱস্থাক লৈ অৱসান ঘটুৱাবৰ কাৰণে আমি দাবী উত্থাপন কৰিছো আৰু এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে অসমত উদ্যোগিক অনুষ্ঠান আৰু অন্যান্য কাৰখানা বিলাক অসমৰ গেছ ক্ৰেকাৰৰ যোগেদি অধিক উৎপাদন কৰি অসমৰ উদ্যোগিক উন্নয়নৰ যোগেদি ইয়াক ব্যৱহাৰ কৰা যায়। গুৱাহাটী তেল শোধানাগাৰত উৎপাদন হোৱা কেৰাচিন আৰু ডিজেল আদি পাইপ লাইনেৰে শিলিগুৰিলৈ যায়। তাত বিক্ৰী কৰি বছৰি ২০ কোটি টকা পায়। শিলিগুৰিত শোধন কৰাৰ পিছত এই কেৰাচিন আৰু ডিজেল আদি পুনৰ অসমলৈ ঘূৰি আহে আৰু এইবিলাক অসমত বিক্ৰী হয়। এই শোধনকাৰ্য্য শিলিগুৰিত নকৰি বঙাইগাঁওত এটা শোধন প্ৰকল্প স্থাপন কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, কেৰাচিন তেলৰ বিষয়টো অসম বিধান সভাত বহুতবাৰ আলোচনা বিলোচনা হৈছে। বিভিন্নজনে প্ৰশ্নও কৰিছে। বিভাগীয় মন্ত্ৰীৰ লগত বাক-বিতণ্ডাও হৈছে। আমাৰ অসমত উৎপাদন হোৱা কেৰাচিন তেল প্ৰতি লিটাৰত ১৪ টকাকৈ কিনিব লাগে। সেই কাৰণে আমি স্পষ্টকৈ কৈছো যে আমাৰ খাৰুৱা তেল

শিলিগুৰীলৈ লৈ যায় আৰু সেইবোৰ তাত শোধন কৰাৰ পিছত পুনৰ অসমলৈ ঘূৰি অহাৰ কাৰণে ইয়াৰ মূল্য যথেষ্ট হয়। সেই কাৰণে প্ৰাকৃতিক গেছৰ নাটনি আৰু কেৰাচিনৰ নাটনি সদায়ে থাকি যাব। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। আমি সদনত উত্থাপন কৰা প্ৰস্তাৱটো বাস্তৱিকতে কোনো ধৰণৰ বেলেগ দৃষ্টিভংগীৰে লব নালাগে। তিক্ততাপূৰ্ণ কথা আলোচনা কৰিব নালাগে। অসমৰ কল্যাণৰ হকে কবলৈ যাওঁতে সদনৰ মজিয়াত এগৰাকী বিধান সভাৰ সদস্য বা মাননীয় মন্ত্ৰীয়ে বিৰোধীতা কৰিছিল। ফলত বুজাবুজিৰে আতৰ কৰিবলগীয়া হয়। আমাৰ অসমৰ অধিক জনগোষ্ঠীৰ মাজত ভুল বুজাবুজিয়ে যাতে অসমৰ উন্নয়নত পুনৰায় হেঙাৰ হিচাবে থিয় নহয়। অসমৰ খিলঞ্জীয়া বা থলুৱা ৰাইজৰ কাৰণে হেঙাৰ হব নোৱাৰে। ইয়াত সংবিধানৰ কথা আহি পৰিছে। অসমৰ জনসাধাৰণে লাঞ্ছিত হৈছে। জম্মু আৰু কাশ্মীৰৰ দৰে অসমকো সুৰক্ষা দিব বুলি আমি আশা কৰিছো। অসম বিধান সভা মজিয়াত প্ৰাকৃতিক গেছৰ কথা কোৱা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে প্ৰাকৃতিক গেছক অৰ্থনৈতিকভাৱে ৰক্ষা কৰচ হিচাবে ৰাখিব লাগিব। অসমক অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়াই নিব লাগিব। তেতিয়া ৬০০ কোটি টকাকৈ আহিলে আমাৰ এই ক্ষেত্ৰত মূৰ সোমাবলগীয়া নহয়। আজি ৰাতিপুৱা যেতিয়া তথ্য এটা দাঙি ধৰিছিলো তেতিয়া কেতবোৰ বিষয়ে মানে প্ৰাকৃতিক গেছৰ সন্দৰ্ভত আলোচনা কৰিছো। অ. এন. জি. চি. আৰু অইল ইণ্ডিয়া লিমিটেডত অন্তৰাষ্ট্ৰীয় বিশেষজ্ঞ আছে। ভাৰতবৰ্ষৰ বাহিৰলৈ যেতিয়া সেই বিশেষজ্ঞ সকল ঘূৰি যায় তেতিয়া তেওঁলোকে ক্ষোভ কৰে। প্ৰাকৃতিক গেছ বিলাক অবাবতে জ্বলি থকাৰ কাৰণে কেন্দ্ৰৰ লগত আলোচনাও হৈছে। সকলো

দুখীয়া দেশে নিজৰ নিজৰ প্ৰাকৃতিক সম্পদ ৰক্ষা কৰি সম্পদৰ ওপৰত অৰ্থনৈতিক উন্নয়নৰ কাৰণে চেষ্টা কৰে। আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত খাৰুৱাতেলৰ অতি প্ৰয়োজন। তাক যাতে সৎ ব্যৱহাৰ কৰিব পৰা যায়। কেন্দ্ৰীয় চৰকাৰে অসমক অৱহেলা কৰে। মাহী আই চকুৱে চাই। দ্বিতীয় শ্ৰেণীৰ নাগৰিক বুলি ভাবে। আজিৰ প্ৰস্তাৱটোৰ লগত সংগতি ৰাখি যিকেইটা বিষয় উত্থাপন কৰিলো সেইকেইটা প্ৰস্তাৱ বিৰোধী পক্ষৰ ফালৰ পৰা অনা হৈছে। অইল ইণ্ডিয়া লিমিটেডে ২ নিযুত ঘন মিটাৰ আৰু অ. এন. জি. চি.এ. উৎপাদন কৰা শতকৰা ৫০ ভাগ গেছ জ্বলাই আছে। এনেদৰে হিচাব কৰিলে বছৰি প্ৰায় ২০০ কোটি টকাৰ গেছ জ্বলোৱা হৈছে। এ. জি. পি. চৰকাৰে কাৰ্য্যভাৰ হাতত লোৱাৰ সময়ত এ. এই. ডি. চি. এ প্ৰতি দিনে ৪ নিযুত ঘনমিটাৰ প্ৰকল্প স্থাপন শোধন কৰিব পাৰিব বুলি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিয়া হৈছিল। আজিলৈকে একো ফল পোৱা নাই। এই প্ৰস্তাৱ কাগজতে আছে নাইবা ফাইলৰ মাজতে সোমাই আছে। চৰকাৰেও ফাইল খুলি চোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা এ. আই. ডি. চি.ক এই দায়িত্ব দিয়া হয় তেতিয়া হ'লে কিছু কাম হ'ব। অসমৰ উদ্যোগীক উন্নয়ন নিগমে ৪ নিযুত মেট্ৰিক ট'ন গেছ ভিত্তিক প্ৰকল্পটো গেছ ব্যৱস্থা, গেছৰ এল পি জি কৰিলে অসমৰ যথেষ্ট উন্নতি হ'ব। তেতিয়া দেখিবলৈ পাব যে ই অসমৰ উন্নয়নৰ ক্ষেত্ৰত ব্যাপক সহায় কৰিব। গেছ পাইপ লাইন অসমৰ ৰাষ্ট্ৰীয় পথৰ ঠিক ঘাই ঘাই ঠাই চুই যাব। পাইপ লাইনৰ বাহিৰেও অন্যান্য পৰীক্ষা-নিৰীক্ষাৰ নিমিত্তে কাম হাতত লবলৈ পৰামৰ্শ দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ খাৰুৱা তেল শোধন কৰোতে পোৱা নেফথা সুগন্ধি উৎপাদনত চহকী। জনা গৈছে যে বৰ্ত্তমানলৈ থকা শোধানাগাৰবোৰৰ পৰা আৰু বঙাইগাঁও শোধানাগাৰ তেল

লিমিটেডৰ পৰা প্ৰায় একলাখ মেট্ৰিকটন পনীয়া নেফথা পোৱা যাব। প্ৰচলিত ধৰণৰ নেফথা শোধন কেন্দ্ৰ এটাৰ বাবে অসমৰ জনসাধাৰণে জনোৱা নেৱানেপেৰা দাবীৰ প্ৰতি সঁহাৰি জনাই প্ৰায়ে কোৱা হয় যে পৰিকল্পনাৰ পৰ্য্যায়তে এনে কেন্দ্ৰ এটাৰ ব্যৱস্থাৰ কথা বিবেচনা কৰা হৈছিল যদিও বৰ্ত্তমানে পোৱা নেফথাৰ পৰিমাণ প্ৰচলিত ধৰণৰ নেফথা শোধণ কেন্দ্ৰ এটাৰ বাবে যথেষ্ট নহয়। এতিয়া পৰামৰ্শ দিয়া হৈছে যে পোৱা নেফথা খিনি বেনজিন, টলুইন আৰু ইথাইল বেনজিন উলিয়াব পৰা এটা সুগন্ধি প্ৰকল্প স্থাপন কৰি সফলভাৱে কামত খটুৱাব লাগে। এই উৎপন্ন সামগ্ৰীবোৰ অসংখ সহজ উৎপাদনৰ বাবে সফলতাৰে ব্যৱহাৰ কৰি কীটনাশক, দ্ৰব্যক, নাইলন প্লাষ্টিক সজুলি আদি উৎপাদনৰ বাবে উদ্যোগৰ পূৰ্ণ সম্ভাৱনা মোকলাব পাৰে। এই কথা আমাৰ এ. আই. ডি. চি.ৰ যিটো প্ৰস্তাৱ দিছিল তাত এই কথাও উল্লেখ কৰা আছে। গতিকে উপাধ্যক্ষ মহোদয়, সদনত এই প্ৰস্তাৱ উত্থাপনৰ যোগেদি আমি আশা ৰাখিম যে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে যদিও বাজেট উত্থাপন কৰাৰ সময়ত আৱ. ডি. বুলি কোনো কোনোৱে কৈছিল আনকি মাননীয় স্পোৰ্টচ মন্ত্ৰীয়েও আৱ. ডি. বুলি কৈছিল তথাপি মই কওঁ যে বিত্তমন্ত্ৰী মহোদয়ৰ হাত শক্তিশালী কৰি তাৰ কাৰণে প্ৰয়োজন হলে দীৰ্ঘম্যাদী আঁচনি লৈ হলেও ব্যৱস্থা ল'ব লাগে। (ভইচ ঃ বাজেট দিয়েই লালবাতি জ্বলালে)

এই কথালৈ চৰকাৰৰ বিষয় ববীয়া সকললৈও অনুৰোধ ৰাখিছো যাতে আমি উত্থাপন কৰা প্ৰস্তাৱ সুদূৰ প্ৰসাৰী দৃষ্টিভংগীৰে বিবেচনা কৰিবলৈ মই পুনৰবাৰ অনুৰোধ ৰাখিছো। অসম চুক্তিৰ ছয় আৰু সাত নম্বৰ দফাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব নিদিয়াৰ কাৰণে কি বুজিব লাগিব। আন্দোলনকাৰী সকলে অসম আন্দোলনৰ সময়ত মহা

মানৰ মহাত্মা গান্ধীৰ দৃষ্টিভংগীৰে আগুৱাই আহিছিল আৰু কেন্দ্ৰীয় চৰকাৰে গান্ধীজীৰ অনুপ্ৰেৰণাত হোৱা সেই অসম আন্দোলনৰ ফলশ্ৰুতিত, গণতান্ত্ৰিক পদ্ধতিৰে কৰা সেই দীৰ্ঘদিনীয়া আন্দোলনৰ পৰিপ্ৰেক্ষিতত ঐতিহাসিক চুক্তি স্বাক্ষৰিত কৰিছিল কিন্তু সেই চুক্তি যেতিয়া গুৰুত্বহীন হৈ পৰে তেতিয়া স্বাভাৱিকতেই আন্দোলনকাৰী সকলৰ মাজত হতাশাৰ সৃষ্টি হ'ব। আৰু তেনেকৈয়ে আন্দোলনকাৰী সকলৰ এচামে অগণতান্ত্ৰিক পদ্ধতি লবলৈ পৰোক্ষ ভাৱে কেন্দ্ৰীয় চৰকাৰে ঠেলি দিয়া ব্যৱস্থাই বাধা কৰিছে বুলি কলেও অত্যুক্তি কৰা নহ'ব। ই ঐতিহাসিক সত্য যে হতাশা আৰু নিৰাশাত ভোগা সকলে গণতান্ত্ৰিক পদ্ধতিৰে কাম সম্পাদন নোহোৱা দেখিলেই আন পন্থা লবলৈ বাধ্য হৈ পৰে। অসমত থকা প্ৰাকৃতিক সম্পদ, তেল সম্পদ, চাহ সম্পদ, জলজ সম্পদ, প্ৰাকৃতিক গেছ, প্লাইউড আদি ব্যৱহাৰ কৰাৰ সন্দৰ্ভত যদি অসমৰ জলসম্পদ ব্যৱহাৰ কৰাৰ সন্দৰ্ভত ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰাৰ সন্দৰ্ভত আৰু তাৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰিবৰ কাৰণে অসম চৰকাৰৰ পৰা বাৰ হেজাৰ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছিল কিন্তু সেই প্ৰস্তাৱো চৰকাৰৰ হাতত প্ৰস্তাৱ হৈয়েই আছে। বাস্তৱ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে শিথিলকৰণ নীতি লৈছে। আৰু মই ভাবো এই ক্ষেত্ৰত সেইদিনা নিজৰ বাস্তৱ অভিজ্ঞতাৰ পৰা আন্তঃ ৰাষ্ট্ৰীয় ক্ষেত্ৰত বিদ্যুৎ কেনে ভাৱে উৎপাদন কৰিছে সেই বাস্তৱ অভিজ্ঞতাৰ কথাকে সুঁৱৰি কেনে ভাৱে মুক্ত অৰ্থনীতি গ্ৰহণ কৰি হ'লেও প্ৰয়োজন সাপেক্ষে আমাৰ স্বাৰ্থত, ৰাষ্ট্ৰীয় স্বাৰ্থত আন্তঃ ৰাষ্ট্ৰীয় কোম্পানী নিয়োগ কৰি হ'লেও ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰি বিদ্যুৎ গাঁঠনি শক্তিশালী কৰাৰ অগ্ৰণী ভূমিকা ল'ব। আমাৰ ইয়াত যিমান খিনি বিদ্যুৎ তেনে ভাৱে উৎপাদন হ'ব তাৰ পৰা আমাৰ ৰাজ্যৰ ব্যৱহাৰৰ উপৰিও বাহিৰৰ ৰাজ্যলৈও বিদ্যুৎ যথেষ্ট পৰিমাণে পঠিয়াই তাৰ পৰা আমাৰ অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব পৰা

হ'ব। এনেবিলাক কথাত এটা দিশলৈ মনত ৰাখিব লাগে যে নাটকৰ আখৰা ঠিক মতে নহ'লে যেনেকৈ নাটক মঞ্চস্থ কৰাত ভাল নহয় বা নৃত্য নাটিকা এখন নাথাকিলে যেনেকৈ মূল নাট উপভোগ কৰাত আনন্দ কমি যায় ঠিক তেনেদৰে এইবিলাক ক্ষেত্ৰত আৰম্ভণিৰ কথাবিলাক অতি ভালদৰে আৰু সাৱধানে কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আচলতে উপাধ্যক্ষ মহোদয়, আমাৰ অসমখন এখন গ্ৰাহক ৰাজ্য আৰু আমি অসমীয়া খিনি এটা গ্ৰাহক জাতি হৈ পৰিছো। ৰাতিপুৱা উঠি দাতমজা টুথপেষ্টৰ পৰা আৰম্ভ কৰি, চাহ-চেনী, অফিচলৈ যোৱাৰ সময়ত ডালি ভাত আলুগুটি খাই অফিচত ব্যৱহাৰ কৰা কলম আৰু ৰাতি মূৰি গৈ শোৱাৰ সময়ত ব্যৱহাৰ কৰা হাৱাই চেণ্ডেল অফিচলৈ আহা যোৱা কৰা স্কুটাৰ আদি সকলো আমি লোকৰ ওপৰত নিৰ্ভৰ কৰো। আমি অসমীয়া এটা গ্ৰাহক জাতিত পৰিণত হৈছো। ইয়াৰ কাৰণে কাক দোষ দিব? চৰকাৰ কোনে কৰিছে সেইটো কথা নহয়। কংগ্ৰেছে কৰিছে নে এ. জি. পি.য়ে কৰিছে সেইটো কৰ্ত্তব্য নহয়। কিন্তু চৰকাৰটোৰ ৰাজ্যখনৰ প্ৰতি জাতিটোৰ প্ৰতি এটা কমিটমেণ্ট থাকিব লাগিব, সচেতনতা থাকিব লাগিব আৰু সামগ্ৰিক ভাৱে অসমৰ অৰ্থনৈতিক বুনিয়াদ কেনেকৈ সৱল কৰিব পৰা যায় তাৰ প্ৰতি দায়বদ্ধ থাকিব লাগিব। কাশ্মীৰত যদি সুকীয়া ভাৱে সুবিধা আদায় কৰিব পাৰে তেন্তে অসমত কিয় নোৱাৰিব। অসমলৈ কেন্দ্ৰীয় চৰকাৰে কি দি আছে? আজিৰ তাৰিখত কেন্দ্ৰত যি দলৰ চৰকাৰে আছে অসমতো সেই দলৰেই চৰকাৰ আছে। সেই ফালৰ পৰা অসমৰ চৰকাৰে নিজৰেই দলৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা কি আনিছে বা আনিবলৈ যত্ন কৰিছে। দিল্লীলৈ আমাৰ মানুহ চাৰি পাঁচ বাৰ মাহেকত গৈয়েই আছে কিন্তু দিল্লীত কিয় কনভিন্স কৰাব নোৱাৰে

অসমতো সুবিধা ব্যৱহাৰ কৰাৰ কাৰণে। মাহী আইৰ দৃষ্টি কিয় অসমক চোৱা হৈ আছে। এই বিলাক কথা আলোচনা কৰি উল্লেখ কৰিব লাগে। চল্লিশ হাজাৰ মাষ্টাৰৰ চাকৰি দিয়া বা এক লাখ চাকৰি দিয়াটোতেই চৰকাৰৰ কাম শেষ নহয়। জাতিটোৰ কাৰণে আৰু বহুত কিবা কৰিবলগীয়া আছে। চাকৰিৰে একো নহয়। অসমৰ অর্থনৈতিক উন্নয়ন কৰিব নোৱাৰিলে জাতিটোৰ ভৱিষ্যত অন্ধকাৰ আৰু অসমৰ সমস্যা কেতিয়াও দূৰ কৰিব নোৱাৰে। অসমৰ উন্নতিৰ সপোনো ৰচনা কৰিব নোৱাৰে। প্রতিটো ক্ষেত্রত অসমৰ ধন বাহিৰলৈ ওলাই গৈয়েই আছে। দুই কোটি টকাৰ মাছ আৰু কফি অন্ধ্রৰ পৰা অনা কথাতকৈ আৰু কি লাজৰ কথা হ'ব পাৰে। আন জাতি হ'লে অন্ততঃ লাজতে ভাত খাব নোৱাৰিলেহেতেন। সকলো কথা হাঁহি ধেমালিৰে এৰি দিলেই নহ'ব। অহা পাঁচ দহ বছৰৰ পিছত অসমৰ কি ভয়াবহ অৱস্থা হব সেই দৃশ্য কল্পনা কৰিলেও ভয় লগা হৈছে. আজি উদাহৰণ হিচাবে মই অফিচৰ নামটো নকও যদিও এটা অফিচৰ কাৰণে সাতটা পিয়নৰ চাকৰীৰ প্রয়োজন হোৱাত সেই পিয়ন পদৰ বিপৰীতে বাৰজন অসমীয়া এম. এ. প্রার্থীয়ে প্রার্থীত্ব আগবঢ়াইছে। অর্থাৎ সাতোটা পিয়নৰ কাৰণে বাৰজন অসমীয়াৰ এম. এ. হোৱা অৱস্থা হৈছে যি ক্ষেত্রত পিয়নৰ কাৰণে মেট্রিক পাছ বা অষ্টমমান শ্রেণীলৈ পঢ়া লোক বিচৰা হয়। এম. এ. পাচ কৰা লৰাই বহু আশা কৰি বিশ্ববিদ্যালয়লৈ গৈছিল অধ্যাপক বা আন কিবা হোৱাৰ আশাৰে। এইটো মই অসত্য কথা কোৱা নাই। ইয়াতকৈ দুখৰ কথা আৰু কি হ'ব পাৰে। এইটো কংগ্রেছ বা এ. জি. পি. ৰ কথা নহয়। এইটো সমগ্র জাতিটোৰে সমস্যা। কৃষি খণ্ড আৰু উৎপাদনৰ খণ্ডবিলাকত যদি জোৰ দিয়া নহয় তেতিয়াহ'লে ৰাজ্যখনৰ আর্থিক অৱস্থা কেতিয়াও ভাল হ'ব নোৱাৰে। কেন্দ্রীয়

চৰকাৰে অসম চুক্তিৰ ৬ আৰু ৭ নং দফাৰ ওপৰত এবাৰো আলোচনা কৰা নাই। অথচ দুয়োটা দফাতে সকলোখিনি সামৰি লোৱা আছে। এতিয়া সকেলা গালো বালো খোলাকুটিৰ তাল হৈছেগৈ। অসম চৰকাৰে শংকৰদেৱ কলাক্ষেত্ৰৰ কাম হাতত লৈছে কিন্তু শংকৰদেৱ কলাক্ষেত্ৰৰ কাৰণে এহাজাৰ জন অসমীয়া যুৱক শ্বহীদ হোৱা নাছিল। মাননীয় উপাধ্যক্ষ মহোদয়, বাস্তৱিকতে অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক আৰু সাংস্কৃতিক দিশত প্ৰতিস্থা লাভ কৰিব পাৰিলেহে আমাৰ এই দীৰ্ঘদিনীয়া আন্দোলন আৰু অসম চুক্তিৰ ৰূপায়ণ সাফল্য মণ্ডিত হ'ব যদি আমি বিবেচনা কৰোঁ। এই গোটেই খিনি কথা চুক্তিৰ লগত থাকিলেও অসম চুক্তিৰ বিশেষ দফা ৬ নং দফাটোৰ লগতে মুঠ ১৪ টা দফা কাৰ্য্যকৰী কৰি তুলিবলৈ আনুষ্ঠানিক কোনো বৈঠক কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰিবলৈ ব্যৱস্থা কৰা নাই। কেন্দ্ৰীয় চৰকাৰে আজি অসম ৰাজ্যৰ প্ৰতি মাহী আইৰ চকুৰে যোৱা ১০ বছৰৰ ভিতৰত আজিলৈকে এই ১৪টা দফা ইম্পলিমেন্টেশ্যনৰ কাৰণে কোনো আলোচনা নকৰিলে, ইয়াৰ অৰ্থ হ'ল কেন্দ্ৰীয় চৰকাৰে অসমৰ ৰাইজৰ এই দীৰ্ঘদিনীয়া আন্দোলনৰ ফলস্ৰুতিৰ অসম চুক্তিৰ ওপৰত কোনো গুৰুত্ব দিয়া নাই। কিন্তু মনত ৰাখিব লগীয়া কথা যে এই আন্দোলন অসমৰ ইতিহাস ভাৰতবৰ্ষৰ ইতিহাস যি ইতিহাস অসমৰ মানুহে কেতিয়াও পাহৰিব নোৱাৰে। কিয়নো অসম আন্দোলন বুলিলে বহুতৰে চকু দাং খাই আৰু আন্দোলনৰ নেতৃবৃন্দক উগ্ৰজাতীয়তাবাদী বুলি আখ্যা দিয়ে কিন্তু এইটো মনত ৰখা উচিত যে ভাৰতবৰ্ষত কোনো ঠাইতে এনেধৰণৰ শান্তিপূৰ্ণ আন্দোলন ইমান দীঘলীয়াকৈ অনুস্থিত হোৱা নাই। গতিকে এই ইতিহাসক আমি গুৰুত্ব দিবই লাগিব। আজি

মেঘালয়ত ১৯৪৬ চনৰ পৰা অহা লোককো বিদেশী নাগৰিক বুলি গণ্য কৰিব খোজে কিন্তু আজি অসমত ১৯৭১ চনৰ পিচত অহা লোককহে বিদেশী নাগৰিক বুলি গণ্য কৰিব বিচাৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি চমু কৰক, আৰু কেবাজনেও কবলৈ আছে।

*শ্রীহিতেশ্বৰ ডেকা ঃ গতিকে মই আজি এইখিনি কথা আগবঢ়াই অসম চুক্তিৰ যি নিউক্লিয়াচ ৬নং আৰু ৭ং দফাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা বিলোচনা কৰিব লাগে। প্রয়োজন হ'লে সর্বদলীয়া প্রতিনিধি লৈ কেন্দ্রীয় চৰকাৰক চেপা দিব লাগে যি ধৰণে অন্যান্য ৰাজ্যৰ লেখীয়াকৈ বিভিন্ন সাংবিধানিক অধিকাৰ দাবী আদায় কৰাত তেওঁলোক আগবাঢ়ি আহিছে। যদি তাতো নহয় তেতিয়াহ'লে বিহাৰত লালু প্রসাদ যাদবে যি ধৰণে নিজৰ ৰাজ্যৰ কাৰণে, নিজৰ ৰাজ্যৰ স্বার্থৰ কাৰণে মাত মাতিছে আনকি কেন্দ্রীয় চৰকাৰক তেওঁ বাধ্য কৰাইছে, তেওঁ কৈছে বিহাৰৰ যি উৎপাদিত বস্তু সেই বস্তু নিজ ৰাজ্যতে ব্যৱহাৰ হব আৰু তাৰ সমস্ত মোনাফা ৰাজ্য চৰকাৰে লাভ কৰিব। ঠিক সেইদৰে আমাৰ ৰাজ্যতো আমাৰ যিখিনি চাহ উৎপাদিত হয় তেল হয় আৰু সেইদৰে আন আন বস্তু হয় সেইবিলাক যাতে যধে মধে লৈ যাব নোৱাৰে তালৈ আমি সতর্ক হ'ব লাগে। সেইবুলি আমি গোটেই খিনি বস্তু লম তেনে নহয় যেনেকৈ পাঞ্জাৰৰ পৰা আমি চাউল খিনি আনো, বিহাৰৰ পৰা আলু, পিয়াজ, দাইল ইত্যাদি আনো আৰু তাৰ পৰিবর্তে আমি চাহতেল ইত্যাদি যোগান দিব লাগে। কৰল কেন্দ্রীয় চৰকাৰে আমাৰ ৰাজ্যৰ উৎপাদিত বস্তু আন ঠাইলৈ লৈ যাব আমাৰ তেল বিহাৰত বাৰাউনীত শোধণ কৰিব আৰু সেইদৰে আন আন ক্ষেত্রতো আমাৰ সকলো খিনি

* Speech not corrected

কাঢ়ি লৈ যাব সেইটো নহয় আৰু সেই দৃশ্য আমি চাই থাকিম সেইটো কেতিয়াও হ'ব নোৱাৰে। ইতিহাস বৰ নিষ্ঠুৰ মই বুৰঞ্জীৰ ছাত্ৰ নহয় তথাপিতো মই কব বিচাৰো ইতিহাসে সময়ে কোনো দিন কাকো ক্ষমা নকৰে। আমাৰ উত্তৰ পুৰুষে এদিন নিশ্চয় প্ৰশ্ন কৰিব। ১৯৯৫ চনটোৱেই বছৰ নহয় এনেকুৱা বছৰ আৰু বহুত আহিব আৰু ইয়াতেই সকলো শেষ নহয়। অকল অসম বা ভাৰতবৰ্ষৰ কথাই কোৱা নাই আজি এইটো এটা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত গৈছে প্ৰাকৃতিক সম্পদ নিজৰ ঠাইত ব্যৱহাৰ কৰা হওক, এই মনোভাৱ গঢ়ি উঠিছে। আজি যেনেকৈ কাশ্মীৰত ৰাজনৈতিক অধিকাৰ বিচাৰি দাবী তোলা হৈছে ঠিক তেনেকৈ আন আন ৰাজ্যৰ লগতে আমাৰ ৰাজ্যতো একেটা চিন্তা মানুহৰ আহি পৰিছে। আচৰিত কথা যে যেতিয়া আমি গণতান্ত্ৰিক আন্দোলনত অৱতীৰ্ণ হৈছিলো তেতিয়া বন্দুক বাৰুদ লৈ আমাৰ গণতান্ত্ৰিক আন্দোলন মষিমূৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ উদ্যত হ'ল আকৌ যেতিয়া গণতান্ত্ৰিক আন্দোলন এৰি এচামে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ নিজেই অস্ত্ৰ তুলি ললে তেতিয়া আকৌ আলোচনাৰ মেজৰ কথা কলে। আজি অসমৰ শতকৰা ৮০ ভাগ খিলঞ্জীয়া লোকক বিধান সভাত, লোক সভাত প্ৰতিনিধিত্ব হ'ব লাগে আৰু সেই দাবী আমি তুলিব লাগিব। উত্তৰ প্ৰদেশৰ তিৰাৰী কমিশ্যনে যিটো ৰিপোৰ্ট দিছিল সেই ৰিপোৰ্ট মতে উত্তৰ পূৰ্বাঞ্চলত যি ধৰণে এচ. টি. এচ. ক সুবিধা প্ৰদান কৰা হৈছে ঠিক তেনেধৰণে অসমৰ ক্ষেত্ৰতো একেই সুবিধা প্ৰদান কৰিব লাগে। সৰ্বভাৰতীয় পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উৎসাহজনক নহয় আৰু সেই পজিশ্যন লোৱাৰ কাৰণে ৰাজ্য চৰকাৰে যিখিনি সুবিধা আগবঢ়াব লাগে সেইখিনি আগবঢ়াব পৰা নাই, তাৰোপৰি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বছৰটোত বেছিভাগ সময় আন্দোলনতেই পাৰ হৈছিল, বছৰটোৰ ভিতৰত মাত্ৰ ৭৫ দিনহে ক্লাছ কৰা হৈছে। জনজাতীয় সকলৰ কাৰণে যি

ধৰণে বিজাৰ্ভেশ্যনৰ সুবিধা আছে ঠিক তেনেধৰণৰ সুবিধা অসমৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ হ'ব লাগে। আজি আন্দোলন কৰা লোক সকলক বা ছাত্ৰ-ছাত্ৰী সকলক উগ্ৰজাতীয়তাবাদী বুলি বেলেগ দৃষ্টিৰে চাব খোজে, আচলতে তেনেদৰে ভাবিব নাপায়, কিয়নো আজি আমাৰ নিজা প্ৰাপ্যখিনি আমাক নিদি আমাৰ হাতৰ পৰা কাঢ়ি নিব বিচাৰে আৰু আমাৰ স্বাৰ্থত আমাৰ উন্নতিত যেতিয়া বাৰ বাৰ বাধা আৰোপিত কৰা হয় তেতিয়া নিজৰ প্ৰাপ্য আদায় কৰিবলৈ আন্দোলনত নামিব লগীয়া হয়, নহ'লে আমাৰ প্ৰাপ্য খিনিৰ পৰা আমি চিৰকালেই বঞ্চিত হৈ থাকিব লাগিব। (সময়ৰ সংকেত) গতিকে উগ্ৰজাতীয়তাবাদী বুলি ভাবিব নাপায়।

ভূমি সমস্যা সমাধান নহয়। মানুহৰ সংখ্যা বাঢ়ি গৈছে কিন্তু মাটি বাঢ়ি নাযায়। মানুহে মাটি বিচাৰি নোপোৱা হৈছে। আগতে উলুবাৰীয়েই শেষ আছিল এই ফালে যে মাটি আছে বা নগৰ আছে ধৰিব পৰা নগৈছিল। আমি পঢ়ি থকাৰ অৱস্থাৰ কথা কৈছো। কিন্তু এতিয়া মানুহে পাঞ্জাবাৰীলৈ গৈ ঘৰ বান্ধিছে। ভূমি আন মানুহলৈ হস্তান্তৰ হৈছে। মই এইটোৱে কব খুজিছো যে মাটি হস্তান্তৰ হ'ব নালাগে। তেৱাৰী কমিচনে কনচটিটিউচন চেকগার্ডৰ কথা কৈছিল কিন্তু আজিলৈকে সেইটো কৰা নহ'ল। এই ক্ষেত্ৰত মই আশা কৰিছো যে শাসক দলে আৰু বিৰোধী দলৰ মাননুয় সদস্যসকলে কিছু পৰামৰ্শ দাঙি ধৰিব। আমাৰ অসমৰ অৰ্থনৈতিক অৱস্থা অতি বেয়া এই কথা মুখ্য মন্ত্ৰী মহোদয়েও স্বীকাৰ কৰিছে আৰু আমিও স্বীকাৰ কৰিছো। গতিকে অৰ্থনৈতিক উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে। কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগে অসম একৰ্ডৰ ক্ষেত্ৰত যিবিলাক সুবিধা দিছে সেই সুবিধা গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰে. গতিকে মই আহ্বান জনাও যে মুখ্যমন্ত্ৰীয়ে অসম চুক্তিৰ ৬ নং আৰু ৭নং কাৰ্য্যকৰী কৰাৰ বাবে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰক।

